● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

এটা ভাল জীৱনৰ তিনিটা মূল উপাদান হৈছে— জ্ঞান আহৰণ, উপাৰ্জন আৰু উৎসুকতা প্ৰদৰ্শন।

খ্ৰীষ্ট'ফাৰ ম'ৰ্লে
*মাৰ্কিন সাংবাদিক*



www.dainikagradoot.in

৭ আগন্তুক পাঁচ বছৰত ভাৰতত নিষিদ্ধ হ'ব পেট্ৰ'ল
১৫ অধিনায়কৰূপে বিশ্ব অভিলেখ ৰোহিতৰ
৪ সাংবাদিকতাৰ তপস্যা আৰু সাধনাৰ সাৰ্থকতা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬৯তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৪ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৯ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 9 July 2022 মূল্য ঃ ৯.০০ টকা

■ পবিত্ৰ গুহাৰ সমীপত আকস্মিক প্ৰাকৃতিক দুৰ্যোগত হাহাকাৰ ■ এই পৰ্যন্ত কমেও ৪০জন তীৰ্থযাত্ৰী সন্ধানহীন ■ প্ৰচণ্ড জলস্ৰোতে উটুৱাই নিলে ২৫টা অস্থায়ী শিবিৰ ■ উদ্ধাৰ অভিযান অব্যাহত


# অমৰনাথত ডাৱৰ বিস্ফোৰণ, মৃত ১৫

■ নিউজ ব্যুৰ'

**নতুন দিল্লী/শ্ৰীনগৰ, ৮ জুলাই ঃ** জম্মু-কাশ্মীৰৰ পবিত্ৰ অমৰনাথ গুহাৰ সমীপত আজি হঠাতে নামি অহা ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগৰ ফলত নিশা পৰ্যন্ত কমেও ১৫ জন লোকৰ মৃত্যু হৈছে আৰু ৪০ জনৰো অধিক সন্ধানহীন হৈ আছে। অমৰনাথৰ পবিত্ৰ গুহাৰ সন্মুখত ডাৱৰ বিস্ফোৰণ ঘটাৰ ফলতে এই ভয়াৱহ বিপৰ্যয় ঘটে। সন্ধিয়া প্ৰায় ৫-৩০ বজাত এই দুৰ্ঘটনা সংঘটিত হয়। ঘটনাৰ আকস্মিকতাত হতভম্ব হৈ পৰে সকলো। প্ৰচণ্ড বৰষুণত কমেও ২৫ টা *১০ পৃষ্ঠাত চাওক*



## অসমৰ গৰিমা ৰক্ষা কৰি দিল্লীত কাম কৰাৰ নতুন প্ৰেকটিচ কৰিছো ঃ শৰ্মা




**অগ্ৰদূত প্ৰতিবেদক**
**নতুন দিল্লী, ৮ জুলাই ঃ** প্ৰলয়ংকৰী বানত হোৱা ক্ষয়-ক্ষতিৰ বাবে কেন্দ্ৰীয় চৰকাৰক বিশেষ পেকেজ ঘোষণাৰ দাবীক আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নাকচ কৰে। *১০ পৃষ্ঠাত চাওক*

## দুই সংখ্যাৰ লোকসভা আসন দখলৰ লক্ষ্য বিজেপিৰ

### ৰাজ্যত প্ৰতিটো বুথকে শক্তিশালী কৰাৰ লক্ষ্য

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৮ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে প্ৰতিটো বুথক সমানে শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। বুথ শক্তিশালীকৰণৰে আগন্তুক ২০২৪ৰ লোকসভা নিৰ্বাচনত দলে অসমত বৰ্তমানতকৈ অধিক আসন দখলৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই লক্ষ্যত উপনীত *১০ পৃষ্ঠাত চাওক*





■ শ্বিনজ' আবেৰ পাছফালে থিয় হৈ থাকিয়েই গুলীয়ালে ৪০ বছৰীয়া যুৱকে ■ ভাৰতত আজি শোক দিৱসৰ ঘোষণা কেন্দ্ৰৰ

## নিৰ্বাচনী সভাত ভাষণৰত অৱস্থাতে জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীক হত্যা

■ নিউজব্যুৰ'

**টকিঅ'/দিল্লী, ৮ জুলাই ঃ** দুৰ্বৃত্তই গুলীয়াই হত্যা কৰিলে জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজ' আবেক। আজি পুৱা জাপানৰ পশ্চিম প্ৰান্তৰ নাৰা চহৰত নিৰ্বাচনী প্ৰচাৰত ভাষণ দি থকাৰ সময়তে গুলিয়ে ভেদ কৰে শ্বিনজ'ৰ হৃদয়। ৰক্তাক্ত অৱস্থাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকসকলৰ সকলো প্ৰচেষ্টা বিফল হয়। মৃত্যুৰ সময়ত শ্বিনজ'ৰ বয়স আছিল ৬৭ বছৰ। জাপানৰ ইতিহাসত সৰ্বাধিক *১০ পৃষ্ঠাত চাওক*



## উৎকোচ লৈ গ্ৰেপ্তাৰ হ'ল জোখ-মাখ বিভাগৰ বিষয়া

### কাৰ্যালয়ৰ কোঠাতে ৩.২ লাখ টকা উদ্ধাৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৮ জুলাই ঃ** ব্যৱসায়িক প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বিনিময়ত এজন ব্যৱসায়ীক উৎকোচ দাবী কৰি আজি তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ আৰক্ষীৰ ওচৰত হাতে-লোটে ধৰা পৰে অসম বৈধ জোখ-মাখ সেৱাৰ জ্যেষ্ঠ বিষয়া জোখ-মাখ *১০ পৃষ্ঠাত চাওক*

■ ভাৰাতীয়াৰ অত্যাচাৰ ঃ দুজনক গ্ৰেপ্তাৰ

## যুৱকৰ আত্মহত্যাক কেন্দ্ৰ কৰি উত্তপ্ত ডিব্ৰুগড় চহৰ, মৃতদেহ লৈ থানা ঘেৰাও



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৮ জুলাই ঃ** ডিব্ৰুগড় আৰক্ষী প্ৰশাসনৰ হেমাহিৰ বাবেই এজন প্ৰকৃতিপ্ৰেমী যুৱকে আত্মহত্যা কৰিবলৈ বাধ্য হোৱাৰ *১০ পৃষ্ঠাত চাওক*

### ৰাজ্যত জে ইৰ উদ্বেগজনক ৰূপ ধাৰণ

## চলিত মাহতে ৭৪ জন লোক আক্ৰান্ত, সাতজনৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৮ জুলাই ঃ** ৰাজ্যত বানপানীৰ পাছতে উদ্বেগজনক ৰূপ ধাৰণ কৰিছে জাপানীজ এনকেফেলাইটিছে। আজিৰ দিনটোতে *১০ পৃষ্ঠাত চাওক*

## ঈদত বেআইনী গো-বধৰ বিৰুদ্ধে সতৰ্ক হ'বলৈ নিৰ্দেশ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ৮ জুলাই ঃ** অহা ১০ জুলাইত ইছলামধৰ্মী সকলৰ ত্যাগৰ উৎসৱ ঈদ উজ জ্বোহা উদযাপন কৰা হ'ব। এই উৎসৱৰ প্ৰাকমুহূৰ্তত ভাৰত চৰকাৰৰ নিৰ্দেশনা *১০ পৃষ্ঠাত চাওক*

পৰিবহণ বিভাগ

অসমৰ বিভিন্ন পথত বাহনৰ সৰ্বোচ্চ গতিসীমা*



| বাহনৰ শ্ৰেণী | ৪-লেনযুক্ত পথ (মিডিয়ান ষ্ট্ৰিপ/ ডিভাইডাৰ থকা পথ) | অন্যান্য পথ | পৌৰ সীমাৰ ভিতৰৰ পথ |
|---|---|---|---|
| চালকৰ আসন বাদ দি সৰ্বাধিক ৮ গৰাকী যাত্ৰী কঢ়িওৱা (M1-শ্ৰেণীৰ ব্যক্তিগত বাহন) | ১০০ কি:মি: / ঘণ্টা | ৭০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা |
| চালকৰ আসন বাদ দি সৰ্বাধিক ৮ গৰাকী যাত্ৰী কঢ়িওৱা (M1-শ্ৰেণীৰ বাণিজ্যিক বাহন) | ৮০ কি:মি: / ঘণ্টা | ৭০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা |
| চালকৰ আসন বাদ দি ৯ বা ততোধিক যাত্ৰী কঢ়িওৱা (ব্যক্তিগত আৰু বাণিজ্যিক বাহন) | ৮০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা |
| মালবাহী বাহন | ৭০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা | ৪০ কি:মি: / ঘণ্টা |
| মটৰ চাইকেল | ৮০ কি:মি: / ঘণ্টা | ৬০ কি:মি: / ঘণ্টা | ৫০ কি:মি: / ঘণ্টা |
| তিনিচকীয়া বাহন (ব্যক্তিগত/বাণিজ্যিক) | ৫০ কি:মি: / ঘণ্টা | ৫০ কি:মি: / ঘণ্টা | ৪০ কি:মি: / ঘণ্টা |


অসমত প্ৰায় ৭৫% পথ দুৰ্ঘটনা বাহনৰ তীব্ৰগতিৰ বাবেই সংঘটিত হয়
তীব্ৰগতি ত্যাগ কৰক

গতিসীমা উলংঘা কৰাৰ জৰিমনা
এল.এম.ভি: ২০০০ টকা
এইচ.এম.ভি/এম.এম.ভি: ৪০০০ টকা

আহক আমি সকলোৱে পথ সুৰক্ষাৰ পঞ্চসূত্ৰ মানি চলাৰ প্ৰতিজ্ঞা লওঁ




চালক-আৰোহী উভয়ে হেলমেট পৰিধান কৰক



সুৰাপান কৰি বাহন নচলাব




নিৰ্দিষ্ট গতিসীমাৰ ভিতৰত বাহন চলাওক



চালক আৰু যাত্ৰীয়ে ছিটবেল্ট পৰিধান কৰক



বাহন চলাওঁতে ম'বাইল ফোন ব্যৱহাৰ নকৰিব


*চৰকাৰৰ অধিসূচনা নং TMV.47/2021/Vol.-IV/145 - A ৰ অনুসৰি

@TransportAssam 9531107518

জনসংযোগ/ডি/৭১৪০/২২

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৯ জুলাই, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

## হোজাইৰ লংকাত মুম্বাইৰ ৬০ টা চুৰি ম'বাইল উদ্ধাৰ ঃ পিতা-পুত্ৰই কৰিছিল চুৰি



অগ্ৰদূত বাৰ্তা
**লংকা, ৮ জুলাই ঃ** মুম্বাইৰ পৰা চুৰি কৰি কুৰিয়াৰযোগে হোজাই জিলাৰ লংকালৈ প্ৰেৰণ কৰা ৬০ টাকৈ নতুন ছীল পেক এনৰয়ড ম'বাইল আৰু টেবলেট লংকা আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মুম্বাইৰ থানে আৰক্ষীয়ে দিয়া তথ্যৰ ভিত্তিত হোজাই আৰক্ষী ছাউনীৰ আৰক্ষীৰ লগতে লংকা আৰু উদালী আৰক্ষীয়ে অলপতে যুটীয়াভাৱে উদালীৰ সিংগাঁৱত অভিযান চলাই গাঁওখনৰ আতিকুৰ ৰহমান নামৰ ছয় পৃষ্ঠাত চাওক

## ■ দুদিনত আক্ৰান্ত পাঁচজন ■ ডায়েৰীয়াতো আক্ৰান্ত বহু লোক

# নগাঁৱত জাপানী এনকেফেলাইটিছত আক্ৰান্ত ১২



শিলচৰত বান সাহায্য প্ৰদানৰ দাবীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অৱস্থান ধৰ্মঘট, শুকুৰবাৰে।


বিশেষ সংবাদদাতা
**নগাঁও, ৮ জুলাই ঃ** নগাঁও জিলাত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱে ভয়াৱহৰূপ ধাৰণ কৰিছে। আজি পৰ্যন্ত জিলাখনত এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা ১২ গৰাকীলৈ বৃদ্ধি পাইছে। জুনৰ পৰা আজিলৈকে জিলাখনৰ ভিন্ন ঠাইত ১২ গৰাকীকৈ লোক জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত দুগৰাকী আক্ৰান্তৰ ছয় জুলাইত মৃত্যু হৈছে। ছয় জুলাইলৈকে জিলাখনত সাতজন লোক এই ৰোগত আক্ৰান্ত হোৱাৰ পাছত কালি আৰু আজি আন পাঁচজন লোক আক্ৰান্ত হৈছে। আক্ৰান্ত হোৱা পাঁচজন হ'ল নগাঁও চহৰৰ লাওখোৱা পথৰ নীলাক্ষী ফুকন (৫১), ফুলগুৰিৰ মণিমা দাস (৬৭), দীঘলদৰিৰ চন্দ্ৰকান্ত নাথ (৬২), বাৰপুজীয়া গান্ধীবৰিৰ ইন্দ্ৰমোহন নাথ (৬০) আৰু কামপুৰ তেতেলীসৰাৰ নিকুঞ্জলি দাস (৪৭)। ইয়াৰে নীলাক্ষী ফুকন গুৱাহাটীৰ জিএনআৰচিত, মণিমা দাস নেমকেয়াৰত, চন্দ্ৰকান্ত নাথ জিএমচিএইছত, ইন্দ্ৰমোহন নাথ হেলথ চিটিত আৰু নিকুঞ্জলি দাস আয়ুসচন্দ্ৰা হাস্পতালত চিকিৎসাধীন হৈ আছে। জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱাত ৰাইজক চিন্তিত কৰি তুলিছে। ইপিনে, জিলাখনত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটাৰ পৰিপ্ৰেক্ষিতত জিলা মেলেৰিয়া বিভাগেও কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি, জিলা মেলেৰিয়া বিভাগে ৰাইজৰ মাজত সজাগতা সভা, আঁঠুৱা ঔষধিকৰণ, ফ'গিং আদিৰ ব্যৱস্থা কৰিছে। জিলাখনৰ বানাক্ৰান্ত অঞ্চল লাওপানী, পুথিমাৰী, জুকুটা স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত স্বাস্থ্য কৰ্মীসকলে মেলেৰিয়া, জাপানী এনকেফেলাইটিছ, ছয় পৃষ্ঠাত চাওক

## দ্ৰৌপদী মুৰ্মুক সমৰ্থন দিব সাংসদ শৰণীয়াই



**বৰমা, ৮ জুলাই ঃ** দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচন এনডিএ প্ৰক্ষেপিত প্ৰাৰ্থী তথা জনগোষ্ঠীয় সমৰ্থন জনাব কোকৰাঝাৰ লোকসভা শৰণীয়াই। আজি এই লৈ বৰমাত অনুষ্ঠিত প্ৰাৰ্থীগৰাকীৰ প্ৰতি নিজৰ সমৰ্থনৰ কথা সংবাদমেল সম্বোধন কৰি সাংসদ শৰণী এগৰাকী জনজাতীয় সম্প্ৰদায়ৰ মহিল ৰাষ্ট্ৰপতিৰূপে ভাৰতৰ প্ৰথম খিলঞ্জীয়া সমৰ্থন আগবঢ়োৱাটো আমাৰ বাবে সন্মানৰ বিষয় হ'ব। যাৰ জৰিয়তে পিছপৰা জনগোষ্ঠীসমূহৰ সম উন্নয়ন হ'ব। উল্লেখ্য যে লোকসভাত অগপ আৰু ইউপিপিএলৰ এজনকৈ সাংসদ আছে। ইপিনে, ১২৬ জনীয়া অসম বিধানসভাত এনডিএৰ ৭৮ জন বিধায়ক আছে, ইয়াৰে ভিতৰত বিজেপিৰ ৬২ জন বিধায়ক আৰু মিত্ৰশক্তি অগপ আৰু ইউপিপিএলৰ ক্ৰমে নজন আৰু সাতজন বিধায়ক আছে। ইপিনে, আগন্তুক লোকসভা নিৰ্বাচনত ৰাইজে সমৰ্থন জনালে পুনৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ ইংগিত প্ৰকাশ কৰে সাংসদজনে। অবড়ো সুৰক্ষা সমিতিৰ সমৰ্থনত দুৱাৰৰে সাংসদ হোৱা শৰণীয়াই অৱশ্যে পৰৱৰ্তী নিৰ্বাচনত আন দলৰ সমৰ্থনৰ প্ৰয়োজন হ'ব বুলি মত প্ৰকাশ কৰে। আনহাতে, আগন্তুক লোকসভা নিৰ্বাচনক লৈ কে'বাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে সাংসদজনে।

## কলকাতামুখী কল কঢ়িয়াই নিয়া বাহনৰ পৰা জব্দ ১৫ লক্ষাধিকৰ চোৰাং চেগুন কাঠ



অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ৮ জুলাই ঃ** চিৰাঙত নিশা ৩১ নম্বৰ (চি) ঘাইপথত বিশেষ তথ্যৰ ভিত্তিত বন বিভাগে অভিযান চলায়। অভিযানত এম এইছ-১৮ বিজি-৮৫৬১ নম্বৰৰ কল কঢ়িয়াই অনা গাড়ীৰ পৰা ১৫ লক্ষাধিক টকা মূল্যৰ মূল্যবান চোৰাং চেগুন কাঠ জব্দ কৰে বন বিভাগে। গাড়ীখনত উদ্ধাৰ হোৱা চালান অনুসৰি গোৱালপাৰা জিলাৰ ধূপধৰা আন্তৰ্জাতিক কলৰ বজাৰ দৰংগিৰীৰ পৰা চেনিচম্পা কল লৈ কলকাতালৈ গৈ আছিল। এই সন্দৰ্ভত চিৰাং বন সংমণ্ডল বিষয়া ব্ৰহ্মানন্দ পাতিৰীয়ে বিশেষ সূত্ৰৰ খবৰ লাভ কৰা তথ্যৰ ভিত্তিত যোৱা নিশা ৩১ নম্বৰ (চি) ঘাইপথৰ গেৰুকাবাৰীত অভিযান চলাই কল কঢ়িয়াই নিয়া ১২ চকীয়া গাড়ীৰ ভিতৰতে বন বিভাগে উদ্ধাৰ কৰে মূল্যবান চোৰাং চেগুন কাঠখিনি। জব্দ চোৰাং কাঠসহ গাড়ীখন এতিয়া চিৰাং বন বিভাগে ৰুণিখাতা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত ৰাখিছে। ইতিমধ্যে বন বিভাগৰ অভিযানৰ সম্ভেদ লাভ কৰিয়ে গাড়ীখনৰ চালক পলাই যাবলৈ সক্ষম হৈছে। চিৰাং বন সংমণ্ডল বিষয়া পাতিৰীয়ে জনায় যে চোৰাং কাঠ বেপাৰীসকলে নতুন নতুন কৌশল উদ্ভাৱনেৰে বন বিভাগৰ চকুত ধূলি দি অসমৰ পৰা মূল্যবান গছ কাটি কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে একাংশ চোৰাং কাঠ বেপাৰীয়ে। সেয়ে বন বিভাগেও কৌশল সলনি কৰি কাঠ বেপাৰীসকলৰ বিৰুদ্ধে অভিযান চলাই সফলতা লাভ কৰিছে।

## কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ চাৰি মনোনীত সদস্যৰ শপতগ্ৰহণ



অগ্ৰদূত বাৰ্তা
**ডংকামোকাম, ৮ জুলাই ঃ** কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ নৱ নিৰ্মিত সচিবালয়ৰ সভাকক্ষত চাৰিগৰাকীকৈ মনোনীত সদস্যই আজি শপত বাক্য পাঠ গ্ৰহণ কৰে। কাৰ্বি পৰিষদৰ সংবিধান অনুযায়ী ৰাজ্যপালৰ হৈ কাৰ্বি আংলং জিলাৰ জিলা উপায়ুক্ত দেবাকৰ নাথে মনোনীত সদস্য ক্ৰমে মংৰে ৰংপি, ৰাজু ভট্ট ৰায়, মুকুট মহন্ত আৰু ফেনপিংগা ৰেংমাক মনোনীত সদস্যৰূপে সংবিধানৰ গোপনীয়তাৰ শপত বাক্য পাঠ কৰায়। পুৱাৰ ভাগত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত ত্ৰয়োদশ কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ ছয় পৃষ্ঠাত চাওক

## শোণিতপুৰত জাপানীজ এনকেফেলাইটিছ দুজন আক্ৰান্ত

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৮ জুলাই ঃ** শোণিতপুৰতো জাপানী এনকেফেলাইটিছ আক্ৰান্ত ৰোগী ধৰা পৰিছে। জিলাখনৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত দুজনৰ দেহত ধৰা পৰিছে জাপানী এনকেফ্লাইটিছৰ অৱস্থিতি। ইয়াৰে ভিতৰত চাৰিদুৱাৰৰ মুন্নি দেৱী (৫৫) নামৰ মহিলাগৰাকী জ্বৰত আক্ৰান্ত হৈ চাৰিদুৱাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ যোৱাৰ পাছত তেওঁৰ শৰীৰত লক্ষণসমূহ দেখা পোৱাত তেওঁৰ প্ৰয়োজনীয় পৰীক্ষা কৰিবলৈ দিয়া হয় আৰু তেওঁৰ শৰীৰত জাপানী এনকেফ্লাইটিছৰ অৱস্থিতি ধৰা পৰে। বৰ্তমান মহিলাগৰাকী তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে।আনহাতে, ভালুকপংৰ পুংখ নাৰ্জাৰী নামৰ এটি সাত বছৰীয়া শিশুও আক্ৰান্ত হৈছে জাপানিজ এনকেফ্লাইটিছত।অসম অৰুণাচল সীমান্ত বৰ্তী অঞ্চলত দুজনকৈ জাপানীজ এনকেফ্লাইটিছ ৰোগী ধৰা পৰাৰ পাছতে ইতিমধ্যে অঞ্চলটোত চাৰিদুৱাৰ চিকিৎসালয়ৰ উদ্যোগত এনকেফ্লাইটিছ সন্দৰ্ভত সৰ্বসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে তেজ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে।

## চাহ শ্ৰমিকৰ মজুৰি ৫২৫ লৈ বৃদ্ধি-বান সমস্যা সমাধানৰ দাবীত আছাৰ ধৰ্ণা



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৮ জুলাই ঃ** ৰাজ্যৰ চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি বৃদ্ধিৰ লগতে বান সমস্যাৰ স্থায়ী সমাধানৰ দাবীত আজি ৰাজ্যজুৰি আছাই পালন কৰা দুঘণ্টীয়া অৱস্থান কাৰ্যসূচী আজি তেজপুৰতো ৰূপায়ণ কৰে। তেজপুৰৰ আদালত চাৰিআলিত আছা আৰু সদৌ অসম আদিবাসী মহিলা সন্থাৰ শোণিতপুৰ জিলা সমিতিয়ে এই কাৰ্যসূচী ৰূপায়ণ কৰি চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৫২৫ টকালৈ বৃদ্ধিৰ দাবী জনোৱাৰ লগতে অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ দাবীত পৰিৱেশ উত্তাল কৰি তোলে। আদিবাসী ছাত্ৰ সংগঠন আৰু মহিলা সংগঠনটোৱে বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য ছয় পৃষ্ঠাত চাওক

## বিশ্বনাথত ৰেস্তোঁৰাৰ বিৰিয়ানিত ওলাল শামুক

### ■ অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত বিশ্বনাথত হোটেলে চলাইছে ব্যৱসায়

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ৮ জুলাই ঃ** অস্বাস্থ্যকৰ পৰিৱেশত এনে হোটেলত খাদ্য আপোনাৰ বাবে বৰবিহ হ'ব পাৰে। আজি তেনে এক ঘটনা সংঘটিত হ'ল বিশ্বনাথত। বিশ্বনাথ নগৰত থকা 'দিল্লী কি মছলুৰ চিকেন বিৰিয়ানি' নামৰ বিৰিয়ানিৰ মাজত শামুক ওলোৱাক লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। কালি সন্ধিয়া বিশ্বনাথ চাৰিআলি নিবাসী বলিন বৰুৱা নামৰ লোকজনে চিকেন বিৰিয়ানি ক্ৰয় কৰি ঘৰলৈ নিছিল উক্ত বিৰিয়ানি দোকানখনৰ পৰা। বিৰিয়ানিখিনি ঘৰৰ সন্তানক খুৱাই থাকোতে হঠাৎ শামুকটো চকুত পৰে আৰু লগে লগে পত্নীকো দেখুৱাই বিৰিয়ানিত থকা শামুক। শামুক প্ৰত্যক্ষ কৰি বৰুৱাৰ সন্তানে বমি কৰি হঠাৎ অসুস্থ হৈ পৰে। ইফালে, বিষয়টো বিয়পি পৰাৰ লগে লগে সংবাদ মাধ্যমৰ কাষ চাপে বৰুৱাই। ইতিমধ্যে বিৰিয়ানিখিনিত সিজি মিহলি গৈ শামুকটোৰ ৰঙো সলনি হয়। বৰুৱাই ইতিমধ্যে স্বাস্থ্য খাদ্য আৰু জিলা প্ৰশাসনক, বিষয়টো অৱগত কৰিছে। উল্লেখ্য যে 'দিল্লী কি মছলুৰ চিকেন বিৰিয়ানি' নামৰ হোটেলখনে পূৰ্বে বহু অপৰিষ্কাৰ খাদ্য বিক্ৰী কৰা অভিযোগ উত্থাপন হৈ আহিছে।

## বাৰ্তাপখিলীৰ পুষ্পাদেৱী জালান সোঁৱৰণী সাহিত্য বঁটা

অগ্ৰদূত বাৰ্তা
**গুৱাহাটী, ৮ জুলাই ঃ** বিশাল প্ৰকাশনৰ পৰা প্ৰকাশিত ভাষা-সাহিত্য-সংস্কৃতিৰ মাহেকীয়া আলোচনী 'বাৰ্তাপখিলী'য়ে ২০১২ৰ পৰা সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মহিলা লেখাৰ শ্ৰেষ্ঠ গ্ৰন্থখন নিৰ্বাচক মণ্ডলীৰ দ্বাৰা বাছনি কৰি 'পুষ্পাদেৱী জালান সোঁৱৰণী সাহিত্য বঁটা' শীৰ্ষক বঁটা প্ৰতি বছৰে পুৰস্কৃত কৰি আহিছে। এই বঁটা ইতিমধ্যে ক্ৰমে ড° পাৰুল চৌধুৰী, ড° নমিতা ডেকা, বৰদা শইকীয়া, ড° বৰ্ণালী কটকী ওজা, ড° মালিনী গোস্বামী, ড° অদিতি বৰুৱা, ড° জাহ্নৱী দেৱী, ড° লীনা ডেকা, ড° ৰাজশ্ৰী বৰা আৰু ড° বিনীতা দেৱচৌধুৰীক প্ৰদান কৰা হৈছে। একাদশ বৰ্ষৰ প্ৰতিযোগিতাৰ বাবে ৪০উৰ্দ্ধৰ এগৰাকী মহিলা লেখকে ২০২১ৰ অক্টোবৰৰ পৰা ২০২২ৰ ছেপ্টেম্বৰৰ ভিতৰত প্ৰকাশিত প্ৰবন্ধ-নিবন্ধ সংকলনৰ তিনিটা কপি, দুকপি পাছপ'ৰ্ট আকাৰৰ ফটো আৰু বয়সৰ ছয় পৃষ্ঠাত চাওক

## গেছ চিলিণ্ডাৰৰ পুনৰ ৫০ টকা মূল্যবৃদ্ধিৰ প্ৰতিবাদ এছইউচিআইৰ

### ■ চিলিণ্ডাৰ মূল্যবৃদ্ধিৰ প্ৰতিলিপিত অগ্নিসংযোগ

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ৮ জুলাই ঃ** সমগ্ৰ দেশ তথা ৰাজ্যজুৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ প্ৰতিবাদ সাব্যস্ত হৈ থকা সময়তে পুনৰ ৰন্ধন গেছ চিলিণ্ডাৰৰ ৫০ টকা বৃদ্ধিৰ বিৰুদ্ধে আজি এছইউচিআই লখিমপুৰ জিলা কমিটীয়ে (কমিউনিষ্ট) লখিমপুৰ মেডিকেল কলেজৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কমিটীৰ সদস্যসকলে প্ৰতিবাদস্থলীত সমবেত হৈ 'দুখীয়া দৰিদ্ৰ শ্ৰেণীৰ লোকসকলক ৰন্ধন গেছৰ মূল্যবৃদ্ধিয়ে পুনৰ মাধমাৰ শোধোৱাৰ বাবে ৰন্ধন গেছ চিলিণ্ডাৰৰ মূল্যবৃদ্ধি কৰা নচলিব, কাৰ স্বাৰ্থত গেছ চিলিণ্ডাৰৰ মূল্যবৃদ্ধি কৰা হৈছে কেন্দ্ৰীয় চৰকাৰে জবাব দিয়া' আদি শ্ল'গানেৰে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। আজিৰ এই কাৰ্যসূচীত এছইউচিআই (কমিউনিষ্ট)ৰ অসম ৰাজ্যিক কমিটীৰ সদস্য প্ৰজ্জ্বল দেৱে গেছ চিলিণ্ডাৰ মূল্যবৃদ্ধি সিদ্ধান্তৰ প্ৰতিলিপিত অগ্নিসংযোগ কৰে।



## বিজনীত দুই হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতৰ

অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ৮ জুলাই ঃ** চিৰাঙৰ বিজনীত দুই হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। বিজনী জিলা অতিৰিক্ত সত্ৰ ন্যায়াধীশ ইউছুফ আজাদৰ আদালতে এই নিৰ্দেশ দিয়ে। বিজনী থানাৰ গোচৰ ২৯৯/২১ নম্বৰ মতে গৃহৰক্ষী জোৱান ইয়াদ আলীৰ হত্যাকাৰী লাল ভানু আৰু খণ্ডকাৰ ছফিউৰ ৰহমানক আজি যাৱজ্জীৱন কাৰাদণ্ড দিয়ে। যোৱা বছৰ বিজনী থানাত কৰ্মৰত গৃহৰক্ষী জোৱান ইয়াদে নিজৰ কৰ্ম সামৰি নিশা ঘৰলৈ ওভতাৰ পথত হত্যাৰ বলি হ'বলগীয়া হৈছিল। পিছদিনা মৃতদেহ উদ্ধাৰ হয় আৰু চিৰাং আৰক্ষীয়ে ক্ষিপ্ৰতাৰে তদন্ত কৰি প্ৰয়াত গৃহৰক্ষী জোৱানজনৰ পত্নী লাল ভানু আৰু পৰকীয়া প্ৰেমিক খণ্ডকাৰ ছফিউৰ ৰহমানে আব্দুল খালেক নামৰ এজন ভাড়াতীয়া হত্যাকাৰীৰ জৰিয়তে হত্যাকাণ্ড সংঘটিত কৰাৰ তথ্য পোহৰলৈ আহে। ইতিমধ্যে মূল হত্যাকাৰী আব্দুল খালেক চিৰাং আৰক্ষীৰে হোৱা সংঘৰ্ষত গুলিচালনাত নিহত হৈছিল। লগতে লাল ভানু আৰু খণ্ডকাৰ ছফিউৰ ৰহমানক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল।

## নুমলীগড়ৰ লেটেকুজান চাহ বাগিচাত উত্তপ্ত পৰিস্থিতি

### বাগিচাৰ মাটিত প্ৰকল্প স্থাপনৰ বিৰোধিতা শ্ৰমিকৰ



অগ্ৰদূত বাৰ্তা
**নুমলীগড়, ৮ জুলাই ঃ** মৰঙিৰ লেটেকুজান চাহ বাগিচাৰ ভূমিত এইজিচিএল নামৰ এটা ব্যক্তিগত কোম্পানীয়ে শক্তি প্ৰকল্প স্থাপন কৰিবলৈ লোৱা উদ্যোগৰ বিৰুদ্ধে আজি সৰৱ হৈ পৰে বাগিচাৰ শ্ৰমিকসকল। আজি পুৱাতেই শ্ৰমিকসকল মাৰবান্ধি ওলাই আহি উক্ত প্ৰকল্প স্থাপনৰ বাবে ভূমি মুকলি কৰিবলৈ অহা এক্সকেভেটৰ আদি ব্যৱহাৰত বাধা আৰোপ কৰে। শ্ৰমিকৰ অজ্ঞাতে সেইদৰে কাম কৰিবলৈ অহা এইজিচিএলৰ লোকসকলৰ বিৰুদ্ধে উত্তেজিত হৈ পৰা শ্ৰমিকসকলে কয় যে বাগিচাৰ মাটিত সেইদৰে যিকোনো কাম কৰাৰ আগতে শ্ৰমিকৰ স্বাৰ্থৰ কথাটো আলোচনা হ'বই লাগিব। শ্ৰমিকৰ ছয় পৃষ্ঠাত চাওক

## গৌৰাং নদীত উদ্ধাৰ অন্তৰীক্ষ শৰ্মাৰ মৃতদেহ

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৮ জুলাই ঃ** কোকৰাঝাৰৰ গৌৰাং নদীত গা ধুৱলৈ গৈ পানীত ডুব যোৱা ছাত্ৰ অন্তৰীক্ষ শৰ্মাৰ মৃতদেহ অৱশেষত আজি উদ্ধাৰ হয়। মৃতদেহ উদ্ধাৰৰ পাছতেই পৰিয়াল আৰু ছাত্ৰজনৰ সহপাঠীসকলৰ মাজত কান্দোনৰ ৰোল উঠে। উল্লেখ্য যে যোৱা ছয় জুলাইৰ আবেলি সতীৰ্থসকলৰ স'তে কোকৰাঝাৰৰ গৌৰাং নদীত গা ধুবলৈ পানীত ডুব গৈ সন্ধানহীন হৈছিল। ছয় পৃষ্ঠাত চাওক

## নলবাৰীৰ সৰবৰহী মহিলা অনিতা শৰ্মাৰ বিয়োগ



অগ্ৰদূত বাৰ্তা
**নলবাৰী, ৮ জুলাই ঃ** নলবাৰী চহৰৰ জিলিঙনি চ'ক নিবাসী ধৰ্মপ্ৰাণ তথা সৰবৰহী মহিলা অনিতা শৰ্মা (৫১)ৰ যোৱা নিশা নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে মহিলাগৰাকীয়ে যোৱা দুবছৰ ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ আছিল। নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি তথা সাংবাদিক জিতেন শৰ্মাৰ সহধৰ্মিণী আছিল অনিতা। নিশা বিদুষী মহিলাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰাত পৰিয়ালটোৰ মাজত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পত্নীৰ অকাল বিয়োগত শোকত ভাগি পৰে স্বামী জিতেন শৰ্মা। নলবাৰীৰ পুণ্যাশ্ৰমৰ প্ৰতিটো পৰিয়ালৰ স'তে আত্মিক সম্পৰ্ক ৰক্ষা কৰি চলা হাঁহিমুখীয়া মহিলাগৰাকীৰ বিয়োগত শোকদগ্ধ হৈ পৰিছে নলবাৰী চহৰবাসী। তিনি কন্যাৰ মাতৃগৰাকীৰ বিয়োগত শোকদগ্ধ হৈ পৰিছে নলবাৰীৰ সাংবাদিক মহল, দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি ছয় পৃষ্ঠাত চাওক

## বাঁহৰ জেঙেৰে ভটীয়াপাৰত দিখৌ নদীৰ খহনীয়া প্ৰতিৰোধৰ চেষ্টা



অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ৮ জুলাই ঃ** আধুনিক তথ্য প্ৰযুক্তিৰ চমকপদ অগ্ৰগতিয়ে সকলো ধৰণৰ অসাধাৰণ কাম মিনিটতে সম্পন্ন কৰাৰ নিতৌ নতুন কৌশল উদ্ভাৱন কৰিছে। কিন্তু উন্নতমানৰ তথ্য প্ৰযুক্তিৰ যুগতো অসম চৰকাৰৰ জলসম্পদ বিভাগটো আওপুৰণি পদ্ধতিৰ কব্জাত সীমাবদ্ধ হৈ আধুনিক সভ্যতাক যেন উপহাস কৰি আবন্টিত কোটি কোটি ৰাজহুৱা ধন প্ৰকৃত কামত খৰচ নকৰাৰ অভিযোগ উঠিছে । কিয়নো পলমকৈ বিভাগটোৱে উক্ত অভিযোগৰ সত্যতা প্ৰতিপন্ন কৰি কেৱল বাঁহৰ জেঙেৰে শিৱসাগৰ জিলাৰ ভটিয়াপাৰৰ সমীপৱৰ্তী দিখৌ নদীৰ খহনীয়া প্ৰতিৰোধৰ বৃথা চেষ্টা চলোৱা বাতৰি পোহৰলৈ আহিছে। উল্লেখ্য যে আজৰ যেন লগা বিভাগটোৰ উক্ত কৰ্ম-কাণ্ডই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ৰাইজৰ মাজত। জলসম্পদ বিভাগৰ শিৱসাগৰ সংমণ্ডলৰ অন্তৰ্গত ভটীয়াপাৰৰ ভাটীবন গাঁৱত ৰাজ্য চৰকাৰৰ বিয়াগোম বিভাগটোৱে খহনীয়া প্ৰতিৰোধৰ নামত সম্পন্ন কৰিছে এনেদৰে পালমৰা কাম। স্মৰ্তব্য যে বছৰৰ পাছত বছৰ ধৰি ভাটীবনগাঁওস্থিত দিখৌ নদীৰ উক্ত খহনীয়া অংশ অৱহেলিত হৈ আহিছে। লগতে চৰকাৰী কোনো উন্নয়নমূলক আঁচনিয়ে ঢুকি নোপোৱা শিৱসাগৰ সমষ্টিৰ একমাত্ৰ গাঁওখনে হৈছে ভাটীবনগাঁও। বিশুদ্ধ খোৱাপানী, পথ-পদুলিকে ধৰি এশ-এবুৰি সমস্যাৰ লগতে বান আৰু খহনীয়াই গাঁওখনক জুৰুলা কৰি আহিছে। বিশেষকৈ বান আৰু খহনীয়া গাঁওখনৰ প্ৰধান সমস্যা হিচাপে চিহ্নিত হৈ আহিছে। প্ৰত্যেক বছৰে বান আৰু খহনীয়াত জৰ্জৰিত গাঁওখনত প্ৰায় দুশটা পৰিয়ালে বসবাস কৰি আহিছে। ইতিমধ্যে খহনীয়াত বহু পৰিয়ালৰ ভেটি-মাটি উছন হোৱাৰ লগতে বৰ্তমানেও আন কে'বাটাও পৰিয়াল খহনীয়াৰ কৱলত পৰি বিনীদ্ৰ ৰজনী পাৰ কৰিব লগা হৈছে। আনহাতে, গাঁওখনৰ একমাত্ৰ পথটো খহনীয়াৰ ছয় পৃষ্ঠাত চাওক

## সিদলসতীত আই নৈত ছাত্ৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ৮ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত সিদলসতী অঞ্চলত আজি আবেলি আই নৈত ছাত্ৰ এজনৰ সলিল সমাধি ঘটে। সিদলসতী অঞ্চলৰ চেঁচাপানীত আজি আবেলি তিনি সমনীয়াই গা ধুৱাৰ উদ্দেশ্যে আই নৈৰ পাৰলৈ যায়। নৈৰ একেবাৰে পাৰতে থকা গাঁওখনৰ দুই সমনীয়াই প্ৰাতকৰ্ম কৰাৰ উদ্দেশ্যে আঁতৰলৈ যায়। তাৰ মাজতে এজনে নোহোৱা হোৱাত নৈত পৰা বুলি সন্দেহ হয়। পাছত আবেলি চাৰি মান বজাত কিশোৰজনক নৈৰ পৰা উদ্ধাৰ কৰি বঙাইগাঁৱৰ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। মৃত কিশোৰজন জ্ঞানদীপ জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ কুলদীপ ৰায় (১৪)।

## তেজপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণচন্দ্ৰ বৰাৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৮ জুলাই ঃ** তেজপুৰৰ মিলনপুৰ কমাৰী চুবুৰি নিবাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক অৰুণচন্দ্ৰ বৰাৰ আজি পৰলোকপ্ৰাপ্তি ঘটাত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে এজন সমাজকৰ্মী, সত্ৰীয়া শিল্পী, উত্তৰ পশ্চিম তেজপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, তথা হলেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক বৰাই শিক্ষকতাৰ সমান্তৰালভাৱে নিজা অঞ্চলটোৰ বিভিন্ন সামাজিক সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ চিকিৎসাধীন হৈ আছিল যদিও আজি তেওঁ নিজ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে তেজপুৰৰ ঐতিহ্যমণ্ডিত মিলন বাকৰি ৰাস মহোৎসৱ, শইকীয়া চুবুৰী মজলীয়া বিদ্যালয়, কদমকলি কলা মন্দিৰ, ডিপোটা কন্যা উচ্চ মাধ্যমিক বিদ্যালয়, পদ্মনাথ গোহাঞি বৰুৱা ৰংগমঞ্চকে ধৰি বিভিন্ন সামাজিক সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠানৰ বিকাশ আৰু উত্তৰণত অহোপুৰুষাৰ্থ কৰি যোৱা জাতীয়তাবাদী আৰু আঞ্চলিকতাবাদী চিন্তাধাৰা ব্যক্তি আছিল বৰা। সমাজকৰ্মীজনৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২৪ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৯ জুলাই ২০২২

# বাধ্যতামূলক অৱসৰ

**উত্তৰ** প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে দুৰ্নীতি-ভ্ৰষ্টাচাৰত অভিযুক্ত, কাম-কাজত ফাঁকি দিয়া, গুৰুতৰ ৰোগাক্ৰান্ত আৰু তদন্তৰ সন্মুখীন হোৱা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছে। এনে ধৰণৰ চৰকাৰী কৰ্মচাৰীক উত্তৰ প্ৰদেশ চৰকাৰে ৫০ বছৰ বয়সতে বাধ্যতামূলক অৱসৰ দিব বিচাৰিছে। এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে যোগী চৰকাৰে কৰ্মচাৰী প্ৰশাসন বিভাগক নিৰ্দেশ দিছে। যোগী চৰকাৰে এখন স্ক্ৰীনিং কমিটী গঠন কৰিছে আৰু এই কমিটীয়ে ৰাজ্যখনত ৩১ মাৰ্চ, ২০২২ত ৫০ বছৰ বয়স সম্পূৰ্ণ কৰা চৰকাৰী কৰ্মচাৰীসকলৰ নাম বিবেচনা কৰি বাধ্যতামূলক অৱসৰ প্ৰদান কৰিব। মূলতঃ প্ৰশাসন যন্ত্ৰক দুৰ্নীতিমুক্ত আৰু অধিক সক্ৰিয় কৰি তুলিবলৈকে যোগী চৰকাৰে দুৰ্নীতিত অভিযুক্ত, অকৰ্মণ্য-অদক্ষ কৰ্মচাৰীক ৫০ বছৰ বয়সতে চাকৰিৰ পৰা অব্যাহতি দিব বিচাৰিছে। যোগী চৰকাৰৰ এই ঘোষণাই স্বাভাৱিকতে উত্তৰ প্ৰদেশৰ চৰকাৰী চাকৰিয়ালসকলক শংকিত কৰি তুলিছে। কেৱল উত্তৰ প্ৰদেশতে নহয়, দিল্লীতো নিষ্ক্ৰিয় চৰকাৰী কৰ্মচাৰীক নিৰ্দিষ্ট কাৰ্যকালৰ পূৰ্বে অব্যাহতি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। ভ্ৰষ্টাচাৰত জড়িত বিষয়াৰ বিৰুদ্ধে চলোৱা তদন্তৰ পাছত দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই অলপতে এই নিৰ্দেশনা দিলে। উপ-ৰাজ্যপালে দিল্লীৰ চৰকাৰী কৰ্মচাৰীৰ কাম-কাজৰ খতিয়ান সময়ে সময়ে গ্ৰহণ কৰি প্ৰতিবেদন দাখিলৰ বাবে পাঁচজনীয়া সদস্যৰে এখন সমিতিও গঠন কৰি দিছে। এই সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত ভ্ৰষ্টাচাৰী আৰু কামত ফাঁকি দিয়া চৰকাৰী কৰ্মচাৰীক দিল্লী চৰকাৰে বাধ্যতামূলক অৱসৰ প্ৰদান কৰিব। চৰকাৰী কৰ্মচাৰীক অধিক দায়িত্বশীল আৰু দুৰ্নীতিমুক্ত কৰিবলৈ উত্তৰ প্ৰদেশ আৰু দিল্লীৰ চৰকাৰে এনে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে।


দেশৰ প্ৰায়বোৰ ৰাজ্যতে চৰকাৰী কৰ্মচাৰীৰ অৱসৰ গ্ৰহণৰ বয়স হৈছে ৬০ বছৰ; কিন্তু চৰকাৰী কৰ্মচাৰীসকলৰ একাংশৰ বিৰুদ্ধে প্ৰায়ে দুৰ্নীতি-ভ্ৰষ্টাচাৰত লিপ্ত হোৱা, কামত ফাঁকি দিয়া, অকৰ্মণ্যতাৰ অভিযোগ উত্থাপিত হৈ আহিছে। একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে যিকোনো কামৰ বাবদ উৎকোচ দাবী কৰাটো ভাৰতীয় প্ৰশাসন ব্যৱস্থাত তেনেই স্বাভাৱিক ঘটনাত পৰিণত হৈছে। আনহাতে, সময় মতে কাৰ্যালয়ত উপস্থিত নোহোৱা কৰ্মীৰ সংখ্যাও কম নহ’ব। অনিয়মীয়া উপস্থিতি আৰু কাম-কাজত নানা ধৰণৰে ফাঁকি দিও একাংশ চৰকাৰী কৰ্মচাৰীয়ে বৃহৎ বেতন আদায় কৰি আহিছে। অদক্ষ-অকৰ্মণ্য বিষয়া-কৰ্মচাৰীয়েও প্ৰশাসন যন্ত্ৰটোত নেতিবাচক প্ৰভাৱ পেলাইছে। এনে পৰিস্থিতিত চৰকাৰী কাৰ্যালয়লৈ গ’লে সাধাৰণ ৰাইজে সদায়ে নানা হাৰাশাস্তিৰ সন্মুখীন হয়। ধুৰন্ধৰ একাংশ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা নিৰ্যাতনৰ বলি হোৱা বহুলোকে নিৰ্দিষ্ট কাম সম্পন্ন বা সেৱা লাভৰ বাবে উৎকোচ দিবলৈ বাধ্য হয়। একেদৰে কৰ্মচাৰীৰ কামত ফাঁকিৰ প্ৰৱণতায়ো জনসাধাৰণক সময়মতে চৰকাৰী সেৱা লাভৰ ক্ষেত্ৰত বঞ্চিত কৰি আহিছে। আমাৰ দেশত দুৰ্নীতি-অনিয়মৰ অভিযোগত চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে গোচৰ তৰি সময়ে সময়ে তদন্ত কৰা হয় ঠিকেই, কিন্তু তাৰ পাছতো দেখা যায় যে প্ৰায়ে আইনৰ সুৰুঙাৰে এনে অভিযুক্ত সাৰি যায় আৰু পুনৰ কৰ্তব্যৰত হোৱাৰ সুযোগ লাভ কৰে। ফলত প্ৰশাসন যন্ত্ৰটোক দুৰ্নীতিমুক্ত কৰাটো বাস্তৱত সম্ভৱ হৈ উঠা নাই। দিল্লী আৰু উত্তৰ প্ৰদেশ চৰকাৰে শেহতীয়াভাৱে এই ক্ষেত্ৰত যি কঠোৰ পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰিছে, তাৰ পৰা স্পষ্ট হৈছে এই দুই ৰাজ্যত এতিয়াৰে পৰা চৰকাৰী কৰ্মচাৰীসকল নিজৰ কাম-কাজৰ ক্ষেত্ৰত অধিক দায়বদ্ধ আৰু সতৰ্ক হ’বলৈ বাধ্য হ’ব। অন্যথা অভিযুক্ত কৰ্মচাৰীয়ে কাৰ্যকাল অন্ত পৰাৰ পূৰ্বে চাকৰিৰ পৰা অব্যাহতি লাভ কৰিব।

দৰাচলতে দিল্লী আৰু উত্তৰ প্ৰদেশৰ দৰে দেশৰ প্ৰতিখন ৰাজ্যই চৰকাৰী প্ৰশাসন ব্যৱস্থাক দুৰ্নীতিমুক্ত আৰু অধিক সক্ৰিয় কৰিবলৈ হ’লে এনে ধৰণৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰাটো অতি জৰুৰী হৈছে। দুৰ্নীতিগ্ৰস্ত, অকৰ্মণ্য, অদক্ষ তথা অপৰাধী চৰকাৰী কৰ্মচাৰীক নিৰ্দিষ্ট কাৰ্যকালৰ পূৰ্বে চাকৰিৰ পৰা অব্যাহতি দিয়াৰ কঠোৰ ব্যৱস্থা থাকিলে প্ৰতিখন ৰাজ্যৰ প্ৰশাসন যন্ত্ৰটো অধিক গতিশীল হ’ব। উৎকোচ লৈ হাতে-লোটে ধৰা পৰা চৰকাৰী বিষয়া-কৰ্মীক স্ক্ৰীনিং কমিটীৰ জৰিয়তে ততালিকে বাধ্যতামূলক অৱসৰ দিলে দুৰ্নীতি নিয়ন্ত্ৰণ কিছু হ’লেও সম্ভৱ হ’ব। দৰাচলতে আইনী সুৰুঙা থকা হেতুকে একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে অবাধে দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ লগতে কৰ্তব্যত ফাঁকি দিয়াৰ সুযোগ গ্ৰহণ কৰি আহিছে।

## ‘অগ্ৰদূত’ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ অনুভৱ

# সাংবাদিকতাৰ তপস্যা আৰু সাধনাৰ সাৰ্থকতা





বিক্ষিপ্ত চিন্তা

**ড° জয়কান্ত শৰ্মা**

**বুধবাৰে** (ছয় জুলাই, ২০২২) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘অগ্ৰদূত’ কাকতৰ সোণালী জয়ন্তী উদ্‌যাপনৰ শুভ উদ্বোধন কৰিলে। অসমৰ সংবাদ জগতৰ ইতিহাসত অনুষ্ঠানটো এটা মাইলৰ খুঁটিৰূপে পৰিগণিত হৈ ৰ’ব। ‘ভিডিঅ’ কনফাৰেন্সিং’ যোগে প্ৰদান কৰা ভাষণত প্ৰধানমন্ত্ৰীয়েও স্বীকাৰ কৰিছে— অসমীয়া ভাষাত প্ৰকাশিত কাকতখন সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে এক বলিষ্ঠ কণ্ঠ। তদুপৰি শ্ৰীমন্ত শংকৰদেৱৰ ‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’ৰ দৰ্শন অনুসৰণ কৰি পাঁচটা দশক ধৰি বিচ্ছিন্নতাবাদৰ বিৰুদ্ধে আৰু অঞ্চলটোৰ সমৃদ্ধি তথা উন্নয়নৰ সপক্ষে যিটো ইতিবাচক বাৰ্তা ‘অগ্ৰদূত’- এ প্ৰেৰণ কৰি আহিছে, তাৰ সাৰ্থকতাও সাব্যস্ত হ’ল ‘সোণালী জয়ন্তী’ উদ্‌যাপনৰ মাজেৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই উপলব্ধিক নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিকতাৰ পথত এক ‘স্বৰ্ণিল যাত্ৰা’ বুলি অভিহিত কৰিছে।

এই প্ৰসংগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ‘অগ্ৰদূত’ কাকতক ‘অসমৰ জাতীয় জীৱনৰ এক সম্পদ, জীৱন্ত প্ৰবাহ’ বুলি দিয়া মন্তব্যটোও কম তাৎপৰ্যপূৰ্ণ নহয়। বিশিষ্ট বুদ্ধিজীৱী তথা সাহিত্যিক কনকসেন ডেকাৰ সম্পাদনাত ১৯৭১ত প্ৰথমে মঙলদৈৰ পৰা পষেকীয়া হিচাপে প্ৰকাশ পাইছিল ‘অগ্ৰদূত’; কিন্তু সাংবাদিকতাক এক সাধনাৰূপে গ্ৰহণ কৰি তেওঁ শিক্ষকৰ চাকৰি এৰি গুচি আহিছিল গুৱাহাটীলৈ আৰু ১৯৭৩ৰ পৰা ‘অগ্ৰদূত’ক তিনিদিনীয়া কাকতৰূপে প্ৰকাশ কৰিবলৈ লৈছিল। হাতত জমা ধন-বিত নথকাকৈয়ে একমাত্ৰ পাঠকৰ সঁহাৰি আৰু সহযোগৰ ওপৰত ভৰসা ৰাখি আৰম্ভ কৰা এই দুঃসাহসিক যাত্ৰাক সেই সময়ত বহুতে বাওঁপন্থী চিন্তাবিদৰ কল্পনাবিলাস বুলি ভাবিছিল; কিন্তু ১৯৯৫ৰ ছয় অক্টোবৰত ‘দৈনিক অগ্ৰদূত’ প্ৰকাশ কৰি সেই ধাৰণা ভুল বুলি প্ৰতিপন্ন কৰাই নহয়, পঢুৱৈ সমাজলৈ স্পষ্ট বাৰ্তাও প্ৰেৰণ কৰিলে, বাওঁপন্থী-সোঁপন্থী মতবাদৰ বিতৰ্ক নিৰৰ্থক; জাতীয় স্বাৰ্থৰ সুৰক্ষা, জনসাধাৰণৰ সুখ-সমৃদ্ধি তথা বৌদ্ধিক উত্তৰণৰ আশা-আকাংক্ষাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটোৱেই সাংবাদিকতা।

এনে আপোচবিহীন স্থিতি গ্ৰহণ কৰি দুখনকৈ কাকত সফলতাৰে প্ৰকাশ কৰি থকাটো সৰু প্ৰত্যাহ্বান নহয়; কিন্তু কনকসেন ডেকাই সেই প্ৰত্যাহ্বান গ্ৰহণ কৰিছে; তেওঁ পত্নী ভানুশ্ৰীসেন ডেকাৰ বহুমূলীয়া সহযোগ আৰু উৎসাহ পাইছে আৰু পৰিয়ালৰ আন আন সদস্যসকলৰ পৰাও নিঃচৰ্ত সমৰ্থন লাভ কৰিছে। এবাৰ তেওঁ মোক কৈছিল, আমাৰ এই ‘অগ্ৰদূত’ ভৱনটোতে কাকতৰ কাৰ্যালয়, ছপা কৰা প্ৰেছ, সম্পাদনা কক্ষ, সভাঘৰ ইত্যাদিৰ লগতে আমাৰ পৰিয়ালৰ বাসভৱনো আছে; মোটামুটিভাৱে এখন কৃষিজীৱী ঘৰৰ লেখীয়া। উপমাটো মোৰ ভাল লাগিছিল; সঁচা অৰ্থত ‘অগ্ৰদূত’ৰ বৌদ্ধিক কৰ্ষণৰ মান অতুলনীয়। ছয় জুলাই (২০২২)ত প্ৰধানমন্ত্ৰীয়ে সোণালী জয়ন্তী উদ্‌যাপনৰ উদ্বোধনী ভাষণত সেই ইংগিত দিছে, কনকসেন ডেকাৰ সাংবাদিকতাৰ তপস্যা-সাধনা সফল হ’ল।

কিন্তু তপস্যা-সাধনাৰ পথ কোনোদিনেই মসৃণ নহয়। ছবছৰীয়া বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত চলা আন্দোলনটো আছিল সাংবাদিকতাৰ অগ্নিপৰীক্ষা। এফালে এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতিৰ সাংবিধানিক দাবী, আনফালে জনসাধাৰণৰ পাৰভঙা আৱেগ-উত্তেজনা; তাৰ মাজতে আছিল স্বাৰ্থান্বেষী নেতাৰ ৰাজনৈতিক কুচকাৱাজ, চৰকাৰৰ ষড়যন্ত্ৰ আৰু সামাজিক অস্থিৰতা সৃষ্টিৰ এশ-এটা কূট-কৌশল। আকৌ অসমৰ জাতীয় জীৱনৰ বাবে বিপদৰ সংকেত দিছিল বিচ্ছিন্নতাবাদী সংগঠন ‘আলফা’ৰ দৌৰাত্ম্যই। এনে জটিল সময়ত নিৰপেক্ষ সাংবাদিকতা বৰ্তাই ৰখাৰ কঠোৰ সংকল্প লৈছিল ‘অগ্ৰদূত’-এ। বস্তুনিষ্ঠ বিশ্লেষণৰ মাজেৰে পঢুৱৈ সমাজলৈ সুস্থিৰতা, হিংসা-বিদ্বেষ পৰিহাৰ তথা সমন্বয় ৰক্ষা আৰু বিচ্ছিন্নতাবাদী সংগঠনৰ বিৰোধিতাৰ বাৰ্তা প্ৰেৰণ কৰিছিল ‘অগ্ৰদূত’ এ।

জৰুৰী শাসনকালৰ আতিশয্যৰ কথা কম-বেছি পৰিমাণে সকলোৱে জানে। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে প্ৰৱৰ্তন কৰা শাসন ব্যৱস্থাটোত সংবাদমাধ্যমৰ কণ্ঠৰোধ কৰাটো অন্যতম কাৰ্যসূচী আছিল। চৰকাৰৰ আগতীয়া অনুমতি নোলোৱাকৈ বাতৰি কাকতে সম্পাদকীয়কে ধৰি কোনো লেখাই প্ৰকাশ কৰিব নোৱাৰিছিল। এই সময়ছোৱাতো ‘অগ্ৰদূত’-এ জনগণৰ প্ৰতি দায়বদ্ধ সাংবাদিকতাৰ পথ ত্যাগ কৰা নাছিল। আকৌ ১৯৮০ত যিকেইখন বাতৰি কাকতৰ ওপৰত চৰকাৰে ‘চেঞ্চৰশ্বিপ’ প্ৰয়োগ কৰিছিল, সেইবোৰৰ ভিতৰতো ‘অগ্ৰদূত’ আছিল অন্যতম। লক্ষ্যণীয় যে কাকতখনে আঞ্চলিকতাবাদী ৰাজনীতিৰ প্ৰতি সন্মান জনায়ো আঞ্চলিক দলৰ চৰকাৰৰ স্বজন-তোষিতা দুৰ্নীতি আৰু অকৰ্মণ্যতা উদঙাই দিছিল; তাতে বিতুষ্ট হৈ দুষ্কৃতিকাৰীয়ে ‘অগ্ৰদূত’ৰ টোপোলা কাঢ়ি লৈ ৰাজপথত জ্বলাই দিয়াৰ ঘটনাও ঘটিছিল; কিন্তু ‘অগ্ৰদূত’-এ হাৰ মনা নাই।

এই প্ৰসংগতে ‘অগ্ৰদূত’ কাকতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে জনমত গঠন কৰি ‘আলফা’ৰ কোপদৃষ্টিত পৰাটো উল্লেখযোগ্য। সম্পাদক কনকসেন ডেকাৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰে সশস্ত্ৰ সুৰক্ষা কৰ্মী মোতায়েন কৰিবলগীয়াত পৰিছিল; কিন্তু তেওঁ ভীতিগ্ৰস্ত হোৱাটো দূৰৰে কথা, যুৱশক্তিক প্ৰেৰণা দিব পৰাকৈ ‘নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক’ ‘আলফাৰ স্বাধীন অসম’ আদি গ্ৰন্থহে ৰচনা কৰিছিল। সিদিনা উদ্বোধনী সভাতো তেওঁ দুটা অতি তাৎপৰ্যপূৰ্ণ মন্তব্য দিছে— (১) মোৰ কোনো শত্ৰু নাই, সকলোকে মই বন্ধু আৰু সহযোগী বুলি ভাবো আৰু (২) মই নতুন পুৰুষক উদ্দেশ্য কৰি লিখো আৰু ভৱিষ্যতলৈও যুৱ শক্তিক প্ৰেৰণা দিবলৈ লিখি যাম।

ডাঃ ধনীৰাম বৰুৱা আৰু তেওঁৰ সহযোগী গৱেষকগৰাকীয়ে সোণাপুৰৰ গৱেষণাগাৰত মানুহৰ শৰীৰত গাহৰিৰ হৃদপিণ্ডৰ সংযোজন ঘটাই বিশ্ব অভিলেখ গঢ়া সত্ত্বেও তেওঁলোক ন্যস্তচক্ৰৰ ষড়যন্ত্ৰত চৰকাৰী নিৰ্যাতনৰ বলি হৈছিল; আনকি দুয়োজনকে কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। তেওঁলোকৰ গৱেষণাগাৰটো দুৰ্বৃত্তই পুৰি ছাই কৰি দিছিল; কিন্তু ‘অগ্ৰদূত’ থিয় দিছিল ডাঃ ধনীৰাম বৰুৱাৰ চমকপ্ৰদ উদ্ভাৱনৰ স্বীকৃতি প্ৰদানৰ সপক্ষে। মই জনাত অসমৰ কোনো কাকতেই ডাঃ বৰুৱাৰ বিজ্ঞানভিত্তিক গৱেষণাৰ অধিকাৰৰ হকে মাত মতা নাছিল।

এনেদৰেই বিগত পঞ্চাশ বছৰতকৈও অধিক কাল ধৰি ‘অগ্ৰদূত’ আৰু ‘দৈনিক অগ্ৰদূত’-এ অসমৰ জাতীয় জীৱনলৈ সুস্থ সাংবাদিকতাৰ ধাৰা বোৱাই ৰাখিছে। এই যাত্ৰাত অন্ততঃ দুটা দশকতকৈও অধিক কাল ধৰি ময়ো এজন সামান্য সহযাত্ৰী ৰূপে কনকসেন ডেকাৰ সান্নিধ্য লাভ কৰি আহিছো, তাকে লৈ মনে মনে গৌৰৱবোধ নকৰা নহয়। ইয়াৰ আৰম্ভণি হৈছিল ১৯৯৫ৰ নৱেম্বৰৰ কোনোবা এটা আবেলিত। কলেজ শিক্ষকৰ সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওচৰলৈ গৈছিলো। তাৰে পৰা ওলাই আহোতে কনকসেন ডেকাও এবেলেগে আহিছিল। বাটতে তেওঁ ক’লে— আপুনি মোৰ কাকততো লিখিবলৈ আৰম্ভ কৰক; মই কথা দিছো, আপুনি যি লিখে, সামান্যও কৰ্তন নকৰাকৈ সেয়া প্ৰকাশ পাব।

সেই সময়ত মই ‘নতুন দৈনিক’, ‘আজিৰ অসম’, ‘দৈনিক অসম’, ‘আজিৰ বাতৰি’ আদি কাকতত মাজে-সময়ে দুই-এটা প্ৰবন্ধ লেখা লেখক। সেয়েহে মোক ইমান গুৰুত্ব প্ৰদান কৰি কনকসেন ডেকাৰ দৰে প্ৰথিতযশা সম্পাদকে লিখিবলৈ অনুৰোধ জনোৱাটো আচৰিত যেন লাগিছিল। অৱশ্যে শিক্ষক সংগঠনৰ স্বাৰ্থত আৰু আন কেতবোৰ সামাজিক কাৰ্যসূচীত তেওঁৰ সান্নিধ্য লাভ কৰাৰ সৌভাগ্য ঘটিছিল। সেই কথা পাছলৈ বেলেগে লিখিম; কিন্তু এনে সান্নিধ্যৰ বলতে কনকসেন ডেকা হৈ পৰিছিল মোৰ শ্ৰদ্ধাৰ দাদা; আজিও আমাৰ মাজত দাদা-ভাইৰ সম্বন্ধ অটুট আছে।

সি যিয়েই নহওক, ১৯৯৫ৰ ডিচেম্বৰৰ পৰা মোৰ লেখা ‘অগ্ৰদূত’ আৰু ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশ পাবলৈ ধৰিলে। ১৯৯৬ৰ পৰা লেখাবোৰ নিয়মীয়া হ’ল, পাছলৈ মোলৈ ‘দৈনিক অগ্ৰদূত’ৰ সাপ্তাহিক শিতান আগবঢ়ালে। এই সময়ছোৱাত বিভিন্ন ৰাজনৈতিক বিষয় তথা অৰ্থনৈতিক সামাজিক বিষয় উত্থাপন কৰিছো; কিন্তু আলফাৰ দৌৰাত্ম্য আৰু সন্ত্ৰাসবাদী সংগঠনটোৰ পশ্চাদমুখী দৰ্শনৰ বিষয়ে যিবোৰ লিখিছো, সেইবোৰ আন কাকতে প্ৰকাশ কৰিবলৈ সাহস নকৰিলেহেঁতেন। সেই বিষয়ে মই নিশ্চিত।

একেদৰে অগপ চৰকাৰৰ শিক্ষকবিৰোধী নীতিৰ কঠোৰ সমালোচনা কৰি লিখা বাবেই তদানীন্তন শিক্ষামন্ত্ৰী যতীন মালীয়ে মোক নিকৃষ্ট ভাষাৰে গালি-গালাজ পাৰি এটা বিজ্ঞাপন ‘নতুন দৈনিক’ত প্ৰকাশ কৰিছিল। তাৰ যোগ্য প্ৰত্যুত্তৰো দিছিলো। তেতিয়া মোক একাংশ সহকৰ্মীয়ে কৈছিল— আপুনি নিজে কলেজ শিক্ষক হৈ শিক্ষামন্ত্ৰীৰ বিৰুদ্ধে বিষোদগাৰ কৰাটো উচিত হ’ল নে? মই উত্তৰ দিছিলো, ৰাইজৰ প্ৰতিনিধিয়ে ৰাইজৰ কথা শুনিবলৈ প্ৰস্তুত থাকিবই লাগিব। পিছে শিক্ষামন্ত্ৰীয়ে মোৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লোৱাটো দূৰৰ কথা, এজন শিক্ষকৰ বিৰুদ্ধে প্ৰচাৰ কৰিবলৈ চৰকাৰী খৰচত বিজ্ঞাপন দিয়া বাবে নিজেহে অপদস্থ হৈছিল। ‘দৈনিক অগ্ৰদূত’ত সহস্ৰাধিক প্ৰবন্ধ লিখিছো। বিজ্ঞানৰ বতৰা, আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি আদি বিষয়ৰ উপৰি আমাৰ ৰাজ্যৰ শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক স্থিতি সন্দৰ্ভতো লিখিছো; কেতিয়াবা চৰকাৰৰ সপক্ষে, কেতিয়াবা বিপক্ষে লিখিছো। সকলোবোৰ যুক্তিনিৰ্ভৰ। দাদাৰ ‘সামান্যও কৰ্তন নকৰাকৈ প্ৰকাশ পাব’ দিয়া প্ৰতিশ্ৰুতি ভংগ হোৱা নাই। পিছে মই নিজেই বুজিব পাৰিলো, সেইটো ‘অগ্ৰদূত’ৰ সাংবাদিকতাৰ নীতি, মত প্ৰকাশৰ স্বাধীনতাৰ প্ৰতি সন্মান প্ৰদৰ্শন। এতিয়াও ‘দৈনিক অগ্ৰদূত’ত বিভিন্নজনৰ বিভিন্ন দৃষ্টিভংগী গুৰুত্বসহকাৰে প্ৰকাশ কৰা হয়।

শতবাৰ্ষিকী উদ্‌যাপন অনুষ্ঠানৰ উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কৈ থৈ গ’ল— ‘স্বাধীনতাৰ ৭৫ বছৰত ‘অগ্ৰদূত’ৰ স্বৰ্ণজয়ন্তী সমাৰোহ মাথোন এক উচ্চতাৰ শিখৰত উপনীত হোৱাই নহয়, ই স্বাধীনতাৰ অমৃত কালৰ সাংবাদিকতাৰ দৃষ্টিৰে ৰাষ্ট্ৰীয় কৰ্তব্যৰ প্ৰতিও প্ৰেৰণা।’

‘অগ্ৰদূত’ৰ পাঠক আৰু লেখকসকলৰো একেই শুভেচ্ছা— ‘অগ্ৰদূত’ৰ সাংবাদিকতাৰ সাধনা অটুট থাকক আৰু জনগণৰ কণ্ঠৰ মুক্ত প্ৰকাশৰ শক্তিশালী মাধ্যম হৈ ৰওক ‘অগ্ৰদূত।’

*ফোন ঃ ৯৪৩৫৫৫৪২০৫*

**‘অগ্ৰদূত’ কাকতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে জনমত গঠন কৰি ‘আলফা’ৰ কোপদৃষ্টিত পৰাটো উল্লেখযোগ্য। সম্পাদক কনকসেন ডেকাৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰে সশস্ত্ৰ সুৰক্ষা কৰ্মী মোতায়েন কৰিবলগীয়াত পৰিছিল; কিন্তু তেওঁ ভীতিগ্ৰস্ত হোৱাটো দূৰৰে কথা, যুৱশক্তিক প্ৰেৰণা দিব পৰাকৈ ‘নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক’ ‘আলফাৰ স্বাধীন অসম’ আদি গ্ৰন্থহে ৰচনা কৰিছিল।**

## খোলা মঞ্চ

# অৰ্ধ শতাব্দী অতিক্ৰম কৰা ‘অগ্ৰদূত’ সম্পৰ্কে মোৰ ধাৰণা



**মিহিৰ কুমাৰ বৰুৱা,** লেখক

**আজি** অৰ্ধশতাব্দী অতিক্ৰম কৰা ‘অগ্ৰদূত’ কাকতখনৰ স’তে লেখক হিচাপে মোৰ সম্পৰ্ক একুৰি যোল্ল বছৰীয়া আৰু পাঠক হিচাপে ‘অগ্ৰদূত’ৰ জন্ম লগ্নৰ পৰা বুলি ক’লেও অত্যুক্তি কৰা নহ’ব। যিহেতু আমি জন্মসূত্ৰে দৰঙৰ সন্তান আৰু দেউতাহঁতে জন্মলগ্নৰে পৰাই দৈনিক কাকত আৰু পষেকীয়া ‘অগ্ৰদূত’ কাকতখন (তেতিয়া বাৰ্তালোচনী বোলা হৈছিল) পানাবাৰ এজেন্সীৰ জৰিয়তে বুক কৰি নিয়মীয়াকৈ সংগ্ৰহ কৰাটো আজিও মোৰ মনত আছে। ’৮৬ত মই অগ্ৰদূতৰ জৰিয়তে সাংবাদিকতা আৰম্ভ কৰাৰ পাছত চাকৰিৰ ব্যস্ততাৰ বাবে পাছলৈ সাংবাদিকতা এৰিবলৈ বাধ্য হওঁ আৰু অন্য বিষয়ৰ লেখা আদি লিখি থাকো। পাছলৈ নিৰ্দিষ্ট কিছুমান বিষয়ক লৈ প্ৰাসংগিক/অপ্ৰাসংগিক শিৰোনামাৰে দৈনিক অগ্ৰদূতত স্তম্ভ এটি লিখিবলৈ লওঁ।

এক ঐতিহাসিক ক্ষণত জন্ম হৈছিল আজি অৰ্ধ-শতাব্দী অতিক্ৰম কৰা ‘অগ্ৰদূত’ কাকতখন। ছিপাঝাৰত চাকৰি কৰি আৰু মঙলদৈ চহৰৰ ভাৰা ঘৰত থাকি অত্যন্ত সাহস আৰু উদ্যমেৰে ১৯৭১ৰ এক ফেব্ৰুৱাৰীত পষেকীয়া হিচাপে তেওঁ এই কাকতখন প্ৰকাশ কৰি উলিয়ায়। সৌভাগ্যক্ৰমে সেই দিনটো আছিল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ দিন। পবিত্ৰ পঞ্চমী তিথি, সোমবাৰ। আমি সংগ্ৰহ কৰা তথ্যমতে সেইদিনা ‘অগ্ৰদূত’ বাৰ্তালোচনীখন আনুষ্ঠানিকভাৱে উন্মোচন কৰিছিল তদানীন্তন মঙলদৈ মহকুমাধিপতি জীতেন দুৱৰাই। উন্মোচনী অনুষ্ঠান পৰিচালনা কৰিছিল তেতিয়াৰ মঙলদৈ পৌৰ সভাৰ সভাপতি প্ৰসন্ন ৰায় ডেকাই। গোটেই অনুষ্ঠানটিত আৰম্ভণীৰ পৰা শেষলৈ উপস্থিত থাকি কনকসেন ডেকাক সহায় কৰা ব্যক্তিগৰাকী আছিল সেই সময়ৰ ‘নতুন অসমীয়া’ সাপ্তাহিক নীলাচল’ ‘The Frontier Times' কাকতৰ মঙলদৈৰ সংবাদদাতা তুৰাৰাম ডেকা। লগতে লেখক-সাহিত্যিক লক্ষ্মীনাৰায়ণ কোঁৱৰো আছিল অন্যতম। সেই সময়ৰ মঙলদৈৰ নাম থকা প্ৰেছ দুৰ্গেশ্বৰ প্ৰিণ্টিং প্ৰেছত ছপা কৰিছিল প্ৰথম সংখ্যা ‘অগ্ৰদূত’। আন এক সংগৃহীত খবৰ মতে মঙলদৈ চহৰৰ লক্ষ্মীনাথ বেজবৰুৱা পথত কনকসেন ডেকাৰ পিতৃৰ নামেৰে ‘গৌৰী বুক ভেলী’ নামৰ এখন কিতাপৰ দোকান খুলিছিল ডেকাৰ ভ্ৰাতৃয়ে। কাৰ্যতঃ পাছলৈ সেই স্থান হৈছিল ‘অগ্ৰদূত’ৰ অস্থায়ী কাৰ্যালয় সদৃশ। তাত প্ৰায়ে বৌদ্ধিক আড্ডা বহিছিল আৰু এই আড্ডাত অংশগ্ৰহণকাৰীসকলৰ একাংশ আছিল শিক্ষক-সাংবাদিক তুৰাৰাম ডেকা, সাহিত্যিক লক্ষ্মীনাৰায়ণ কোঁৱৰ, নিয়োগ বিনিময় কেন্দ্ৰৰ তদানীন্তন বিষয়া-শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰী, মঙলদৈ মহাবিদ্যালয়ৰ প্ৰৱক্তা ভূপেন কাকতি, কবি অনন্ত দেৱশৰ্মা আৰু কিৰণ শৰ্মা আদি গুণী-জ্ঞানী লোকসকল। সেই সময়ৰ আন এক ঐতিহাসিক ঘটনা ৩/৫/১৯৭১ত পুনৰ গৌৰী বুক ভেলীত মিলিত হ’ল মঙলদৈৰ সাংবাদিকতাৰ বাটকটীয়া স্বৰূপ সত্যেশ দাসগুপ্ত, জিতেন চক্ৰৱৰ্তী, বিজয়া চক্ৰৱৰ্তী (প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী) ভদ্ৰকান্ত শৰ্মা, প্ৰভাত নাৰায়ণ চৌধুৰী, কিৰণ শৰ্মা, লক্ষ্মী নাৰায়ণ কোঁৱৰ, কনকসেন ডেকা আৰু তুৰাৰাম ডেকা আদি ব্যক্তিসকল। সেইদিনাই উক্ত স্থানতে সত্যেশ দাসগুপ্তৰ সভাপতিত্বত বহা সভাই গঠন কৰিছিল ‘মঙলদৈ সাংবাদিক সন্থা।’

জন্মলগ্নৰ পৰাই ‘অগ্ৰদূত’ কাকতখনে বহু গুৰুত্বপূৰ্ণ বা-বাতৰি প্ৰচাৰ কৰি খুব কমদিনৰ ভিতৰতেই পাঠকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। সেয়ে হয়তো পষেকীয়াৰ পৰা সাপ্তাহিক আৰু সাপ্তাহিকৰ পৰা তিনিদিনীয়া কৰি আজিকোপতি নিৰৱচ্ছিন্নভাৱে কাকতখন প্ৰকাশ হৈ আহিছে। ক’বলৈ গ’লে এক আপোচহীন সাংবাদিকতাৰ স্তম্ভ হিচাপে কনকসেন ডেকাই ‘অগ্ৰদূত’ কাকতৰ জৰিয়তে সমাজলৈ ভালেমান ইতিবাচক বাৰ্তা প্ৰেৰণ কৰাৰ লগতে যুক্তিৰ আধাৰত সমাজ গঢ়িবলৈ বিপথগামী যুৱক/যুৱতী চামলৈ নিৰলস আহ্বান জনাই আহিছে এই অৰ্ধশতিকাজোৰা সময়ছোৱাত।

কনকসেন ডেকাৰ ‘অগ্ৰদূত’ৰ পাতত জিলিকাইছে ভাৰত-পাক যুদ্ধৰ বিভীষিকা, বাংলাদেশ মুক্তি সংগ্ৰামৰ খবৰ, ভাৰত-ৰুছ মৈত্ৰী সংগ্ৰামৰ বতৰা (আগষ্ট-১৯৯১), বাংলাদেশৰ অস্থায়ী চৰকাৰ গঠন, ১৯৭১ৰ ছয় ডিচেম্বৰত ভাৰতবৰ্ষৰ পাৰ্লিয়ামেণ্টৰ বাংলাদেশ চৰকাৰলৈ স্বীকৃতি, ভাৰত-বাংলা মৈত্ৰী চুক্তি (১৯/৩/৭২), ১৯৭৫ৰ জৰুৰী কালীন অৱস্থা, ৭২’ৰ মাধ্যম আন্দোলন, জৰুৰী অৱস্থাত হত্যা কৰা ৰীণা ডেকাৰ হত্যাকাণ্ডৰ ধাৰাবাহিক প্ৰকাশ ’৭৯ৰ পৰা আৰম্ভ হোৱা ছবছৰীয়া অসম আন্দোলন আৰু তাৰ কিছুদিন পাছত আৰম্ভ হোৱা বড়োলেণ্ড আন্দোলনৰ প্ৰতিটো খা-খবৰ কেৱল ‘অগ্ৰদূত’ কাকতেহে জনসাধাৰণৰ মাজলৈ লৈ যোৱা আমাৰ চকুত পৰিছিল। লগতে এক ঐতিহাসিক ক্ষণত অসম গণ পৰিষদ নামৰ এটি আঞ্চলিক দল গঠন আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত আঞ্চলিক দলৰ চৰকাৰ গঠন, কাৰ্যকলাপ পৰ্যালোচনা আৰু সমালোচনাও কৰিবলগীয়া হৈছিল এই ‘অগ্ৰদূত’ কাকতখনেই। যোৱা ৬/৭/২০২২ সোণালী জয়ন্তীবৰ্ষৰ শুভ উদ্বোধনী ভাষণৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েই ‘অগ্ৰদূত’ কাকতখনক ৰাষ্ট্ৰীয় পৰ্যায়তো প্ৰাসংগিক কৰি তুলিলে।

*ফোন ঃ ৬০০২৪০০৪৮৫*

# এক দলীয় শাসনৰ কুচকাৱাজ

অভিমত

**যোৱা** ছয় জুন সোমবাৰে ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশিত ‘এক দলীয় শাসনৰ কুচকাৱাজ’ শীৰ্ষক নিবন্ধটোৰ নিবন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই ভাৰতীয় ৰাজনীতিৰ বৰ্তমানৰ গতিবিধি নিৰীক্ষণ কৰি কিছুমান বাস্তৱ দিশ নিবন্ধটোত উপস্থাপন কৰিছে। এই নিবন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাৱ প্ৰকাশ কৰিলো। ভাৰতবৰ্ষত বিজেপিয়ে এক দলীয় শাসনৰ বাবে কঁকালত টঙালি বান্ধি নানা কূট-কৌশল ৰচনা কৰি বিজেপিৰ জয়যাত্ৰা অব্যাহত ৰাখিব বিচাৰিছে। প্ৰথমে বিজেপিয়ে অবিজেপি শাসিত ৰাজ্যসমূহৰ আঞ্চলিক দলসমূহৰ লগত মিতিৰালি কৰি সেই ৰাজ্যসমূহৰ সমস্যা, অভাৱ-অভিযোগৰ বুজ লয়। তাৰ পাছত সেই সমস্যাসমূহ সমাধান কৰাৰ প্ৰতিশ্ৰুতি দি বাতৰি কাকত, বৈদ্যুতিন মাধ্যম আৰু সামাজিক মাধ্যমত প্ৰচাৰ আৰু প্ৰসাৰ আৰম্ভ কৰে। লাহে লাহে জনসাধাৰণৰ মন জয় কৰিবলৈ আঞ্চলিক দলৰ সহযোগত আপ্ৰাণ চেষ্টা কৰে। জনসাধাৰণৰ মন জয় কৰাৰ পাছত আঞ্চলিক দলৰ নেতাসকলক টোপ দি বিজেপিমুখী কৰি তোলে। আগ-পিছ নাভাবি ক্ষমতাৰ লোভত বন্দী হৈ আঞ্চলিক দলৰ নীতি আদৰ্শ বিসৰ্জন দি বিজেপিৰ নেগুৰত ধৰি বৈতৰণী পাৰ হ’বলৈ চেষ্টা কৰে। ফলত ইকুলো নাপায়, সিকুলো নাপায়, মাজ সাগৰত বজি থকা জাহাজৰ দৰে হয়। ইয়াৰ বাবে বিজেপি কৰ্ম-কৰ্তাসকলে যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়। বিজেপিৰ দলীয় সংগঠন মজবুত আৰু ঐক্যবদ্ধ। পৰিকল্পনা নকৰাকৈ কোনো কাম নকৰে। সেয়েহে বিজেপিয়ে এখনৰ পাছত আনখন ৰাজ্য নিজৰ দখললৈ নিবলৈ সমৰ্থ হৈছে।

মহাৰাষ্ট্ৰত শিৱসেনা, কংগ্ৰেছ, এন চি পি মিত্ৰজোঁটে আঢ়ৈবছৰ শিৱসেনাৰ নেতা উদ্ধৱ থাকৰেৰ মুখ্যমন্ত্ৰিত্বত চৰকাৰ চলাই আহিছিল। কিন্তু বিজেপিয়ে এই কথা সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। বিজেপি সংখ্যাগৰিষ্ঠ দল হৈও চৰকাৰ গঠনত সক্ষম হোৱা নাছিল। মুখ্যমন্ত্ৰীৰ আসনখনক লৈ দুয়ো দলৰ মাজত মতৰ অমিল হয় আৰু বিজেপি চৰকাৰ গঠনৰ পৰা আঁতৰি বিৰোধীৰ আসনত বহে। সাপে কেতিয়াও কঁকালৰ কোব নাপাহৰাৰ দৰেও বিজেপিও পাহৰিব পৰা নাছিল। বিজেপি সুযোগ বিচাৰি আছিল। হঠাৎ বিজেপিলৈ সুযোগ নামি আহিল। বিজেপিয়ে এই সুযোগ গ্ৰহণ কৰি শিৱসেনাক দ্বিবিভক্ত বাৰি, বিৰোধী শিৱসেনাৰ লগ হৈ চৰকাৰ গঠন কৰে। শেহতীয়া মুখ্যমন্ত্ৰীৰ ঘোষণাই বিজেপিৰ ভাৱমূৰ্তি উজ্বল কৰি তুলিলে। বিজেপিয়ে ত্যাগ কৰি শিৱসেনাৰ বিৰোধী দলৰ নেতা, একনাথ শিণ্ডেক মুখ্যমন্ত্ৰীৰ পাছত অধিষ্ঠিত কৰিলে। ইয়াৰ অন্তৰালতো বিজেপিৰ ৰাজনৈতিক ৰণ-কৌশলৰ সমীকৰণ যুক্ত হৈ আছে।

পশ্চিমবংগত বিজেপিয়ে যিধৰণে ৰণকৌশল তৈয়াৰ কৰি অভিযান আৰম্ভ কৰিছিল, সেই অভিযান সম্পূৰ্ণভাৱে সফল নহ’ল যদিও আংশিকভাৱে সফল হৈ খোপনি পুতিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে সগৌৰৱে ঘোষণা কৰিছে যে পশ্চিমবংগত বিজেপি ধূলিস্যাৎ হৈ গ’ল। বিজেপি মৌন হৈ ৰ’ল। কিন্তু ভু ৰখা মহলৰ স’তে বিজেপিয়ে পশ্চিমবংগত বিজেপিৰ সাংগঠনিক ভেটি মজবুত কৰিবলৈ উঠি-পৰি লাগিছে। বিজেপি এনে এটা দল যি দল হাৰিলে মনোবল ভাঙি নাযায়। সেয়ে বিজেপি হাৰি হাৰি জিকে। ইয়াৰ প্ৰমাণ আগতে বহুতবাৰ দাঙি ধৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে বিজেপিক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিব লাগিব। নহ’লে মহাৰাষ্ট্ৰৰ দৰে হ’বলৈ বেছিদিন অপেক্ষা কৰিব নালাগিব।

ইতিমধ্যে বিজেপিয়ে ২০২৪ত অনুষ্ঠিত হ’ব লগা লোকসভা নিৰ্বাচনৰ বাবে নানা ধৰণৰ কূট-কৌশল ৰচনা কৰি দলীয় কৰ্মীসকলক সাজু কৰি ৰাখিছে। নানা ধৰণৰ আঁচনি ঘোষণা কৰি জনসাধাৰণৰ মন বিজেপিমুখী কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। হিতাধিকাৰী সৃষ্টি কৰি বিজেপিৰ সাংগঠনিক ভেটি মজবুত কৰিবলৈ প্ৰয়াস কৰিছে। একেৰাহে তিনিবাৰ দিল্লীৰ মছনদ্ দখল কৰিবলৈ চেষ্টা কৰিব। তৃতীয়বাৰৰ বাবে শাসনৰ বাঘজৰী হাতত ল’বলৈ হ’লে কেইটামান বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। বিজেপি দলীয় নেতাসকলে গণতন্ত্ৰৰ পৰিপন্থী কোনো কাৰ্য বা বাক্যবাণ প্ৰয়োগ কৰাৰ পৰা বিৰত থাকিব লাগিব। বিজেপিৰ কৰ্ম-কৰ্তাসকলে আনন্দৰ বন্যাত উটি-ভাঁহি নক’বলগীয়া কথা আৰু নকৰিবলগীয়া কাৰ্য কৰি জনসাধাৰণৰ মাজত অশান্তিৰ বীজ সিঁচি বিজেপিৰ গুণ-গৰিমা লাঘৱ হ’ব পৰা কাৰ্যৰ পৰা বিৰত থাকিব লাগিব। ক্ষমতাকেন্দ্ৰিক শীতলযুদ্ধ যাতে বিজেপিৰ নেতাসকলৰ মাজত সৃষ্টি নহয় তাৰ বাবে সজাগ আৰু সচেতন হ’ব লাগিব। জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৰে প্ৰতি সমভাৱ পোষণ কৰিব লাগিব। অহংকাৰৰ বশৱৰ্তী হৈ গুৰু-গোসাঁই নমনা হোৱাৰ পৰা বিৰত থাকিব লাগিব। জনসাধাৰণৰ জ্বলন্ত সমস্যাসমূহৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগিব। কিন্তু বাস্তৱক্ষেত্ৰত বিজেপি চৰকাৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত সফল হ’ব পৰা নাই। তদুপৰি নিয়োগ সৃষ্টি কৰি নিবনুৱাক সংস্থাপন কৰাত ব্যৰ্থতা প্ৰদৰ্শন কৰিছে। বিজেপিয়ে ইতিমধ্যে বিৰোধীবিহীন গণতন্ত্ৰৰ কল্পনা কৰিছে। উচ্চাকাংক্ষা ভাল, কিন্তু উচ্চাকাংক্ষা পূৰণ কৰিবলৈ যাওঁতে সাৱধানতা অৱলম্বন নকৰি অসংযত আচৰণ, অকথ্য কথা, হিংসা, দ্বেষ, ভেদাভেদ, উটচানিমূলক মন্তব্য কৰা উচিত নহয় বুলি জ্ঞানীজনে কয়।


**জ্যোতিষ চন্দ্ৰ দত্ত**

*ফোন ঃ ৯৮৫৪০৪১৮১৫*

# শিমলুগুৰি-ডিব্ৰুগড় যাত্ৰীবাহী ৰেলখন পুনৰ প্ৰচলন কৰক

**সাম্প্ৰতিক** পেট্ৰ’ল-ডিজেলৰ অত্যধিক দামৰ পৰিপ্ৰেক্ষিতত নিম্ন মধ্যবিত্ত ব্যক্তি এজনে ২০ কিলোমিটাৰ দূৰত্বৰ জিলা বা মহকুমাটোৰ সদৰ ঠাইখনলৈ যাবলৈও গাড়ীৰ বা বাছৰ ভাৰাৰ কথাটো এসপ্তাহৰ আগৰ পৰা যোগাৰ বা চিন্তা কৰিব লগা হয়। এনে ক্ষেত্ৰত এশ বা ডেৰশ কিলোমিটাৰ দূৰত্বত থকা ঠাই এখনত বিশেষ দৰকাৰ থাকিলেও যাম বুলি ভাবিবলৈও সাহস নোহোৱা অৱস্থাৰ সৃষ্টি হৈছে। সৰ্বসাধাৰণ মানুহৰ যাতায়াত আৰু পৰিবহণৰ ক্ষেত্ৰত সৃষ্টি হোৱা এই হাহাকাৰ অৱস্থাটোৰ সকাহ দিবলৈ চিন্তা কৰি চালে ৰেল সেৱাৰ বাদে আন উপায় দেখা নাই।

ভাৰতবৰ্ষত ৰেল সেৱা ব্ৰিটিছৰ শাসনৰ দিনতে প্ৰবৰ্তন হয়। ব্ৰিটিছে তেওঁলোকৰ ব্যৱসায়-বাণিজ্যৰ সুবিধা বুজি ৰেল পথ খুলিছিল। ভাৰতীয় জনতাৰ সেৱাৰ বাবে নহয় যদিও জনসাধাৰণো উপকৃত হৈছিল। সেই একে পথকেই অনুকৰণ কৰি ভাৰত চৰকাৰৰ ৰেল বিভাগেও তেওঁলোকৰ লাভজনক পথ কেইটাত ৰেলগাড়ী প্ৰচলন কৰি বাকী লাভজনক নোহোৱা ৰেল ষ্টেছনবোৰ বন্ধ কৰি লগতে ব্ৰিটিছে খুলি থৈ যোৱা ৰেলপথ কে’বাটাও বন্ধ কৰি থোৱা দেখা গৈছে। এখন জনকল্যাণকাৰী চৰকাৰৰ ৰেল বিভাগে এইটো এটা জনবিৰোধী কাম কৰিছে।



উঃ পূৰ সীমান্ত ৰেল বিভাগৰ তিনিচুকীয়া সংমণ্ডলে কুজিবালি ৰেল ষ্টেছন আৰু বৰাহীবাৰী ৰেল ষ্টেছন দুটা বন্ধ কৰি থৈ ঘোৰ জনবিৰোধী কাম কৰিছে। এই দুটা ষ্টেছন পুনৰ প্ৰচলন কৰি তোলাটো সাম্প্ৰতিক সময়ত অতি প্ৰয়োজন, ই সময়ৰ দাবী।

এই সংমণ্ডলৰে শিমলুগুৰি ৰেলৱে জংছনৰ পৰা নাগিনী মৰালৈকে থকা শাখা পথটোও বন্ধ কৰি থৈছে। আমাৰ প্ৰয়োজন হৈছে এই পথটো পুনৰ খুলি দিয়াটো। কেৱল সেয়ে নহয় এই পথটো নাগিনী মৰাৰ পৰা বঢ়াই নি আঠখেল, গেলেকী, দেওপানী, বৰচলা হৈ আমগুৰি ৰেল ষ্টেছনত সংযোগ কৰি দিব লাগে। যিহেতু আমগুৰিৰ পৰা একেবাৰে চণ্টকলৈকে থকা এই বিস্তৃত দীঘলীয়া গ্ৰামাঞ্চলৰ বাসিন্দাসকল যাতায়াত আৰু পৰিবহণৰ ক্ষেত্ৰত কেনেকুৱা অবৰ্ণনীয় দুৰ্ভোগ, যাতনা ভুগি থাকিব লগা হৈছে তাক নিজে ভুক্তভোগী নহ’লে বুজিব নোৱাৰি। এই জ্বলন্ত সমস্যাটো সমাধানৰ বাবে আমাৰ ফালৰ পৰা এখন পৰিকল্পনা আগবঢ়োৱা হৈছে। ক’ভিড পৰিস্থিতিৰ বাবে বন্ধ কৰি ৰখা শিমলুগুৰি-ডিব্ৰুগড় পেছেঞ্জাৰ ট্ৰেইনখন পুনৰ প্ৰচলন কৰিব লাগে। সদ্যহতে, শিমলুগুৰিৰ পৰা কেৱল ডিব্ৰুগড়লৈকে নহয় একেবাৰে মুৰ্কং-চেলেকলৈকে নি তাৰ পৰা পাছবেলা ঘূৰাই আনি পুনৰ শিমলুগুৰিত ৰাতিটো জিৰণি ল’ব লাগে। সেইদৰে মুৰ্কংচেলেকৰ পৰাও এখন পেছেঞ্জাৰ ট্ৰেইনৰ যাত্ৰা পুৱা পাঁচ বজাতেই আৰম্ভ কৰি শিমলুগুৰিত উপস্থিত হৈ পুনৰ ঘূৰাই নি মুৰ্কংচেলেকত ৰাতিটো জিৰাবলৈ লাগে। এইদৰে দুখন ৰেল প্ৰতিদিনে অহা-যোৱা কৰাই ৰাখিলে জনসাধাৰণৰ যাতায়াত আৰু পৰিবহণৰ ক্ষেত্ৰত অতি উপকাৰ সাধন হ’ব।

শিমলুগুৰি চণ্টক-বিহুবৰ নাগিনীমৰা, আঠখেল, গেলেকী দেওপানী, বৰচলা আৰু আমগুৰি এই আঠোটা প্ৰস্তাৱিত (কাল্পনিক) ষ্টেছনযুক্ত ৰেলপথছোৱা নিৰ্মাণ হৈ উঠাৰ পাছত উক্ত পেছেঞ্জাৰ ৰেল দুখনৰ শেষ আৰু আৰম্ভ বিন্দু— শিমলুগুৰি নধৰি-আমগুৰি ধৰিলেহে উল্লেখিত আঠোটা ষ্টেছনযুক্ত নতুন পথছোৱাৰ সংশ্লিষ্ট বৃহৎ অঞ্চলটোৰ জনসাধাৰণ উপকৃত হ’ব। ৰেল বিভাগক এই মহান কামটো কৰোৱাব পৰা উদ্যোক্তা কোন হ’ব? জনসাধাৰণক সেৱা কৰিম বুলি ওলাই অহা সংশ্লিষ্ট বিধায়ক আৰু সাংসদসকলেই নিশ্চয় উদ্যোক্তাৰ ভূমিকা পালন কৰিব লাগিব।

সকলোৰে মংগলৰ বাবে সকলোৱে হাত উজান দিওঁ আহক।

**ডিম্বেশ্বৰ দত্ত**

ফোন ঃ ৯৯৫৭৬৬৩২০৫

# ছুপাৰছ'নিক উৰণৰ প্ৰস্তাৱিত প্ৰত্যাৱৰ্তন



পংকজ কুমাৰ নেওগ



**কনকৰ্ড** আছিলফৰাচী কোম্পানী এৰোস্পেচিয়েল আৰু ব্ৰিটিছ কোম্পানী ব্ৰিটিছ এয়াৰক্ৰাফ্ট কৰ্প'ৰেছনে নিৰ্মাণ কৰা শব্দৰ গতিবেগতকৈ দ্ৰুততৰ গতিৰে উৰি যাব পৰা এখন যাত্ৰীবাহী বিমান। ১৯৭৬ ৰ পৰা ২০০০ লৈকে কনকৰ্ডে যাত্ৰীসকললৈ সেৱা আগবঢ়ায়; এনেধৰণৰ নিৰ্মাণ কৰা বিমানৰ সংখ্যা আছিল বিশখন। আটলাণ্টিক মহাসাগৰ পাৰ হ'বলৈ বাকীবোৰ বিমানে লগোৱা আঠ ঘণ্টা সময়ৰ বিপৰীতে কনকৰ্ডে ৩.৫ ঘণ্টাৰো কম সময়ত সেই দূৰত্ব অতিক্ৰম কৰিছিল। কনকৰ্ড নিৰ্মাণৰ সময়ছোৱাত অনেক বিমান সংস্থাই বিমানখন ক্ৰয় কৰিব খুজিছিল। সেই সময়ত ছুপাৰছ'নিক বা শব্দৰ গতিবেগতকৈ বেছি বেগেৰে উৰি যোৱা যাত্ৰীবাহী বিমানবোৰক এক বৃহৎ প্ৰযুক্তিগত পদক্ষেপ বুলি গণ্য কৰা হৈছিল। শব্দৰ গতিবেগতকৈ বেছি বেগেৰে উৰি যোৱাৰ ফলত কনকৰ্ডে সৃষ্টি কৰাছ'নিক বুম'বোৰ কিছু লোকে ভাল পোৱা নাছিল। ছ'নিক বুম হ'ল ছুপাৰছ'নিক বিমানৰ অগ্ৰভাগত সৃষ্টি হোৱা 'শ্বক'তৰং আৰু ই পৃথিৱী পৃষ্ঠতগৈ খুন্দা মৰাৰ সময়ত উৎপন্ন হোৱা বিস্ফোৰণৰ দৰে শব্দ। কনকৰ্ডে উৰণ আৰু অৱতৰণৰ সময়ত কৰা শব্দৰ বাবেও বহুতৰ অভিযোগ আছিল। গতানুগতিক যাত্ৰীবাহী জে'ট বিমানতকৈ এই শব্দ আছিল দুগুণ ডাঙৰ। এই শব্দ প্ৰদূষণৰ বাবেই কনকৰ্ডক কিছুমান বিশেষ দেশৰ ওপৰেৰে উৰা মাৰিবলৈ দিয়া হোৱা নাছিল। বায়ুমণ্ডলত একেলগে কে'বাখনো কনকৰ্ড থাকিলে অ'জন স্তৰৰ ক্ষতি হ'ব পাৰে বুলিও বহুতে উদ্বেগ প্ৰকাশ কৰিছিল। ৭০ দশকত ইন্ধনৰ দাম বহুগুণে বৃদ্ধি পাইছিল; তদুপৰি কনকৰ্ড বিমানখনে গতানুগতিক যাত্ৰীবাহী বিমানতকৈ বহু বেছি ইন্ধন খৰচ কৰিছিল। পিছলৈ বহু বিমান সংস্থাই কনকৰ্ডক খৰচৰ বাবে অতি ব্যয়বহুল বুলি গণ্য কৰিবলৈ ধৰে আৰু বিমানখনৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ স্তিমিত হৈ পৰিল। বহুতে অৰ্ডাৰসমূহ বাতিল কৰিবলৈ ধৰিলে। আন এখন ছুপাৰছ'নিক বিমান 'ব'য়িং ২৭০৭' একে ধৰণৰ কাৰণত বাতিল কৰা হৈছিল। প্ৰথম নিৰ্ধাৰিত বিমান যাত্ৰা আছিল ১৯৭৬ৰ ২১ জানুৱাৰী তাৰিখে। কনকৰ্ডে ইউৰোপ, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা আৰু এছিয়াৰ কে'বাখনো চহৰৰ মাজত উৰা মাৰিছিল। বিমানখন চলোৱাৰ বাবে অধিক খৰচ হোৱাৰ বাবে কনকৰ্ডে প্ৰথম অৱস্থাত লাভ কৰিব পৰা নাছিল। ৮০ৰ দশকৰ পৰা টিকটৰ দাম বহুত বৃদ্ধি পায় আৰু কনকৰ্ড মূলতঃটিকটৰ উচ্চ মূল্য বহন কৰিব পৰা অৰ্থবান লোকৰ বাবেহে যাতায়তৰ বাহনহৈ পৰিল। চলোৱা খৰচৰ আকাশলংক্ষী মূল্য, ২০০০ত এয়াৰ ফ্ৰান্সৰ ৪৫৯০ বিমান দুৰ্ঘটনা আৰু ২০০১ৰ ১১ ছেপ্টেম্বৰত সন্ত্ৰাসবাদীৰ আমেৰিকা আক্ৰমণৰ ফলস্বৰূপে ২০০৩ ত কনকৰ্ড ছুপাৰছ'নিক সেৱাই অৱসৰ গ্ৰহণ কৰে। কনকৰ্ডক অভিযান্ত্ৰিক আশ্চৰ্য আৰু ব্ৰিটেইন আৰু ফ্ৰান্সৰ গৌৰৱৰ প্ৰতীক হিচাপে গণ্য কৰা হয়।

ব্ৰিটিছ-ফ্ৰান্সৰ বিমান কনকৰ্ডৰ শেষৰখন ছুপাৰছ'নিক যাত্ৰীবাহী বিমান উৰা মৰাৰ প্ৰায় দুটা দশকৰ পাছত ২০২৯ৰ ভিতৰত বিমানসমূহ পুনৰ ৰাণৱে'লৈ ঘূৰাই অনাৰ কথা চিন্তা কৰা হৈছে। ইউনাইটেড এয়াৰলাইঞ্চে ইতিমধ্যে ডেনভাৰ ভিত্তিক ষ্টাৰ্টআপ 'বুম'ৰ পৰা ১.৭ মেক (শব্দৰ বেগতকৈ ১.৭ গুণ) গতিতকৈ অধিক বেগত চলিব চলিব পৰা ১৫ খন বিমানৰ অৰ্ডাৰ দিছে। যদিহে এই চুক্তি সম্পন্ন হয় নতুন ছুপাৰছ'নিক 'অভাৰচাৰ' (Overture) বিমানখন বিশ্বৰ আটাইতকৈ দ্ৰুত বাণিজ্যিক বিমান হিচাপে পৰিগণিত হ'ব আৰু ইয়াৰ ফলত আজিৰ বিমানবোৰতকৈ যাত্ৰাৰ সময় প্ৰায় আধা হ্ৰাস পাব। ছিংগাপুৰৰ পৰা ডুবাইলৈ সাধাৰণতে লগা যাত্ৰাৰ সময় প্ৰায় সাত ঘণ্টাৰ ঠাইত চাৰি ঘণ্টালৈ হ্ৰাস পাব। 'বুম' বিমানসমূহে সুৰক্ষা আৰু বহনক্ষমতাৰ কিছুমান প্ৰয়োজনীয়তা পূৰণ কৰিলেহে ইউনাইটেড এয়াৰলাইন্সে বিমান ক্ৰয় কৰাৰ প্ৰতিশ্ৰুতি দিছে। বিগত সময়ছোৱাত ছুপাৰছ'নিক বাহনসমূহে জে'ট ইন্ধন অধিক ব্যৱহাৰৰ দ্বাৰা পৰিৱেশ দূষিত কৰিছিল। কিন্তু 'বুমে' 'নে'ট-জিৰ' কাৰ্বন নিৰ্গমন'ৰ স'তে এখন পৰিৱেশ-বন্ধুত্বপূৰ্ণ বিমান উৎপাদন কৰাৰ দাবী কৰিছে। এশ শতাংশ বহনক্ষম বিমান পৰিবহণ ইন্ধনেৰে এইখন বিমান উৰিবলৈ সাজু হৈছে। ক'ভিড অতিমাৰী আৰু ক'ভিডোত্তৰ কালত বিশ্বৰ বিমান পৰিবহণ উদ্যোগে লোকচান বহন কৰি থকাৰ সময়তে এই নতুন প্ৰযুক্তিৰ ঘোষণা তাৎপৰ্যপূৰ্ণ। বিমান পৰিবহণ উদ্যোগে ২০২০ৰ পৰা বিশ্বৰ এক তৃতীয়াংশ বিমান পথত ব্যৱসায় হেৰুৱাইছে।

ছুপাৰছ'নিক বিমান কি সেই বিষয়ে আৰম্ভণিতে উল্লেখ কৰা হৈছে। এইবিধ বিমানৰ প্ৰযুক্তি প্ৰকৃততে ৭০ বছৰৰো অধিক পুৰণি যদিও কিছু পলমকৈ বাণিজ্যিক উৰণৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ১৯৭৬ৰ আগতে যেতিয়া প্ৰথম বাণিজ্যিক ছুপাৰছ'নিক বিমান উৰা মাৰে তেতিয়া বিমানসমূহ সম্পূৰ্ণৰূপে সামৰিক কামত ব্যৱহাৰ কৰা হৈছিল। সাধাৰণতে ছুপাৰছ'নিক বিমানে প্ৰায় ৯০০ কিলোমিটাৰ প্ৰতি ঘণ্টা গতিৰে যাত্ৰা কৰিব পাৰে আৰু ই সাধাৰণ বিমানে কৰিব পৰা গতিতকৈ দুগুণ। 'অভাৰচাৰ' বিমানখনে ৪২৫০ নটিকেল মাইলৰ ৰেঞ্জৰ স'তে ১.৭ মেক বা ঘণ্টাত ১৮০৫ কিলোমিটাৰ গতিৰে যাত্ৰা কৰিব পাৰিব। উৰণত ই ৬৫১ পৰা ৮৮ জন যাত্ৰী কঢ়িয়াব আৰু ৬০ হেজাৰ ফুট উচ্চতালৈ উঠিব পাৰিব। কোম্পানীটোৱে ২০২২ৰ ভিতৰতে এখন 'পৰীক্ষামূলক' জে'ট সাজু কৰি তোলাৰ কথা প্ৰকাশ কৰিছে; ২০২৫ৰ ভিতৰত বিমানৰ বাণিজ্যিক উৎপাদন আৰম্ভ কৰি অৱশেষত ২০২৯ৰ ভিতৰত ইয়াক যাত্ৰীৰ বাবে উদ্বোধন কৰিব পাৰিব বুলি কোম্পানীটোৱে আশা প্ৰকাশ কৰে। ই কনকৰ্ডৰ পদক্ষেপতে আৰু উত্তৰাধিকাৰীৰূপে দ্ৰুত, অধিক কাৰ্যক্ষম আৰু বহনক্ষম প্ৰযুক্তিৰ জৰিয়তে নতুন বিমানখন নিৰ্মাণ কৰি উলিয়াব বুলি দাবী কৰে। 'বুম'ৰ বিবৃতিমতে 'অভাৰচাৰ' বিমানখনে পূৰ্বৰ ছুপাৰছ'নিক বিমানবোৰৰ দৰে শব্দ প্ৰদূষণৰ সৃষ্টি নক'ৰে; ইয়াৰ লক্ষ্য হ'ব 'জিৰ' অভাৰলেণ্ডনইজ' বা স্থলভাগৰ ওপৰেদি নিঃশব্দ উৰণ। ইয়াৰ অৰ্থ হ'ল মূলতঃ বিমানখনে কেৱল জলভাগৰ ওপৰেৰে ছুপাৰছ'নিক গতিৰে উৰণ কৰিব যাতে কোনো ধৰণৰ 'ছ'নিক বুম' বা অত্যধিক শব্দই মানুহে বসবাস কৰা ভূখণ্ডত প্ৰভাৱ নেপেলায়। বিমান সংস্থাটোৰ পথ পৰিকল্পনাত উপকূলীয় 'বাফাৰ জ'ন'সমূহ এনেভাৱে সৃষ্টি কৰা হ'বযাতে 'অভাৰচাৰ' বিমানসমূহে উপকূলৰ পৰা 'নিৰাপদ' দূৰত্বত উপনীত হোৱাৰ পাছতহে পহিলা মেকতকৈ অধিক গতিবেগেৰে যাত্ৰা কৰিব পাৰিব। জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে বিশ্বব্যাপী আন্দোলনৰ স'তে সমন্বিত হ'বলৈ বুমে উচ্চ লক্ষ্য লৈছে আৰু বিশেষজ্ঞসকলৰ মতে এই লক্ষ্য অতি অভিলাষী। 'অভাৰচাৰ' বিমানসমূহে জৈৱ-পচনশীল বহনক্ষম বিমান পৰিবহণ ইন্ধনৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব। ইয়াক ব্যৱহাৰ কৰাৰ উদ্দেশ্য হৈছে বিমানৰ উৰণত যোগান ধৰিব পৰা ইন্ধনৰ সৰ্বাধিক কাৰ্যক্ষমতা। নিউয়ৰ্ক টাইমছত উল্লেখ কৰা মতে কে'বাজনো বিশেষজ্ঞই এনে বহনক্ষম ইন্ধনৰ যোগান বৰ্তমান অতি সীমিত আৰু অত্যন্ত ব্যয়বহুল বুলি গণ্য কৰিছে। তদুপৰি এই ইন্ধনৰ ব্যৱহাৰে সেউজ গৃহ গেছৰ নিৰ্গমন সম্পূৰ্ণভাৱে নোহোৱা কৰিব নোৱাৰে। কোম্পানীটোৱে বিমানখনত উন্নত বায়ুগতি বিদ্যা আৰু কাৰ্বন যৌগিক সামগ্ৰী ব্যৱহাৰ কৰাৰো প্ৰতিশ্ৰুতি দিছে। ইয়াৰ জৰিয়তে উন্নয়ন আৰু প্ৰতিপালনৰ খৰচ অনেক পৰিমাণে হ্ৰাস কৰিব পৰা যাব। কনকৰ্ড বিমানসমূহৰ ক্ষেত্ৰত এনে খৰচ কৰ্তন কৰা সম্ভৱ নাছিল।

এইখিনিতে ছুপাৰছ'নিক বিমানে সন্মুখীন হ'বলগীয়া কিছুমান প্ৰত্যাহ্বানৰ কথাও উল্লেখ কৰা উচিত হ'ব। যাত্ৰীসকলক তীব্ৰ গতিৰে পৃথিৱীৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ পৰিবহণ কৰিব পাৰিলেও 'বহনক্ষম' ছুপাৰছ'নিক বিমান নিৰ্মাণৰ খৰচ হ'ব অত্যন্ত বেছি। অত্যধিক পৰিমাণৰ ইন্ধন আৰু শক্তি ব্যৱহাৰ কৰা উৰণ প্ৰকৃতিটোৰ বাবেই এনে বিমানে পৰিৱেশৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাই অধিক ব্যয়সৃষ্টি কৰাৰ সম্ভাৱনা আছে। বহনক্ষম ইন্ধনৰ ব্যৱহাৰৰ পাছতো সেউজ গৃহ গেছৰ নিৰ্গমন অৱশ্যম্ভাৱী। কনকৰ্ড বিমানৰ সময়ছোৱাত এই কথাসমূহৰ প্ৰমাণ পোৱা গৈছিল। নিৰ্গমনৰ ক্ষেত্ৰত কনকৰ্ডসমূহ আছিল অতি ভয়ংকৰ। বিমানবোৰে উৰণৰ সময়ত যে এটা বৃহৎ পৰিমাণৰ ইন্ধন খৰচ কৰিব সেইটোও অনস্বীকাৰ্য। বজাৰত বহনক্ষম ইন্ধন সহজে উপলব্ধ নোহোৱা সময়ত এনে ধৰণৰ ইন্ধনৰ ব্যয় নিশ্চয় যথেষ্ট চিন্তনীয়। আধুনিক ব'য়িং বিমানৰ তুলনাত কনকৰ্ডে প্ৰতি যাত্ৰী মাইলত আঠগুণ বেছি জে'ট ইন্ধন ব্যৱহাৰ কৰিছিল। দ্বিতীয়তে, বিমানবোৰৰ গতিবেগে পৰিৱেশত অত্যধিক পৰিমাণৰ শব্দ প্ৰদূষণৰ সৃষ্টি কৰে। এই বিমানবোৰে সৃষ্টি কৰা 'ছ'নিক বুম' মানুহৰ কাণত বিস্ফোৰণৰ দৰে অনুভৱ হয়। ইয়াৰ ফলত ছুপাৰছ'নিক বিমানবোৰ উৰি যাব পৰা ঠাইসমূহ সীমিত কৰা হৈছে। মানুহৰ বসতিৰ পৰা যথেষ্ট দূৰত আৰু সম্পূৰ্ণৰূপে সাগৰৰ ওপৰেৰে নোপোৱালৈকে ইহঁতে নিজৰ প্ৰকৃত গতিবেগত উৰা নিষেধ। তদুপৰি এনে বিমান উৰণৰ বাবে নিয়ন্ত্ৰণমূলক অনুমোদন সস্থাৰ পৰা বিশেষকৈ ট্ৰান্স-আটলাণ্টিক বিমান পথৰ বাবে অনুমোদন লাভ কৰাকষ্টসাধ্য হ'ব পাৰে। বিগত সময়ছোৱাত যিহেতু ছুপাৰছ'নিক বিমানসমূহে এনে ধৰণৰ সমস্যাৰ বাবে সকীয়নি লাভ কৰিছে, বিশ্বজুৰি নিয়ন্ত্ৰকসকলৰ পৰা অনুমোদন লাভ কৰাটো এটা প্ৰত্যাহ্বানজনক কাম হ'ব। শেষত ক'ব পাৰি যে ছুপাৰছ'নিক বিমানৰ যাত্ৰা সকলোৰে বাবে কেতিয়াও অৰ্থনৈতিকভাৱে সম্ভৱপৰ হৈ নুঠিব; নিয়মীয়া বিমানৰ প্ৰথম শ্ৰেণীৰ টিকটতকৈ এনে বিমানৰ টিকট বহুত বেছি খৰচী হোৱাৰ সম্ভাৱনা আছে।

ছুপাৰছ'নিক বাণিজ্যিক উৰণ প্ৰথমবাৰ কিয় সফল নহ'ল সেই বিষয়ে কিছু কথা আগেয়েও উল্লেখ কৰা হৈছে। কে'বাটাও কাৰকৰ সংমিশ্ৰণৰ ফলত কনকৰ্ডৰ পতন ঘটিল। যদিও ইয়াৰ যাত্ৰাৰ গতিবেগ আছিল শব্দৰ দুগুণ (ঘণ্টাত ১,৫১২ মাইল) আৰু 'বুম'ৰ পৰিকল্পিতগতিতকৈ অধিক-ই অৰ্থনৈতিকভাৱে কাৰ্যক্ষম নাছিল। অত্যধিক পৰিমাণৰ জে'ট ইন্ধন ব্যৱহাৰ কৰিবলগীয়া হোৱা বাবে বিমানসমূহ চলাবলৈ অতি ব্যয়বহুল হৈ পৰিছিল। ইয়াৰ উপৰি বিমানকেইখনৰ প্ৰতি পালনৰ খৰচ আছিল বৃহৎ আৰু তিনি দশকৰো অধিক সময় সেৱাত থকাৰ সময়ত ইয়াৰ পৰিচালনা বজাই ৰখা কঠিন হৈ পৰিল। বিমানৰ অসহনীয় শব্দযাত্ৰীৰ অভিজ্ঞতাৰ ক্ষেত্ৰত এটা সাধাৰণ অভিযোগ আছিল আৰু শব্দৰ এই সমস্যাই আন বিমান সংস্থাসমূহক কনকৰ্ড বিমান অৰ্ডাৰ দিয়াৰ পৰা দূৰৈত ৰাখে। ইয়াৰ ফলত কনকৰ্ডৰ বৃহৎ পৰিসৰত সম্প্ৰসাৰণ স্থবিৰ হৈ পৰিছিল। অধিক প্ৰতিপালন ব্যয়ৰ ফলত কনকৰ্ডৰ টিকটৰ বাবে নিউয়ৰ্কৰ পৰা লণ্ডনলৈ যাত্ৰা কৰিবলৈ প্ৰায় ১০ হেজাৰ ডলাৰ খৰচ হৈছিল। ইয়াৰ আন্তঃৰাষ্ট্ৰীয় পথো আছিল অতি সীমিত আৰু কিছুমান নিয়ম-নীতিৰ স'তেহে ছুপাৰছ'নিক গতিৰে যাত্ৰা কৰিবলৈ দিয়া হৈছিল। ১৯৭৩ত ফেডাৰেল এভিয়েচন এডমিনিষ্ট্ৰেছনে (এফএএ) কোনো ধৰণৰ বাণিজ্যিক বিমানক স্থলপথৰ ওপৰেৰে শব্দতকৈ বেছি বেগেৰে যাত্ৰা কৰাত নিষেধাজ্ঞা আৰোপ কৰিছিল। বহুতৰ বাবে খৰচ আৰু সন্মুখীন হ'বলগীয়া অসুবিধাবোৰৰ বাবে উচ্চ গতিবেগৰ বিমানেৰে কৰা যাত্ৰাত কোনো সাৰ্থকতা নাছিল। ২০০০ৰ জুলাইত এয়াৰ ফ্ৰান্স কনকৰ্ড এখন উৰণৰ ঠিক পাছতেই দুৰ্ঘটনাতত পতিত হোৱাত বিমানত থকা ১০৯ জন আৰু মাটিত থকা চাৰিজনৰ মৃত্যু হৈছিল। এই দুৰ্ঘটনাৰ পাছত ছুপাৰছনিক বিমানৰ সুৰক্ষাৰ দিশটো উত্থাপন কৰা হয়। ওপৰত উল্লেখ কৰা কনকৰ্ডৰ সকলো অসুবিধা আৰু উদ্বেগসমূহ দূৰ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱা 'বুম'ৰ 'অভাৰচাৰ' ছুপাৰছনিক বিমানখন কিমান সফল হয় সি লক্ষ্যণীয় হ'ব। ইয়াৰ বাবে এই দশকৰ শেষলৈ আমি অপেক্ষা কৰিম।

*মাস্কাট, চুলতানেট অব ওমান।*

*ফোনঃ ৯৬৮-৯৯৬৭-২৭৮১*

মোৰ পিতা ১০৮ বছৰত ঢুকাইছিল

# জ্ঞান আৰু কৰ্মৰ বাবেহে শিক্ষা- চাকৰিৰ বাবে নহয়



নাৰায়ণ বৰুৱা

**মোৰ** পিতাৰ জন্ম হৈছিল ১৯০৫ খ্ৰীষ্টাব্দত। ১০৮ বছৰ জীয়াই থাকি ২০১৩ খ্ৰীষ্টাব্দত তেওঁ ইহ সংসাৰৰ পৰা মেলানি মাগিলে। আচৰিত কথাটো হ'ল, পিতা জীয়াই থাকোতেই মোৰ চাৰিজন ককাইদেৱে চৰকাৰী চাকৰিৰ পৰা অৱসৰ লৈছিল। পিতা মৃত্যু হোৱাৰ ডেৰ বছৰৰ পাছতে মই আৰু মোৰ ভাইটোৱেও চাকৰিৰ পৰা অৱসৰ ল'লো। তেতিয়াৰ দিনত পিতা এম ভি মহলা পাছ কৰা এজন শিক্ষিত লোক। এৰা ধৰাকৈ পঢ়ি ১৮ বছৰ বয়সত পিতাই এম ভি পাছ কৰিছিল, কাৰণ পিতাৰ ন-বছৰ বয়স হ'লতহে স্কুলত নাম লিখাই দিছিল। পিতাৰ হাতৰ আখৰ বৰ সুন্দৰ আছিল। পিছে পিতাই লিখা আখৰবোৰ আছিল বাংলা ভাষাৰ। কিন্তু মুখৰ কথাবোৰ আছিল অসমীয়া। পিতাই বাংলা ভাষাতে বোধহয় শিক্ষা লৈছিল। ১৮৩৬লৈকে অসমৰ আদালতবোৰ অসমীয়াতেই চলিছিল। পিছে কাপ্টান জেনকিন্স চাহাবৰ কোনো কোনো অসমীয়া বিদ্বেষী লোকে বুজনি দিয়াত ১৮৩৭ৰ পৰা অসমত পুনৰ বাংলা ভাষা চলিল। তেতিয়াৰ দিনত এম ভি মহলা পাছ কৰিলেই এল পি স্কুলত শিক্ষকৰ চাকৰি পাইছিল। তাকো নিজে নিবিচৰাকৈয়ে। ১৮৪০ৰ শিক্ষানীতি অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাত গাঁৱে-ভূঞে বিদ্যালয় খোলাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু সেয়া সম্ভৱপৰ হোৱা হোৱা নাছিল কেৱল দুৰ্গম বাট-পথ আৰু পঢ়োতাৰ অভাৱত। যিকি নহওক, ১৯২৩ খ্ৰীষ্টাব্দত পিতাৰ হাতত পৰিলহি ইংৰাজীত লিখা এখন নিয়োগ পত্ৰ। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিয়োগ পত্ৰ। উত্তৰ লখিমপুৰৰ পৰা বাটকুৰি বাই অহা এজন ডাকোৱালে নিয়োগ পত্ৰখন লৈ আহি এনিশা আমাৰ ঘৰতে আছিল। পিছে পিতাই সেই চাকৰি নকৰো বোলাত পুনৰ ডিব্ৰুগড়ত গৈ কৈফিয়ৎ দিব লগা হৈছিল। তেতিয়াৰ দিনত বিশেষকৈ শিক্ষকতা কৰিবলৈ মানুহ বিচাৰি শিক্ষা বিভাগে গাঁৱে-ভূঞে মানুহ পঠাইছিল। পিতাৰ মুখে সেই কথা নুশুনা হ'লে মই আজি এইখিনি কথা লিখিব নোৱাৰিলোহেঁতেন। পিছে সেইকালৰ মানুহে চাকৰিতকৈ স্বাৱলম্বী আৰু মুক্ত জীৱনকহে বেছি গুৰুত্ব দিছিল।

পিতাহঁতৰ দিনত চাকৰি কৰাসকলে ঘৰৰ পৰা বাহিৰত থাকি এক বন্দিত্বৰ জীৱন-যাপন কৰিব লাগে। মুক্ত চিন্তা, পছন্দৰ কাম আৰু মুকলি মনে ফুৰা-চকা কৰিব পৰাটোও মানুহৰ জীৱনৰ প্ৰধান উদ্দেশ্য। আমাৰ পিতাই এই কথাটোৰ ওপৰত বৰ গুৰুত্ব দিছিল। ১৮৪০ খ্ৰীষ্টাব্দৰ শিক্ষানীতি কাৰ্যকৰী কৰিবলৈ তেতিয়াৰ ব্ৰিটিছ চৰকাৰে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত পাৰ্যমানে প্ৰাথমিক আৰু এম ভি স্কুল স্থাপন কৰাত বৰকৈ গুৰুত্ব দিছিল। কিন্তু সেইমতে শিক্ষক পাবলৈ নাই। সেয়ে সেই সময়ত এম ভি আৰু প্ৰাথমিক বিদ্যালয়বোৰৰ ফলাফল চাই সেই ল'ৰাবোৰৰ ঘৰ বিচাৰি শিক্ষকৰ চাকৰি দিব লগা হৈছিল। কিন্তু সেই সময়ৰ এম ভি পাছ কৰা ছাত্ৰসকলে চৰকাৰী চাকৰি কৰিবলৈ মুঠেও আগ্ৰহ প্ৰকাশ কৰা নাছিল। তেতিয়াৰ মানুহে চাকৰি কৰা মানে এটা অঘৰী জীৱন যাপন কৰিবলৈ মুঠেও আগ্ৰহ প্ৰকাশ কৰা নাছিল। তেতিয়াৰ মানুহে চাকৰি কৰা মানে এটা অঘৰী জীৱন-যাপন কৰা বুলিয়েই ভাবি লৈছিল। য'ত পৰিয়ালৰ মৰম-চেনেহ আৰু দায়িত্বৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। আমাৰ ককা-আইতায়ো হয়তো তেনেকৈ ভাবিছিল আৰু পিতায়ে নিয়োগ পত্ৰ পোৱাত বহু দুখ-বেজাৰ কৰি কান্দিছিল। পিতাৰ হেনো সেই সময়ত আনকি বিয়া পতাৰ বয়সো হোৱা নাছিল। আনহাতে, তেতিয়াৰ দিনত মানুহৰ ইমান অভাৱো নাছিল যে চৰকাৰী চাকৰি এটা কৰিলেহে ঘৰ-সংঘাৰ কৰিব পাৰিব। তেতিয়াৰ সকলো ব্যক্তিয়েই স্বাৱলম্বী আছিল। কোনো কথাতে কাৰো হাতলৈ-মুখলৈও চাব লগা নহৈছিল। কৃষি আৰু কৃষ্টি-সংস্কৃতিয়েই আছিল মানুহৰ একমাত্ৰ স্বাৱলম্বন। তাৰ মাজতে মানুহে জীৱনৰ সকলো বিচাৰি পাইছিল। তেনে স্থলত চৰকাৰী চাকৰিৰ প্ৰতি মানুহৰ আগ্ৰহ নথকাতো তেনেই স্বাভাৱিক কথা। সেয়ে তেতিয়াৰ শিক্ষিত সমাজে কোনো চৰকাৰী চাকৰিৰ প্ৰতি লালায়িত হোৱা নাছিল। প্ৰাকৃতিকভাৱে উপলব্ধ হোৱা খাদ্য খাই মানুহ যেতিয়া নিৰোগী হৈ দীৰ্ঘ জীৱন-যাপন কৰিব পাৰে, সুখে-সন্তোষে জীয়াই থাকিব পাৰে ইয়াতকৈনো মানুহক আৰু কি লাগিছে। ঘূৰি ফুৰা অঘৰী আৰু গোলামি জীৱন শিক্ষিতসকলে সেয়ে পোনছাটেই নাকচ কৰিছিল। কিন্তু আজি আৰু সেই দিন নাই। এতিয়া শিক্ষাৰ মূল উদ্দেশ্য হ'ল আনৰ গোলামি কৰিবলৈ লোৱা শিক্ষা। ভাবি আচৰিত হওঁ যে আমি ইমান পৰনিৰ্ভৰশীল আৰু পৰৰ গোলামি হ'লোনে। এতিয়াওতো শস্যে-মৎস্যে বসুন্ধৰা হৈ আছে আমাৰ অসম।

শিক্ষাৰ মহৎ উদ্দেশ্যটো হ'ল স্বাৱলম্বী হৈ জীৱন-যাপন কৰিবলৈ শিকা। সাহসী হোৱা আৰু জীৱনৰ বাবে প্ৰয়োজন হোৱা সকলো সিদ্ধান্ত নিজে ল'ব পৰা। এই ক্ষেত্ৰত হোমেন বৰগোহাঞিয়ে এটি বৰ উল্লেখযোগ্য উক্তি আমাৰ বাবে দি থৈ গৈছে। তেওঁ কৈছে যে 'বাহিৰৰ বা ভিতৰৰ সকলো সমস্যাৰ বিষয়ে মই কাৰো লগত আলোচনা নকৰো আৰু আনৰ পৰামৰ্শও নলওঁ। মই জানো যে এই সকলো সমস্যাৰ সমাধান মোৰ নিজৰ ভিতৰৰ পৰাই হ'ব লাগিব। এই অৰ্থত মই এজন স্বাৱলম্বী মানুহ। মই মোৰ জীৱনৰ কাৰণে মোৰ নিজৰ বাহিৰে আন কাৰো ওপৰত দোষ জাপি দিব নোখোজো..।' দেখা গ'ল যে হোমেন বৰগোহাঞিয়েও আমাৰ পিতাহঁতৰ দৰেই ভাবিছিল আৰু সেই মতে কামো কৰিছিল। পিতাই গোটেই জীৱনটো ঘৰখনৰ যিকোনো সিদ্ধান্ত নিজেই লৈছিল আৰু তেনে সিদ্ধান্তত আমি কোনো ভুল দেখা নাছিলো। কিন্তু চৰকাৰী চাকৰি কৰাসকলে ঘৰখনৰ বাবে প্ৰয়োজন হোৱা যিকোনো সিদ্ধান্ত কেতিয়াও নিজে ল'ব নোৱাৰে। যিহেতু নিজৰ বিবেকটোক দুই-তিনিভাগ কৰি কেতিয়াও এক শুদ্ধ সিদ্ধান্ত ল'ব পৰা নাযায়। সেইবাবে মই কওঁ যে চাকৰিয়ে সুখৰ জীৱন দুখৰ কৰে।

এতিয়া আহো আচল কথালৈ। আমাৰ পিতাহঁতৰ দৰে এতিয়া আৰু তাহানিৰ সেই দিন নাই। মানে শিক্ষা চাই ঘৰতে আহি চাকৰি দিয়াৰ দিন নাই। তেতিয়াৰ দিনত আজিৰ দৰে চাকৰিবোৰ মানুহৰ মূল জীৱিকা নাছিল। খেতি-বাতি আৰু সাধাৰণ দুই-এক ব্যৱসায়হে মানুহৰ মূল জীৱিকা আছিল। চাকৰি বুলিলে মানুহ ভয়তে সাত জাঁপ মাৰে আৰু সেইটো কৰিবলৈ ঘৰৰ মানুহেও নিদিয়ে। কিন্তু এতিয়া তাৰ সম্পূৰ্ণ বিপৰীত দিন আহিল। ইয়াকে কয়—কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকে বাঘৰ গাল। এতিয়া চাকৰি নকৰা বা নথকাসকলক সমাজে মানুহ বুলিয়েই গণ্য নকৰে। পৰম্পৰাগত কৃষি এৰি মানুহে চাকৰি বিচৰাৰ মূল কাৰণটো হ'ল সুখত জীৱন-যাপন কৰা। কৃষি কৰ্মত কষ্ট হয়। লগতে বানপানী, খৰাং আৰু কীট-পতংগৰ আক্ৰমণ আছেই। ইমানবোৰ অনিশ্চয়তা বুকুত বান্ধি খেতি-বাতি কৰিব কোনে! চৰকাৰেতো ইয়াৰ ক্ষতিপূৰণ হিচাপে একো নিদিয়ে। কিন্তু চাকৰিত কোনো দুখ-কষ্ট আৰু অনিশ্চয়তাও নাথাকে। মাহৰ দৰমহা মাহে পায়। লগতে বৰ্ধিত হাৰত মৰগীয়া বানচো পায়। কৃষকেতো এইবোৰৰ একোকে নাপায়। কাৰোবাৰ পৰা ধাৰ ল'লে সেই ধাৰ পৰিশোধ কৰিবৰ বাবে কৃষকে আনৰ ঘৰত আনকি মৰগীয়া হালহে বাই দিব লাগে। ভাবি চাওকচোন কৃষকৰ কিমান দুখ। কিন্তু চাকৰি কৰা সকলৰতো তেনে কোনো দুখ নাই। ক'ভিড কালত বন্ধ হৈ থকা মৰগীয়া বানচৰো বকেয়া ধন চাকৰিয়ালে পালে। তাৰ পৰিৱৰ্তে কৃষক ব্যৱসায়ীয়ে পালে মাধমাৰ। বানপানীত খেতি নষ্ট হ'লেও তাৰ ক্ষতিপূৰণ চৰকাৰে নিদিয়ে। কৃষক সৰ্বস্বান্ত হ'লেও হওক— মাত্ৰ চাকৰিয়ালে দৰমহা পাই থাকিব লাগে। কাৰণ, চাকৰিয়ালসকল বুদ্ধিজীৱী। সেয়ে তেওঁলোকলৈ চৰকাৰো ভয়। গতিকে এনেবোৰ এশ এবুৰি কাৰণত মানুহক এতিয়া চাকৰি লাগে। লাগিলে টকা-পইচা দি, কাৰোবাৰ ভৰিত ধৰি অথবা দেহ বিক্ৰী কৰি হ'লেও চাকৰি লাগিব। মানুহৰ এতিয়া তেনেকুৱা মানসিকতাই হ'ল। যিখন সমাজত এদিন কৃষি আৰু ভঁৰাল-গোহালিয়েই আছিল মানুহৰ গৌৰৱ। সেইখন সমাজত এতিয়া চাকৰিহে আচল গৌৰৱ হৈ পৰিল। কৃষকসকল এতিয়া সমাজ আৰু চৰকাৰৰ আৱৰ্জনা। কাৰণ কৃষকক এতিয়া চৰকাৰে বিভিন্ন আঁচনি দিব লাগে। দিব লাগে বিনামূলীয়া ৰেছন। কৃষক জহন্নামে গ'লেও চৰকাৰৰ ক্ষতি নাই। কিন্তু চাকৰিয়াল মৰিলে বস্তাই বস্তাই ধন পায়, পৰিয়ালত চাকৰি পায়। গতিকে মানুহে খেতি এৰি চাকৰি বিচাৰে।

আমি ফুকলীয়া কালতে নাঙলৰ কূটিত ধৰিছিলো। পিতাইহঁতে আমাক স্বাৱলম্বী হৈ জীয়াই থাকিবলৈ শিকাইছিল। কামৰ হেঁচাত আমি পঢ়িবলৈকে সময় নাপাইছিলো। কেতিয়াবা পঢ়ি থকা দেখিলেও কয়— পঢ়ি ডাঙৰ মানুহ হ'ব নালাগে, খেতি কৰিলেহে পেট ভৰিব। বঢ়াই নকওঁ, একো নপঢ়াকৈয়ে কেৱল শিক্ষাগুৰুৰ কথা শুনিয়েই পৰীক্ষাত আমি প্ৰতিটো বিষয়ত ৮০-৯০ পৰ্যন্ত নম্বৰ পাইছিলো। তেতিয়াৰ দিনত আমি চাকৰি কৰিম বুলি পঢ়া নাছিলো। পঢ়িছিলো মাত্ৰ জ্ঞান অৰ্জনৰ বাবে। বোধহয় আমাৰ পিতাহঁতেও সেই ভাবিয়েই পঢ়িছিল। চাকৰিৰ বাবে আমাৰ ইমান খক নাছিল। আমাৰ মাটি-ভেটি আছিল। আমি স্বাৱলম্বী। আমি কাৰো ওচৰত হাত পাতিম বুলি জীৱন আৰম্ভ কৰা নাছিলো। দুই হাত-দুই ভৰিক সাৰথি কৰি জীৱন আৰম্ভ কৰিছিলো। ভাবিলে দুখ লাগে যে অসমীয়া জাতিটো এতিয়া চাকৰি খকুৱা হ'ল। চাকৰি এটা নহ'লে যেন জীয়াই থাকিবই নোৱাৰি— এনেবোৰ মানসিকতাই খুলি খুলি খাইছে অসমীয়া মানুহক। মোৰ ল'ৰাই খেতি কৰি ভঁৰাল গোহালি ভৰাই খাই আছে বুলি কৈ যি জাতিয়ে এদিন গৌৰৱ অনুভৱ কৰিছিল—সেইটো জাতিয়েই এতিয়া সেই বুলি ক'বলৈ লাজ অনুভৱ কৰে। এতিয়া গৌৰৱ অনুভৱ কৰাৰ বিষয় বেলেগ হ'ল। মোৰ ল'ৰাই মোৰ ছোৱালীয়ে টে'টত চাকৰি পালে নহয়। অমুকত অমুকত পালে নহয় ইত্যাদি নানা আত্মসন্তুষ্টি। এই কথা আনে নুশুধিলেও যিকোনো প্ৰকাৰে নিজ পাতনি মেলি ল'ব। তেওঁলোকৰ এইকণো লজ্জাবোধ নাই যে নিজৰ পৈতৃক সম্পত্তিবোৰ ঘৰতে এৰি কেৱল ২৫ হেজাৰ টকীয়া চাকৰি এটাকে জীৱনৰ সৰ্বস্ব বুলি ভাবি শদিয়াৰ পৰা ধুবুৰীত গৈ চাকৰি কৰে। কোনোৱে ধুবুৰীৰ পৰা শদিয়াত গৈ। এনেকৈ চাকৰি কৰা বহু লোকে শেহত নিজৰ পৈতৃক সম্পত্তি বিক্ৰী কৰি নিজৰ ল'ৰা-ছোৱালীবোৰকো অঘৰী কৰেগৈ। অসমত এতিয়া বহু লোকৰ এনে অৱস্থাকে হৈছে কেৱল সাধাৰণ এটা চাকৰিক লৈ। চৰকাৰী চাকৰিৰ নামত লোকৰ লেদেনা ওকটা চাকৰি এটা হ'লেই হ'ল। তাকে লৈ ঘৰখনৰ গৌৰৱ-অহংকাৰৰ সীমা নাই। চাকৰি এটা নাপালে নাই, ঘৰতে থাকি খেতি ব্যৱসায় কৰিও মাহে লাখ লাখ টকা উপাৰ্জন কৰিব পাৰি। তেনেকৈ কৰিও লেদেনা ওকটা ১০টা চাকৰিৰ সমান উপাৰ্জন হয়। হ'লে কি হ'ব, আজিৰ সমাজত স্বাৱলম্বী মানুহৰ মূল্য নাই। তেওঁলোকলৈ মানুহে ছোৱালী দিবলৈও টান পায়। চৰকাৰী চাকৰিৰ নামত আনৰ লগুৱা-লিকচৌ মদাহী এটালৈকে ভাল ঘৰৰ ৰূপহী গাভৰু জনীকে বিয়া দিব। কিন্তু স্বাৱলম্বী ভাল চৰিত্ৰৰ বহু সুন্দৰ ডেকাই বিয়া পাতিবলৈ ছোৱালী বিচাৰি নাপায়। বিচাৰি গ'লেও প্ৰথম প্ৰশ্ন হ'ব—'তুমি কি কৰা? আমি আকৌ তুমি চাকৰি কৰা বুলিহে ভাবিছিলো। যাহওক, তুমি এতিয়া যোৱাগৈ। আমি ঘৰত আলোচনা কৰি পাছত তোমাক জনাম..।' সেই যে পাছত জনাম বোলা কথাটো সেইটো আৰু কাহানিও হৈ নুঠে।

এদিন মোৰ বন্ধু এজনে মোক এটা অনুৰোধ কৰি ক'লে— হেৰা, মোৰ ল'ৰাৰ বিয়া পাতিবৰ হ'ল। সি উচ্চ শিক্ষাৰ অৰ্হতাধাৰী। কিন্তু চাকৰি নকৰে, ব্যৱসায় কৰে। ল'ৰা সিয়েই। মাটি-সম্পত্তি আৰু বহু ব্যৱসায়। মদ-ভাং, জুৱা-আড্ডা এইবোৰ তাৰ নাই। বৰ অমায়িক ল'ৰা। এতিয়া ১০টা চাকৰিৰ সমান সি উপাৰ্জন কৰে। বন্ধুৱে কোৱা কথাবোৰ সত্য। কিন্তু সত্য হ'লেও তালৈ ছোৱালী দিব বিচৰা মানুহ মই বিচাৰি নাপালো। সকলোৰে মাথোঁ এটাই প্ৰশ্ন—ল'ৰাই কি কৰে। মানুহৰ মানসিকতা এতিয়া ইমান তললৈ গ'ল যে চাকৰিহে এতিয়া মানুহৰ মুখ্য জীৱিকা হ'ল। বহু মানুহে এই কথাও নাভাবে যে কেৱল চাকৰি এটাৰে জীৱনটো সমৃদ্ধিশালী কৰিব নোৱাৰি। সুখী হৈ জীৱন-যাপন কৰিবলৈ মানুহক এটা ভাল স্বাস্থ্য আৰু ভাল চৰিত্ৰহে লাগে আৰু সেইটোহে মনৰ পৰম সুখ। চাকৰি কৰা কোনো মানুহৰ মনত মই সুখ দেখা নাই। দেখিছো মাত্ৰ দুঃচিন্তা আৰু সংশয়ৰ ভাব। অকণমান ভুলৰ বাবেই বহুতৰে চাকৰি যায়। লগতে বহুতে কাৰাবাস খাটিব লগাও হয়। চাকৰি কৰি এনেকৈয়ে বহুতে নিজৰ পৰিয়ালক বিপদত পেলায়। কিন্তু খেতি-খোলাৰ লগতে সাধাৰণ ব্যৱসায় কৰা সকলৰ জীৱনলৈ তেনে কোনো সংশয় নাহে। সৌভাগ্যই লগ দিলে কেতিয়াবা কেতিয়াবা সন্তুষ্টিহে পোৱা যায়। আমাৰ পিতাই কৈছিল— 'চাকৰি ত্যাগ কৰি মই যি স্বাধীন জীৱন-যাপন কৰিবলৈ পালো সিয়েই মোক ইমান দীৰ্ঘ জীৱন দিলে। মোৰ সন্দেহ হয় চাকৰি কৰা হ'লে হয়তো মই আদ বয়সতে মৰিলোহেঁতেন।'

দুখৰ বিষয় যে আজি-কালিৰ মানুহে ইমান সহজকৈ ভাবিব নোৱাৰে। অৰ্থাৎ জীৱনৰ গধুৰ দায়িত্ব ল'ব নোৱাৰে। সকলোকে সহজতে বা কম কষ্টতে পোৱা ধন লাগে। কৃষকে বহু কষ্ট কৰিহে উপাৰ্জন কৰে, সংগঠন কৰাবোৰে এনেয়ে ধন পায় আৰু তাতোকৈ ফাৰতে পায় চাকৰিয়ালে। গতিকে চৰকাৰী চাকৰি এতিয়া সকলোৰে পছন্দৰ বস্তু। চাকৰি এতিয়া জনগণৰ সেৱা নহয়। জনগণক কৰা শোষণহে। কাৰণ, দেশত যিমানেই চাকৰি বাঢ়ে সিমানেই জনতাৰ ওপৰত কৰৰ বোজা বাঢ়ে। ত্যাগ আৰু সেৱা এতিয়া সকলোৰে অপছন্দ। এনে মনোভাব থকাজনে কেৱল ২৫ হেজাৰ টকাৰ বাবে ঘৰ এৰি অঘৰী জীৱন-যাপন নকৰে। শিক্ষিত হৈ মানুহে সমাজৰ বাবে বহু সেৱা আগবঢ়াব পাৰে। শিক্ষাৰ আচল উদ্দেশ্যও সেইটোৱেই। কিন্তু এতিয়াৰ শিক্ষাৰ উদ্দেশ্যে কেৱল স্বাৰ্থপৰতা আৰু চাকৰিমুখী। মানুহে যিমানেই উচ্চখাপৰ চাকৰি নকৰক লাগে— কিন্তু জীৱন সম্পৰ্কে প্ৰকৃত জ্ঞান খেতি আৰু ব্যৱসায়িকসকলৰহে আছে। চাকৰিয়ালসকলে নিজৰ দৰমহাৰ এটকাৰ ইফাল-সিফাল হ'লেও টেঁটু ফালি চিঞৰে। কিন্তু কৃষক আৰু ব্যৱসায়ীসকলে দিনে হেজাৰ হেজাৰ টকা ক্ষতি কৰিও আনৰ মুখত হাঁহি বিৰিঙাই থাকে। কাৰণ জ্ঞান আৰু কৰ্মই জীৱন।

*ফোন ঃ ৯৯৫৪৩৯১৪৩৪*

# কাম আজি, ফল কাইলৈ

নন্দেশ্বৰ মিলি

**আমাৰ** বৰ্তমানে গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপে আমাৰ ভৱিষ্যৎ জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব। সকলো দিশতে তাৰ প্ৰভাৱ পৰাটো খাটাং। কিয়নো অতীতক লৈ বৰ্তমান আৰু বৰ্তমানক লৈ অতীত সময়টো নিৰ্ভৰ কৰে। গতিকে আমাৰ উঠি অহা প্ৰজন্ম বা আহিবলগীয়া প্ৰজন্মৰ কাৰণেও আমি চিন্তা-চৰ্চা কৰাটো বাঞ্ছনীয়।

প্ৰাকৃতিক পৰিৱেশৰ কথাকে ধৰক। বৰ্তমান সময়ত যদি আমি থকাসকলে প্ৰাকৃতিক পৰিৱেশে প্ৰদান কৰা বহু মূল্যৱান সম্পদসমূহক জধে-মধে আমাৰ নিজৰ উদ্দেশ্য পূৰণৰ কাৰণে ব্যৱহাৰ কৰি থাকো, তেন্তে সেই পৰিৱেশৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰাটো স্বাভাৱিক কথা। পৰিৱেশৰ সম্পদৰ ওপৰত অত্যধিক ব্যৱহাৰে বিভিন্ন পৰিৱেশৰ সা-সম্পদ কমাই নিয়াৰ লগতে পৰিৱেশ প্ৰদূষণৰ দৰে সমস্যাৰ সৃষ্টি কৰে। লগতে মানুহে কৰা কৃতকৰ্মৰ ফলত বৰ্তমান সময়ত বননি ধ্বংস, বন্যপ্ৰাণী হত্যা, জৈৱ বৈচিত্ৰ্য ধ্বংস, বিভিন্ন আৱৰ্জনা সৃষ্টি, বিষাক্ত দ্ৰব্য প্ৰয়োগ, অপকাৰী গেছৰ উদ্ভাৱন আদিৰ দৰে কাৰ্যসমূহ কৰি আছো। গোলকীয় উত্তাপ বৃদ্ধি, অক্সিজেন গেছৰ প্ৰাদুৰ্ভাৱ, নিৰ্বাণীকৰণ, খৰাং, বন্যপ্ৰাণীৰ লগত সংঘাত, বনজুই, ঔদ্যোগিক দুৰ্ঘটনা আদিৰ দৰে সমস্যাসমূহে পৃথিৱীলৈ ভাবুকি কঢ়িয়াইছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ উন্নতি আৰু মানুহৰ ভোগবাদী চৰিত্ৰই ধৰিত্ৰী মাতৃৰ ওপৰত অত্যধিক হেঁচাৰ সৃষ্টি কৰিছে। ফলত বৰ্তমান আমাৰ জীৱন ধাৰণৰ ক্ষেত্ৰত অসুবিধা হোৱাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ জীৱন ধাৰণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি হ'ব।

বৰ্তমান সময়ত আমাৰ সমাজত বিভিন্ন সামাজিক সমস্যা গা কৰি উঠিছে। আধুনিকতাৰ জীৱন-যাপন গ্ৰহণ কৰাৰ নামত আমি বিভিন্ন অপসংস্কৃতিবোৰ গ্ৰহণ কৰি আছো, যিবোৰে আমাৰ কৌটিকলীয়া সমৃদ্ধিশালী সংস্কৃতিৰ ওপৰত আঘাত হানিছে। হয় আমাৰো কিছু সংস্কৃতিৰ বেয়া দিশসমূহ সংস্কাৰ আৰু আন সমাজৰ ভাল দিশসমূহ গ্ৰহণ কৰাটো উচিত; কিন্তু আমি কিছুমানে জধে-মধে সংস্কৃতি বুলি গ্ৰহণ কৰিছো। যাৰ ফলত এক দ্বন্দ্বাত্মক পৰিস্থিতিৰ উদ্ভৱ হৈছে। মানৱতাবাদ,



প্ৰমূল্যবোধ, নৈতিকতাবিহীন, নিৰ্ভৰযোগ্যহীন সমাজখন ভৱিষ্যৎ সময়ৰ সমাজখনৰ বাবে অন্ধকাৰ কঢ়িয়াই আনিছে বুলি ক'ব পাৰি।

অৰ্থনৈতিক দিশতো আমাৰ ভৱিষ্যৎ জীৱনৰ কথা ক'ব পাৰি। বৰ্তমান আমাৰ সমাজত অৰ্থনৈতিক দিশতো মানুহবোৰে চিন্তিত হৈ থাকিবলগীয়া হৈছে। অৰ্থনৈতিক উন্নতিৰ বাবে প্ৰাকৃতিক সম্পদৰ অত্যধিক ব্যৱহাৰ কৰি পৃথিৱীলৈ ভাবুকি কঢ়িয়াই আনিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰ কৰা সা-সঁজুলি ব্যৱহাৰ কৰি মানুহৰ কম সময়, কম পৰিশ্ৰম আৰু কম খৰচতে যিকোনো বস্তু পোৱাৰ ক্ষেত্ৰত সক্ষম কৰি তুলিছে। কিন্তু তাৰ ফলত উৎপাদনৰ শ্ৰমত জড়িত থকা এচাম মানুহক নিয়োগহীনতা কৰি তুলিছে। উন্নত সা-সঁজুলিসমূহৰ অত্যধিক ব্যৱহাৰে উৎপাদনৰ কামত মানুহৰ শ্ৰমৰ দৰকাৰ নাইকিয়া কৰি তুলিছে। ফলত নিয়োগৰ ক্ষেত্ৰখন সংকুচিত হৈ আহিছে। অৱশ্যে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বিভিন্ন সা-সঁজুলি চলাবলৈ জনা দক্ষ-কৌশলী ব্যক্তিসকলৰ নিয়োগৰ চাহিদা আছে। বৰ্তমান সময়ত অৰ্থনৈতিক দিশৰ নীতি-ব্যৱস্থাই এচাম মানুহক ক্ৰমে ধনীৰ পৰা আৰু ধনী আৰু আন এচাম মানুহক দৰিদ্ৰতাৰ আৰু নিম্নতৰ পৰ্যায়লৈ লৈ গৈছে। চতুৰ ৰাজনীতিবিদসকলেও বিভিন্ন নিজৰ ৰাজনৈতিক ভৱিষ্যৎ জীৱন নিৰাপত্তা কৰাৰ উদ্দেশ্যে বিভিন্ন আঁচনি ঘোষণা কৰি তাক বাস্তৱ ৰূপায়ণত গুৰুত্ব দিয়া নাই। এচাম মধ্যভোগী দালালে জনকল্যাণৰ বাবে লোৱা আঁচনিসমূহৰ সফল ৰূপায়ণত প্ৰত্যাহ্বান হিচাপে থিয় দিছে। বজাৰত আমাৰ অত্যাৱশ্যকীয় বস্তুসমূহ জুই-ছাই দাম হোৱাৰ ফলত নিম্ন মধ্যবিত্ত শ্ৰেণীসকলে চকুৰে সৰিয়হ ফুল দেখাৰ অৱস্থা হৈছে। এনে নিয়োগহীনতা, বস্তুৰ আকাশলংঘী দাম, উৎপাদিত বস্তুৰ উচিত মূল্য পোৱাৰ অভাৱ, উপাৰ্জনহীনতা আদিয়ে সমাজৰ লোকসকলক দুশ্চিন্তা, হতাশা আৰু আত্মহত্যাৰ দৰে সমস্যা সৃষ্টিত অৰিহণা যোগাইছে। গতিকে এনে দেশৰ বৰ্তমান সময়ৰ অৰ্থনৈতিক অৱস্থাই ভৱিষ্যৎ সমাজৰ অৰ্থনৈতিক দিশত নেতিবাচক প্ৰভাৱ পৰিব।

ধৰ্মীয় দিশ যি বৰ্তমান সময়ত সমাজখনত মাজে-সময়ে এক জোঁকাৰণিৰ সৃষ্টি কৰে। মানুহে সৎ আৰু পৱিত্ৰভাৱে এক শৃংখলাবদ্ধ জীৱন-যাপন কৰিবৰ বাবে ধৰ্মসমূহ প্ৰচাৰ কৰা হৈছিল। মানৱ কল্যাণ তথা সমগ্ৰ জীৱকুলৰ কল্যাণৰ হকে সেই ধৰ্মসমূহ প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত কিছু লোকে ধৰ্মসমূহক ভুলকৈ প্ৰচাৰ কৰি মানুহৰ মাজত এক অশান্তি আৰু বিশৃংখলতাৰ পৰিৱেশ সৃষ্টি কৰা দেখা গৈছে। ধৰ্মৰ নামত মানুহৰ মাজত বিভ্ৰান্তিকৰ আৰু অপপ্ৰচাৰ চলাই সমাজখনক অস্থিৰ কৰি ৰাখি নিজৰ আত্মস্বাৰ্থ পৰিপূৰণৰ বাবে প্ৰচেষ্টা চলাই আছে। সাধাৰণ মানুহে সেই ফান্দত ভৰি দি খোৱা-কামোৰা, বাদ-বিবাদ তথা বিভিন্ন হিংসাত্মক কাৰ্যত লিপ্ত হৈ সমাজৰ মাজত সুখ-শান্তি নাইকিয়া কৰিছে। ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি, উপাসনা, খোৱা-বোৱা, বাধা-নিষেধ, পোছাক-পৰিচ্ছদ আদিৰ ওপৰত আঙুলি টোঁৱাই ব্যক্তিগত স্বাধীনতা আৰু অধিকাৰ লাভৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন কৰি তুলিছে। গতিকে সেইবোৰ দিশ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অশনি সংকেত হিচাপে চিহ্নিত কৰিব পাৰি।

এক যান্ত্ৰিক আৰু কৃত্ৰিমতাৰে ভৰা সমাজখনত মানুহৰ মাজত থকা সেউজী সম্পৰ্কসমূহৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰিছে। বৰ্তমান সময়ত দয়া, ক্ষমা, উদাৰতা, ত্যাগ, বিশ্বাস, ন্যায়, সহযোগিতা, সহিষ্ণুতা, পৰোপকাৰ আদিৰ দৰে গুণসমূহ ক্ৰমে ক্ৰমে সমাজৰ পৰা নাইকিয়া হৈ যাবলৈ ধৰিছে। কৰ্মব্যস্ত আৰু অসুস্থ প্ৰতিযোগিতাত লিপ্ত হৈ বৰ্তমানৰ মানুহবোৰৰ মানসিকতা আৰু জীৱন ধাৰণ প্ৰণালীবোৰৰ ওপৰতো তাৰ ঋণাত্মক প্ৰভাৱ পৰা দেখা গৈছে। মানুহৰ মাজত থকা মানৱীয়, নৈতিক, প্ৰমূল্যবোধৰ গুণসমূহ নিঃশেষ হৈ এক যান্ত্ৰিকতাৰে ভৰা জীৱন-যাপনত মানুহ অভ্যস্ত হ'বলৈ ধৰিছে। তাৰ ফলত আমাৰ সমাজত নঘটিবলগীয়া বহুতো লজ্জাজনক আৰু ঘৃণনীয় ঘটনা সমাজত ঘটি আছে। বৰ্তমান সময়ত মানুহবোৰে এক নিৰাপত্তাহীন আৰু শংকাময় পৰিৱেশৰ মাজত জীৱন নিৰ্বাহ কৰিছে। সেই ধৰণৰ জীৱনে ভৱিষ্যৎ সমাজৰ মাজত এক অন্ধকাৰময় প্ৰতিচ্ছবি বহন কৰিব বুলি ক'ব পাৰি।

অত্যধিক জনসংখ্যা বৃদ্ধি এক গুৰুতৰ সমস্যা হৈ পৰিছে। চিকিৎসা বিজ্ঞানৰ চমকপ্ৰদ উন্নতিৰ বলত মানুহৰ মাজত মৃত্যুৰ হাৰ কমি আহিছে। বিশেষকৈ অনুন্নত, উন্নয়নশীল তথা তৃতীয় বিশ্বৰ দেশসমূহৰ মাজত এতিয়াও ব্যাপক হাৰত জনসংখ্যা বৃদ্ধি পাই আহিছে। অন্ধবিশ্বাস, কু-সংস্কাৰ, অসচেতন জীৱন প্ৰণালী আদিয়ে জনসাধাৰণৰ মাজত জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।

গতিকে বৰ্তমান সময়ত আমি গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপ তথা কাম-কাজে বৰ্তমান সময়ৰ প্ৰভাৱ পৰাৰ লগতে ভৱিষ্যৎ জীৱনৰ ওপৰতো বহুতো প্ৰভাৱ পেলায়। সেয়ে আমি যিমান পাৰো সুস্থ-সবল সমাজ জীৱন, অৰ্থনৈতিক দিশ, প্ৰাকৃতিক পৰিৱেশ ইত্যাদি সকলো দিশৰ পৰাই সামগ্ৰিক দিশৰ ভাৰসাম্য বজাই ৰাখি এক বহনক্ষম উন্নয়নত গুৰুত্ব আৰোপ কৰিব লাগিব।

*ফোন ঃ ৮৬৩৮৮৮১৯৫৩*

## বুলেট ৰেল প্ৰকল্পৰ মুৰব্বী সতীশ অগ্নিহোত্ৰীক দুৰ্নীতিৰ গোচৰত কৰিলে বৰ্খাস্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুলাই ঃ** ৰেল বিভাগে নেচনেল হাই স্পীড ৰেল কৰ্প'ৰেচন লিমিটেড (এন এইচ এছ আৰ চি এল)ৰ প্ৰৱন্ধক সঞ্চালক সতীশ অগ্নিহোত্ৰীক বৰ্খাস্ত কৰিলে। কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী বুলেট ৰেল প্ৰকল্প মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰা অগ্নিহোত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত ৰেল বিভাগে তেওঁৰ কাৰ্যকাল সমাপ্ত কৰাৰ সিদ্ধান্ত ল'লে। অগ্নিহোত্ৰীৰ স্থানত এন এইচ এছ আৰ চি এলৰ মুৰব্বীৰ দায়িত্ব তিনিমাহৰ বাবে ৰাজেন্দ্ৰ প্ৰসাদক অৰ্পণ কৰা হৈছে।

## জগন মোহনৰ মাতৃৰ ৱাই এছ আৰ কংগ্ৰেছ ত্যাগ, তেলেংগানাত কন্যাক দিব সংগ



**নিউজ ব্যুৰ', হায়দৰাবাদ, ৮ জুলাই ঃ** অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ৱাই এছ জগন মোহন ৰেড্ডীৰ মাতৃ বিজয়ম্মাই ৱাই এছ আৰ চি পিৰ সন্মানীয় অধ্যক্ষ পদৰ পৰা ইস্তফা দিলে। তেলেংগানাত থকা কন্যাক সংগ দিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰিলে বিজয়ম্মাই। উল্লেখ্য যে বিজয়ম্মাৰ কন্যা শৰ্মিলাই তেলেংগানাত এটা ৰাজনৈতিক দল গঠন কৰিছে আৰু ৰাজ্যখনৰ বিধানসভাৰ আগন্তুক নিৰ্বাচনত এই দলে প্ৰতিদ্বন্দ্বিতা কৰিব। শৰ্মিলাই ৱাই এছ আৰ তেলেংগানা পাৰ্টি নামৰে ৰাজনৈতিক দল গঠনৰ কথা এবছৰ পূৰ্বে ঘোষণা কৰাৰ পাছতে জগন মোহনৰ স'তে তেওঁৰ সংঘাত আৰম্ভ হৈছিল। ৱাই এছ আৰ কংগ্ৰেছ ত্যাগ কৰাৰ পাছত বিজয়ম্মাই সংবাদ মাধ্যমৰ আগত কয় যে তেলেংগানাত নতুন দল গঠন কৰা কন্যা শৰ্মিলাক সহায় কৰিবলৈ তেওঁ এতিয়া তেলেংগানালৈ যাব।

## নূপুৰৰ পাছত পয়গম্বৰক লৈ বিতৰ্কিত মন্তব্য বিজেপি নেতাৰ, ততালিকে বহিষ্কাৰ দলৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ৮ জুলাই ঃ** বিজেপিৰ বহিষ্কৃত নেত্ৰী নূপুৰ শৰ্মাৰ পয়গম্বৰ বিষয়ক মন্তব্যৰ বিতৰ্কৰ ওৰ নৌপৰোতে পুনৰ আন এজন বিজেপিৰ নেতাই পয়গম্বৰক লৈ বিতৰ্কিত টুইট কৰিলে। হাৰিয়ানা বিজেপিৰ আই টি শাখাৰ মুৰব্বী অৰুণ যাদৱে ইছলাম ধৰ্মক লক্ষ্য হিচাপে লৈ একাধিক আপত্তিকৰ টুইট কৰিছিল। ইছলাম ধৰ্মক লৈ এনে বিতৰ্কিত মন্তব্য প্ৰকাশ কৰাৰ অভিযোগত হাৰিয়ানা বিজেপিয়ে যাদৱক ততালিকে দলৰ পৰা নিলম্বন কৰিলে। হাৰিয়ানা বিজেপিৰ সভাপতি অ পি ধনকড়ে যাদৱক দলৰ পৰা বহিষ্কাৰৰ কথাও ঘোষণা কৰিলে। অৱশ্যে আনুষ্ঠানিকভাৱে যাদৱক দলে বহিষ্কাৰৰ সন্দৰ্ভত কোনো কাৰণ প্ৰদৰ্শন কৰা নাই।

## উত্তৰাখণ্ডত নদীত ভাহি গ'ল গাড়ী, মৃত্যু নজনৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ৮ জুলাই ঃ** উত্তৰাখণ্ডৰ নৈনিতালৰ ৰামনগৰত এক ভয়াৱহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে নজন লোকে। প্ৰকাশিত বাতৰি অনুসৰি, পথেদি যাত্ৰা কৰাৰ সময়ত হঠাতে চালকে নিয়ন্ত্ৰণ হেৰুৱাত এখন গাড়ী নদীত বাগৰি পৰিছিল আৰু নদীৰ পানীয়ে গাড়ীখন উটুৱাই নিয়ে। উক্ত গাড়ীত ১০ জন যাত্ৰী আছিল আৰু নজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে এগৰাকী নাবালিকাক স্থানীয় লোকে প্ৰাণৰক্ষা কৰে। অৱশ্যে নাবালিকাৰ অৱস্থা সংকটজনক। দুৰ্ঘটনাত নিহতৰ আঠজন পঞ্জাৱৰ পাটিয়ালাৰ নিবাসী।

## 'দ্য গডফাদাৰ' খ্যাত খলনায়ক অভিনেতা জেমছ কানৰ মৃত্যু



**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ৮ জুলাই ঃ** হলিউডৰ তাৰকা অভিনেতা জেমছ কানৰ ৮২ বছৰ বয়সত মৃত্যু হ'ল। অভিনেতা হিচাপে কানে 'দ্য গডফাদাৰ' ছবিত গেংষ্টাৰ ছ'নি ক'ৰ্লুনৰ চৰিত্ৰত অভিনয় কৰি বিশ্বজুৰি খ্যাতি লাভ কৰিছিল। পৰিয়ালৰ লোকে আজি প্ৰকাশ কৰা অনুসৰি যোৱা ছয় জুলাইত জনপ্ৰিয় অভিনেতাজনে শেষনিশ্বাস ত্যাগ কৰিছিল। কানে ১৯৬৩ত 'ইৰমা লা ডাছ' নামৰ ছবিখনৰ জৰিয়তে হলিউডত অভিনয় জীৱন আৰম্ভ কৰিছিল। 'মিছৰি', 'এল্ফ', 'গডফাদাৰ-পাৰ্ট টু', 'দ্য গেম্বলৰ'ৰ দৰে জনপ্ৰিয় ছবিত কানে অভিনয় কৰিছিল।

## দৈনিক সংক্ৰমণ ১৯ হেজাৰৰ ঊৰ্দ্ধত, বাঢ়িল সক্ৰিয় ৰোগীৰ সংখ্যা



**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুলাই ঃ** আঁতৰা নাই কৰ'নাৰ আতংক। কালিৰ পাছত শুকুৰবাৰেও দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ১৯ হেজাৰৰ উৰ্দ্ধত থাকিল। একে সময়তে দেশত বৃদ্ধি পালে কৰ'নাত মৃতক আৰু সক্ৰিয় আক্ৰান্তৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হয় ১৮,৮১৫ জন লোক। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডে পুনৰ প্ৰাণ কাঢ়িলে ৩৮ জন ৰোগীৰ। এই মুহূৰ্তত দেশত সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যা এক লাখ ২২ হেজাৰ ৩৩৫ জনলৈ বৃদ্ধি পালে। মহাৰাষ্ট্ৰ, কেৰালা, তামিলনাডু আৰু পশ্চিমবংগত ক'ভিডৰ দৈনিক সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে।

### কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ ঘোষণাত দেশজুৰি ব্যাপক চাঞ্চল্য

## আগন্তুক পাঁচ বছৰত ভাৰতত নিষিদ্ধ হ'ব পেট্ৰ'ল


**নিউজ ব্যুৰ' নতুন দিল্লী, ৮ জুলাই ঃ** ভাৰতত আগন্তুক পাঁচ বছৰৰ ভিতৰতে পেট্ৰ'লৰ বিক্ৰী বন্ধ কৰা হ'ব। কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে এই কথা প্ৰকাশ কৰিলে। কালি এই চাঞ্চল্যকৰ ঘোষণা কৰি কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰীজনে কয় যে আগন্তুক পাঁচ বছৰৰ ভিতৰত দেশত পেট্ৰ'লৰ বিক্ৰী বন্ধ কৰা হ'ব আৰু পৰ্যায়ক্ৰমে পেট্ৰ'ল ভাৰতত নিষিদ্ধ হ'ব। 'লাইভ হিন্দুস্তান'ৰ প্ৰতিবেদনত এই কথা উল্লেখ কৰা হৈছে।

বৃহস্পতিবাৰে আকুলাত ডঃ পঞ্জাৱ ৰাও দেশমুখ কৃষি বিশ্ববিদ্যালয়ৰ ৩৬ সংখ্যক সমাৱৰ্তনত মুখ্য অতিথি হিচাপে অংশ লৈ ভাষণ প্ৰসংগত এই চাঞ্চল্যকৰ কথা প্ৰকাশ কৰিছিল কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে। কৃষি বিশ্ববিদ্যালয়খনে গাডকাৰীক 'ডক্টৰ অৱ্ ছায়েন্স' উপাধিৰে সন্মানিত কৰিলে। এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰীজনে কয়



যে বৰ্তমানে বিদৰ্ভত তৈয়াৰ কৰা বায়'ইথানল যানবাহনত ইন্ধন হিচাপে ব্যৱহাৰ কৰা হৈছে। ভাষণ প্ৰসংগত বৈদ্যুতিক আৰু অন্যান্য বিকল্প ইন্ধনচালিত যানবাহনৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি গাডকাৰীয়ে কয়, 'আগন্তুক পাঁচ বছৰত দেশত পেট্ৰ'ল নিষিদ্ধ হ'ব। অদূৰ ভৱিষ্যতে সেউজ হাইড্ৰ'জেন, ইথানল আৰু চি এন জিক ভিত্তি কৰি দুচকীয়া আৰু চাৰিচকীয়া বাহনৰ নিৰ্মাণ কৰা হ'ব। তদুপৰি বৈদ্যুতিক গাড়ীৰ উৎপাদনতো অধিক গুৰুত্ব দিয়া হ'ব। পৰিৱেশ ৰক্ষাৰ স্বাৰ্থত পেট্ৰ'লৰ ব্যৱহাৰ বন্ধ কৰা জৰুৰী হৈছে।'

## প্ৰবল বৃষ্টিপাতত জনজীৱন ব্যাহত কেৰালা, গোৱা, কৰ্ণাটকত



**নিউজ ব্যুৰ' তিৰুঅনন্তপুৰম, ৮ জুলাই ঃ** ধাৰাসাৰ বৃষ্টিপাতৰ ফলত দেশৰ তিনিখন ৰাজ্যত বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। কেৰালা, গোৱা আৰু কৰ্ণাটকৰ বহু অঞ্চল সম্প্ৰতি জলবদ্ধ হৈ আছে। যোৱা বুধবাৰৰ পৰা এই তিনিখন ৰাজ্যত প্ৰবল বৃষ্টিপাত আবদ্ধ আছে। ধাৰাসাৰ বৃষ্টিপাতৰ ফলত ক্ষতিগ্ৰস্ত হৈছে একাধিক বাসগৃহ। বৃষ্টিপাতৰ পৰিণতিত বাট-পথ পানীত বুৰি যোৱাৰ ফলত কেৰালা, গোৱা আৰু কৰ্ণাটকৰ বহু অঞ্চলত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে।

## ২০০৮ৰ দৰে মন্দাৱস্থাৰ পুনৰ আগমন ঘটিব পাৰে বিশ্বত

**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুলাই ঃ** বিশ্বজুৰি আকৌ এবাৰ মহামন্দা অৱস্থাৰ শংকা প্ৰকট হৈছে। বিগত আঢ়ৈ বছৰ ধৰি কৰ'না সংকটৰ স'তে অবিৰতভাৱে সমগ্ৰ বিশ্বই যুঁজ দি অহাৰ সময়তে ২০২২ত আৰম্ভ হোৱা ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধই বিশ্ব অৰ্থনীতিক নেতিবাচকভাৱে প্ৰভাৱিত কৰিছে। ইতিমধ্যে বিশ্বৰ উন্নত দেশৰ পৰা আৰম্ভ কৰি দৰিদ্ৰ দেশলৈকে সকলোতে ক'ভিডৰ সংক্ৰমণ আৰু ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই অৰ্থনৈতিক ক্ষেত্ৰত মাধমাৰ শোধাইছে। অৰ্থনৈতিক বিশেষজ্ঞৰ মতে, আন্তৰ্জাতিক বজাৰ ব্যৱস্থাই ২০০৮ বৰ্ষৰ দৰে এক গভীৰ সংকটৰ আগন্তুক দিনত সন্মুখীন হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। বিশেষকৈ ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে অব্যাহত ৰখা যুদ্ধখন সমাপ্ত নকৰিলে আগন্তুক দিনত গোলকীয়




অৰ্থনৈতিক ব্যৱস্থা অধিক সংকটৰ সন্মুখীন হোৱাটো নিশ্চিত বুলি বিশেষজ্ঞই মত প্ৰকাশ কৰিছে। বিশেষজ্ঞই বিশ্লেষণ কৰি কয় যে ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰাৰ পাছৰে পৰা বিশ্ব অৰ্থনীতি নেতিবাচকভাৱে প্ৰভাৱিত হোৱাই নহয়, বিশ্বৰ শীৰ্ষ ধনাঢ্য অৰ্বুদপতিসকলৰো সম্পত্তিৰ পৰিমাণ হঠাতে হ্ৰাস পাবলৈ ধৰিছে। এই ক্ষেত্ৰত ধনাঢ্য ব্যক্তিৰ তালিকাত বৰ্তমানে শীৰ্ষস্থানত থকা এলন মাস্কৰ উদাহৰণ দাঙি ধৰি বিশেষজ্ঞই কয় যে সাম্প্ৰতিক অৰ্থনৈতিক অস্থিৰতাই মাস্কৰ দৰে অতি ধনাঢ্য লোকৰো যথেষ্ট ক্ষতি কৰিছে। আগন্তুক কেইমাহমানৰ ভিতৰতে বিশ্বই ২০০৮ বৰ্ষৰ দৰে বিত্তীয় মন্দাৱস্থাৰ পুনৰ সন্মুখীন হ'ব পাৰে বুলি একাধিক অৰ্থনীতিবিদে শংকা প্ৰকাশ কৰিছে। আৰ্থিক অস্থিৰতাৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বৰ প্ৰায়বোৰ দেশৰ কেন্দ্ৰীয় বেংকে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ বাবে প্ৰায়বোৰ কেন্দ্ৰীয় বেংকে ৰেপ' ৰেট বৃদ্ধিৰ পদক্ষেপ লৈছে। ফলত সাম্প্ৰতিক সময়ত বিশ্বৰ প্ৰায়বোৰ দেশতে বেংকৰ ঋণৰ সুদৰ হাৰ বৃদ্ধি পাইছে। ন'মুৰা নামৰ আন্তৰ্জাতিক ব্ৰ'কাৰেজ প্ৰতিষ্ঠানটোৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০২২ বৰ্ষৰ অন্তিম তিনিমাহ অথাৎ অক্টোবৰৰ পৰা ডিচেম্বৰৰ সময়ছোৱাত আমেৰিকাসহ বিশ্বৰ কে'বাখনো দেশ আৰ্থিক মহামন্দাৰ সংকটৰ সন্মুখীন হ'ব পাৰে। অৱশ্যে ভাৰতৰ দৰে দেশে এনে মন্দাৱস্থাৰ পৰা নিজক মুক্ত কৰিবলৈ সফল হ'ব বুলি এই প্ৰতিবেদনত ন'মুৰাই মত প্ৰকাশ কৰিছে।

## উদ্ধৱে ক'লে, 'শিৱসেনাক আমাৰ পৰা কোনেও কাঢ়ি নিব নোৱাৰে'



**নিউজ ব্যুৰ', মুম্বাই, ৮ জুলাই ঃ** ক্ষমতা হেৰুৱাৰ পাছত মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেয়ে প্ৰথমবাৰলৈ সংবাদ মাধ্যমৰ আগত ৰাজ্যৰ ৰাজনীতিৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। এক প্ৰেছ বাৰ্তাত প্ৰাক্তন মুখ্যমন্ত্ৰীজনে শিৱসেনাৰ ভৱিষ্যতৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি ক'লে, 'শিৱসেনাক আমাৰ পৰা কাঢ়ি নিব নোৱাৰে। এই কথাত কোনো সন্দেহ নাই যে তীৰ আৰু কামান শিৱসেনাৰ প্ৰতীক চিহ্ন আৰু এই চিহ্ন আমাৰ পৰা কোনেও কাঢ়ি নিব নোৱাৰে।' থাকৰেয়ে লগতে কয় যে তেওঁ দেশৰ উচ্চতম ন্যায়ালয়ৰ প্ৰতি সম্পূৰ্ণ আস্থা আৰু ন্যায়ালয়ে অহা ১১ জুলাইত যি সিদ্ধান্ত ল'ব তাক তেওঁ স্বীকাৰ কৰিব। মহাৰাষ্ট্ৰত মধ্যৱৰ্তী নিৰ্বাচন অনুষ্ঠিত কৰাৰো দাবী জনালে প্ৰাক্তন মুখ্যমন্ত্ৰীজনে।

## বিজেপিৰ সভাপতি নড্ডাক সাক্ষাৎ কংগ্ৰেছ নেতা আনন্দ শৰ্মাৰ, দলত্যাগ কৰিব নেকি?



**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুলাই ঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা আনন্দ শৰ্মাই বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাক সাক্ষাৎ কৰাক লৈ ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কংগ্ৰেছ নেতা শৰ্মাই দলত্যাগ কৰি বিজেপিত যোগদান কৰিব নেকি বুলিও প্ৰশ্ন উত্থাপিত হৈছে। এনেবোৰ প্ৰতিক্ৰিয়াৰ প্ৰসংগত আজি নিজৰ স্থিতি স্পষ্ট কৰি কংগ্ৰেছ নেতাজনে দাবী কৰি কয় যে দল আৰু মতাদৰ্শ পৃথক হ'লেও নড্ডা আৰু তেওঁ প্ৰায়ে পৰস্পৰক সাক্ষাৎ কৰি আহিছে। 'নড্ডা আৰু মই উভয়ে হিমাচল প্ৰদেশৰ পৰা আহিছো আৰু আমি একেখন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিলো। আমাৰ দুয়োৰে মাজত সামাজিক আৰু পাৰিবাৰিক সম্পৰ্ক আছে। আমি দুয়োজন যদিও দুটা পৃথক ৰাজনৈতিক দলৰ সদস্য, আমাৰ মতাদৰ্শৰ পাৰ্থক্য আছে; ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ মাজত ব্যক্তিগত আৰু পাৰিবাৰিক সম্পৰ্ক থাকিব নোৱাৰিব।' উল্লেখ্য যে কংগ্ৰেছৰ নেতৃত্বক লৈ ২০২০ৰ ২৩ আগষ্টত প্ৰশ্ন উত্থাপন কৰি দলৰ যিকেইজন জ্যেষ্ঠ নেতাই ছোনিয়া গান্ধীলৈ পত্ৰ প্ৰেৰণ কৰিছিল সেইসকল নেতাৰ অন্যতম এজন হৈছে শৰ্মা।

## ২৬ বছৰীয়া পুৰণি গোচৰত অভিনেতা, কংগ্ৰেছ নেতা ৰাজ বব্বৰক দুবছৰৰ কাৰাদণ্ড

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৮ জুলাই ঃ** চৰকাৰী বিষয়াক অপমান, শাৰীৰিক আক্ৰমণ আৰু কামত বাধা দানৰ গোচৰত দোষী সাব্যস্ত হোৱা অভিনেতা-কংগ্ৰেছ নেতা ৰাজ বব্বৰক আদালতে দুবছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। ১৯৯৬তে বব্বৰৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত হৈছিল। ১৯৯৬ৰ দুই মে'ত সমাজবাদী পাৰ্টিৰ হৈ লক্ষ্ণৌৰ পৰা লোকসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সময়ত বব্বৰে তদানীন্তন পুলিং বিষয়া কৃষ্ণসিং ৰাণাক কামত বাধাদান আৰু শাৰীৰিক আক্ৰমণ কৰাৰ অভিযোগত এক গোচৰ ৰুজু হৈছিল। ভাৰতীয় দণ্ডবিধিৰ ১৪৩, ৩৩২, ৩৫৩, ৫০৪, ৩২৩ আৰু ১৮৮ ধাৰাৰ অধীনত বব্বৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিচাৰ চলিছিল। অৱশেষত ২৬ বছৰীয়া পুৰণি গোচৰত বব্বৰক দুবছৰৰ কাৰাদণ্ড বিহিলে লক্ষ্ণৌৰ এখন বিশেষ আদালতে। তদুপৰি আদালতে অভিনেতা-ৰাজনীতিকজনক ৮,৫০০ টকাৰ জৰিমনা আদায়ৰ নিৰ্দেশো দিয়ে।




## নিয়ন্ত্ৰণ ৰেখাত অনুপ্ৰৱেশৰ অপচেষ্টা ব্যৰ্থ এজন সন্ত্ৰাসবাদী নিহত, জোৱান হ'ল ছহিদ

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৮ জুলাই ঃ** জম্মু-কাশ্মীৰৰ কুপৱাড়া জিলাৰ নিয়ন্ত্ৰণ ৰেখাত আজি নিৰাপত্তা বাহিনীয়ে পাকিস্তানী সন্ত্ৰাসবাদীৰ ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা ব্যৰ্থ কৰিলে। নিৰাপত্তা বাহিনীৰ স'তে হোৱা সংঘৰ্ষত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হোৱাৰ লগতে সেনাৰ জোৱান এজনো ছহিদ হ'ল। সেনাৰ সূত্ৰই এই কথা জনোৱা অনুসৰি উত্তৰ কাশ্মীৰৰ কৰনাহ খণ্ডত গোৰান নালা অমৰুহিত নিয়ন্ত্ৰণ ৰেখাত সন্ত্ৰাসবাদীয়ে আজি অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল। উক্ত ঘটনাৰ সন্দৰ্ভত বি এছ এফ অৱগত হোৱাৰ পাছতে সন্ত্ৰাসবাদীলৈ গুলিবৰ্ষণ কৰিছিল। উভয় পক্ষৰ মাজত দীৰ্ঘসময় ধৰি হোৱা গুলীয়াগুলিত এজন পাকিস্তানী সন্ত্ৰাসবাদী নিহত হয়। সন্ত্ৰাসবাদীৰ গুলিত সেনাৰ জোৱান এজনো ছহিদ হ'ল।



## ৰাছিয়াক শাস্তি দিবলৈ গৈ সমগ্ৰ বিশ্ব সংকটৰ সন্মুখীন ঃ হাছিনাৰ মন্তব্য

**নিউজ ব্যুৰ', ঢাকা, ৮ জুলাই ঃ** ইউক্ৰেইন যুদ্ধৰ কাৰণত আমেৰিকা আৰু ইউৰোপীয় ইউনিয়নে যিদৰে ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰিছে, ইয়াৰ কঠোৰ নিন্দা কৰিলে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শেখ হাছিনাই। কালি এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত ভাষণ প্ৰসংগত হাছিনাই এনে নিষেধাজ্ঞাৰে পশ্চিম বিশ্বই মানৱাধিকাৰ লংঘন কৰা বুলি অভিযোগ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই নিষেধাজ্ঞাৰ ফলত বাংলাদেশেও যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। বাংলাদেশৰ মানৱাধিকাৰ পৰিস্থিতিক লৈ শেহতীয়াভাৱে সৰৱ হৈছিল আমেৰিকা আৰু ইউৰোপীয় ইউনিয়ন।



বাংলাদেশত এটাৰ পাছত আন এটা এনকাউণ্টাৰৰ ঘটনা সংঘটিত হোৱাক লৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে প্ৰশ্ন উত্থাপন কৰিছিল। ইউৰোপীয় ইউনিয়নেও এই ঘটনাৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে। এনে সময়তে আমেৰিকা আৰু ইউৰোপীয় ইউনিয়নক ইউক্ৰেইন যুদ্ধৰ প্ৰসংগত কঠোৰভাৱে সমালোচনা কৰিলে বাংলাদেশৰ প্ৰধানমন্ত্ৰীয়ে। হাছিনাই কয়, 'ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰি তেওঁলোকে আজি সমগ্ৰ বিশ্বই মানুহক হাৰাশাস্তি কৰিছে। পশ্চিমৰ দেশে ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত বিশ্বজুৰি আজি খাদ্য আৰু ইন্ধনৰ মূল্য আকাশলংঘী হৈছে। ইন্ধনৰ অভাৱত বিদ্যুতৰ উৎপাদন বন্ধ হৈছে। এছিয়া, আফ্ৰিকা, লেটিন আমেৰিকাৰ একাংশ দেশ দেউলীয়া হোৱাৰ উপক্ৰম হৈছে। এইদৰে মানুহক কষ্ট দিয়াটো মানৱাধিকাৰ লংঘনৰ ঘটনা। ৰাছিয়াক শাস্তি দিবলৈ গৈ এইদৰে সমগ্ৰ বিশ্বক সংকটৰ সন্মুখীন কৰালে আমেৰিকা আৰু ইউৰোপীয় ইউনিয়নে।'

## অসুস্থ লালুৰ হাঁহিমুখীয়া ফটো টুইটাৰত শ্বেয়াৰ কৰিলে কন্যাই



**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুলাই ঃ** মধুমেহসহ একাধিক ৰোগত আক্ৰান্ত আৰ জে ডিৰ মুৰব্বী তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱ বিগত কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হোৱাত দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ত চিকিৎসাধীন হৈ আছে। লালুৰ স্বাস্থ্যৰ সন্দৰ্ভত শেহতীয়া তথ্য প্ৰকাশ কৰিলে প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ কন্যা মিছা ভাৰতীয়ে। এদিন পূৰ্বে লালুৰ পৰিয়ালৰ লোকে প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ স্বাস্থ্য উদ্বেগজনকভাৱে অৱনতি ঘটা বুলি সংবাদ মাধ্যমৰ আগত অৱগত কৰিছিল। কিন্তু আজি লালুৰ জ্যেষ্ঠ কন্যা মিছাই টুইটাৰত আৰ জে ডিৰ মুৰব্বী একাধিক ফটো শ্বেয়াৰ কৰি পিতৃৰ স্বাস্থ্য কিছু উন্নত হোৱা বুলি জানিবলৈ দিয়ে। পিতৃৰ স্বাস্থ্যৰ উন্নতি ঘটাৰ কথা ব্যক্ত কৰি লালু কন্যাই চিকিৎসাধীন লালুৰ হাঁহিমুখীয়া ফটো শ্বেয়াৰ কৰি এইদৰে কয়, 'নিজৰ মনোবল আৰু আপোনালোক সকলোৰে আশীৰ্বাদত লালু যাদৱৰ স্বাস্থ্য যথেষ্ট উন্নত হৈছে। অনুগ্ৰহ কৰি উৰা বাতৰিক বিশ্বাস নকৰিব। লালুপ্ৰসাদজীৰ বাবে প্ৰাৰ্থনা কৰিব আৰু আমাৰ প্ৰতি সমৰ্থন বৰ্তাই ৰাখক।'

## এই সুন্দৰ দেশ ত্যাগ কৰিবলৈ বাধ্য হ'ম ঃ কিয় এনেদৰে ক'লে জনপ্ৰিয় সংগীতশিল্পী লাকী আলীয়ে

**নিউজ ব্যুৰ', মুম্বাই, ৮ জুলাই ঃ** ভাৰত ত্যাগ কৰি আন দেশলৈ যাব নেকি জনপ্ৰিয় সংগীতশিল্পী লাকী আলী? কিন্তু কিয়? দীৰ্ঘদিন বিৰতিৰ পাছত সংগীত শিল্পী হিচাপে শেহতীয়াভাৱে পুনৰ সক্ৰিয় হৈ উঠিলেও দেশৰ বৰ্তমানৰ পৰিস্থিতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিলে বৰ্ষীয়ান গায়কজনে। এই সন্দৰ্ভত সামাজিক মাধ্যমত মুক্তভাৱে নিজৰ ক্ষোভ প্ৰকাশ কৰি আলীয়ে কয় যে যিকোনো দিনতে তেওঁ দেশত্যাগ কৰিব পাৰে। সম্প্ৰতি একাধিক সমস্যাৰ সন্মুখীন হৈছে শিল্পীজন। পাৰিবাৰিক সম্পত্তিৰ বিবাদৰ গোচৰত বহু হাৰাশাস্তিৰ সন্মুখীন হৈ অহা আলীয়ে সামাজিক মাধ্যমত এইদৰে কয়, 'মই পূৰ্বৰে পৰা কৈ আহিছো যে মোৰ পৈতৃক সম্পত্তিৰ এশ একৰৰ ভূমি মাফিয়াই বেদখল কৰিছে। নিজৰ ক্ষমতা আৰু ধনবলৰে ৰিয়েল এষ্টেট মাফিয়াই ভুৱা সাক্ষীৰে ভাৰতৰ বিচাৰ ব্যৱস্থাকো প্ৰভাৱিত কৰিছে। এইবোৰৰ স'তে জড়িত হৈ আছে একাংশ দুৰ্নীতিগ্ৰস্ত লোক। স্পষ্টভাৱে কওঁ, চৰকাৰে যদি মোৰ পৈতৃক ভূমি উভতাই লাভত কোনো ধৰণৰ সহায় নকৰে, এই সুন্দৰ দেশ ত্যাগ কৰিবলৈ বাধ্য হ'ম। কোনো দিন আৰু উভতি নাহো, কথা দিলো।' উল্লেখ্য যে ২০০২ বৰ্ষৰ পৰাই আলীয়ে সম্পত্তিৰ বেদখলৰ সমস্যাত ভুগি আহিছে।



## ঘানাত মাৰবাৰ্গ ভাইৰাছত মৃত্যু দুজনৰ, প্ৰাণঘাতক এই ভাইৰাছত মৃত্যু হ'ব পাৰে ৮৮ শতাংশ আক্ৰান্তৰ

**নিউজ ব্যুৰ', জেনেভা, ৮ জুলাই ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ত্ৰাস মাৰ নৌযাওতেই এইবাৰ ঘানাত মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণে বিশ্বত নতুন উদ্বেগ সৃষ্টি কৰিলে। লাচা ভাইৰাছৰ পাছত মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিল ঘানাত। বৃহস্পতিবাৰে আফ্ৰিকাৰ এইখন দেশত মাৰবাৰ্গৰ সংক্ৰমণত দুজন লোকৰ মৃত্যু হ'ল। বিশ্ব স্বাস্থ্য সংস্থা (হু)ই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি অতি সংক্ৰামক মাৰবাৰ্গ ভাইৰাছত আক্ৰান্ত হ'লে মৃত্যুৰ হাৰ ২৪ৰ পৰা ৮৮ শতাংশ পৰ্যন্ত হ'ব পাৰে। অৰ্থাৎ প্ৰতি এশজন আক্ৰান্তৰ মাজত ২৪ৰ পৰা ৮৮ জনলৈকে ৰোগীৰ মৃত্যুৰ সংখ্যা থাকে। ঘানাৰ দক্ষিণ আছান্তি অঞ্চলত মাৰবাৰ্গ সংক্ৰমিত দুই ৰোগীয়ে ইতিমধ্যে শেষ নিশ্বাস ত্যাগ কৰিলে। মৃত্যুৰ পাছত তেওঁলোকৰ শৰীৰৰ পৰা নমুনা সংগ্ৰহ কৰি ছেনেগালৰ এটা ভাইৰাছ পৰীক্ষাগাৰত প্ৰাণঘাতী ভাইৰাছৰ উপস্থিতিৰ তথ্য নিশ্চিত কৰা হৈছে। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি মাৰবাৰ্গত আক্ৰান্তৰ শৰীৰত জ্বৰ, বমি, মূৰৰ বিষসহ অন্যান্য উপসৰ্গই দেখা দিয়ে। ঘানাৰ পূৰ্বে গাইনাত এই ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। প্ৰায় চাৰে পাঁচ দশক পূৰ্বেও দক্ষিণ আৰু পূব আফ্ৰিকাৰ দেশত মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণ প্ৰথম চিহ্নিত কৰা হৈছিল।



# জালাহৰ পৰা মহিলা নিৰুদ্দেশ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৮ জুলাই ঃ** জালাহৰ ভেবলা কেওট চুপাৰ মধুস্মিতা ডেকা (১৮) নামৰ মহিলা এগৰাকী বিগত এমাহ ধৰি নিৰুদ্দেশ হৈ আছে। মধুস্মিতাৰ গিৰিয়েক সোণ শৰ্মাই জনোৱা মতে মধুস্মিতাই যোৱা ৩০ মে'ত মাকৰ ঘৰলৈ যাব বুলি কৈ স্বামীৰ ভাড়াঘৰৰ পৰা ওলাই আহিছিল। গিৰিয়েকৰ কৰ্মসূত্ৰে দুয়ো স্বামী-স্ত্ৰী গুৱাহাটী জালুকবাৰীৰ সদিলাপুৰত ঘৰ ভাড়া কৰি আছিল। ভাড়াঘৰৰ পৰা বাগসাৰ জালাহৰ নিজ গৃহলৈ ৩০ মে'ৰ দিনা আহি থকা অৱস্থাত ৰহস্যজনকভাৱে নিৰুদ্দেশ হয়। আজিলৈকে নিৰুদ্দেশ হৈ থকাত স্বামী সোণ শৰ্মাই শিমলা থানাত এজাহাৰ দাখিল কৰে; কিন্তু এই পৰ্যন্ত কোনো সন্ধান পোৱা নাই মহিলাগৰাকীৰ। কোনো সদাশয় লোকে মহিলাগৰাকীৰ কিবা সন্ধান পালে ওচৰৰ আৰক্ষী থানাত জনাবলৈ তেওঁৰ পৰিয়ালে অনুৰোধ জনাইছে।

# পুৰণিগুদামত শিশু নাট কৰ্মশালা মুকলি

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৮ জুলাই ঃ** অসম নাট্য সন্মিলনৰ উদ্যোগত পুৰণিগুদামৰ অনিৰ্বাণ গোষ্ঠীৰ কাৰ্যালয় ভৱনত আজিৰে পৰা অনুষ্ঠিত হৈছে কেন্দ্ৰীয় শিশু নাট কৰ্মশালা। অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ ব্যৱস্থাপনাত আয়োজিত ১৫ দিনীয়া নাট কৰ্মশালাৰ আজি উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰথম সন্মিলনৰ পতাকা উত্তোলন কাৰ্যসূচীৰ পাছতে বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ নাথ গায়নৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট শিক্ষাবিদ দেব প্ৰসাদ ভূঞাই উদ্বোধনী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত প্ৰশিক্ষক তথা শাখাৰ সভাপতি, বিশিষ্ট নাট্যশিল্পী মৃণাল কুমাৰ বৰাকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

# গড়কাপ্তানী বিভাগৰ হেমাহিৰ বিৰুদ্ধে ১১ জুলাইত তিতাবৰত আছুৰ বিক্ষোভ

**তিতাবৰ, ৮ জুলাই ঃ** ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ কাৰ্যকালত একপ্ৰকাৰ নিষ্কৰ্মা বিভাগলৈ পৰিণত হোৱা লোকনিৰ্মাণ (পথ) বিভাগৰ বিৰুদ্ধে শেহতীয়াকৈ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাই। আন্দোলনৰ প্ৰথম কাৰ্যসূচীৰূপে অহা ১১ জুলাইত আঞ্চলিক ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি এক বিবৃতিৰ জৰিয়তে অৱগত কৰিছে। তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি মুছাৰফ আলী শ্বেখ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ভাস্কৰ প্ৰতীম দত্তই কাৰ্যসূচীৰ বিষয়ে প্ৰেৰণ কৰা এক বিবৃতিত কয় যে তিতাবৰ ঐতিহাসিক ধোদৰ আলি আৰু তিতাবৰ বৰহোলা সংযোগী পথ দুয়োটা বৰ্তমান সম্পূৰ্ণৰূপে জৰাজীৰ্ণ হৈ পৰিছে। বৰ্তমান পথ দুটা এনে পৰ্যায় পালেগৈ যে গাড়ী-মটৰ আৰু চাইকেলেৰে যোৱাতো বাদেই খোজকাঢ়ি যাবলৈ চিন্তা কৰিবলগীয়া হৈছে। দুয়োটা মূল পথেৰে পথচাৰীৰ লগতে বিদ্যালয়-মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলে যাতায়াত অব্যাহত ৰাখে যদিও বৰ্তমান তিতাবৰৰ সকলো পথৰ দুৰৱস্থাই জনজীৱন অতিষ্ঠ কৰি তুলিছে। ক্ৰমাগতভাৱে বৃদ্ধি পোৱা জনসংখ্যা আৰু গাড়ী-মটৰৰ অনিয়ন্ত্ৰিত বৃদ্ধি আৰু ৰাজআলিৰ মাজত সৃষ্টি হোৱা প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী সদৃশ গাঁতসমূহত বিভিন্ন সময়ত বহুতো দুৰ্ঘটনাও সংঘটিত হৈ আহিছে। সামান্য এজাক বৰষুণত ৰাজআলিয়ে জনজীৱন অচল কৰি দিয়া সদাব্যস্ত ধোদৰআলি আৰু বৰহোলা-ন-আলি সংযোগী পথদুটা মেৰামতিৰ বাবে তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাই লোকনিৰ্মাণ বিভাগক বাৰম্বাৰ দাবী জনাই অহাৰ পাছতো বিয়াগোম বিভাগটোৱে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। এই সম্পৰ্কত তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাই বিগত পহিলা জুনত তিতাবৰ মহকুমাধিপতিৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰি পথ দুটা মেৰামতিৰ বাবে নিৰ্দিষ্ট সময় সীমা বান্ধি দিছিল যদিও কোনোপক্ষই গুৰুত্ব প্ৰদান নকৰিলে। যাৰ বাবে ছাত্ৰ সন্থাই অহা ১১ জুলাইত তিতাবৰত বিক্ষোভ কাৰ্যসূচী ঘোষণা কৰিছে। সমস্যাটোৰ গুৰুত্ব উপলব্ধি কৰি তিতাবৰবাসী সকলো ৰাইজক দলে-বলে ওলাই আহি কাৰ্যসূচীত সহায়-সহযোগিতা কৰিবলৈও আহ্বান জনাইছে।

# দৰং জিলা টিউটৰ সন্থাৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**দুনী, ৮ জুলাই ঃ** দৰং জিলা টিউটৰ সন্থাৰ এখন সাধাৰণ সভা যোৱা ছয় জুলাইত পাথাৰিঘাট ছোৱালী হাইস্কুলত অনুষ্ঠিত হয়। দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জ্যেষ্ঠ টিউটৰ শিক্ষক ৰমেশ চন্দ্ৰ চহৰীয়াই। প্ৰায় অৰ্ধ শতাধিক টিউটৰ শিক্ষক উপস্থিত থকা সভাত সন্থাৰ বিভিন্ন সমস্যাসমূহ আলোচনা কৰাৰ লগতে দৰং জিলা হাইস্কুল (এমালগেমেটেড) টিউটৰ সন্থা গঠন কৰা হয়। আব্দুল হামিদক সভাপতি, নৃপেন ডেকাক কাৰ্যকৰী সভাপতি, কিশোৰ কুমাৰ শৰ্মা আৰু নবযত আলীক সম্পাদক, পুলক চৌধুৰী আৰু সতোন্দ্ৰ কলিতাক সহকাৰী সম্পাদক, ভৱেশ ডেকা, বেৰণ চৌধুৰী, অতুল চহৰীয়া, ইউনিচ আলী, মুকুল বড়া আৰু নজৰুল ইছলামক সদস্য হিচাপে লৈ ১১ জনীয়া সমিতিখন গঠন কৰা হয়। লগতে সভাই টিউটৰসকলৰ দৰমহা বৃদ্ধি কৰাৰ লগতে শিক্ষকৰ মৰ্যাদা দিবলৈ দাবী জনায় প্ৰস্তাৱ গ্ৰহণ কৰি বিভাগীয় কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰে।

# অইল ইণ্ডিয়া লিমিটেডৰ নিৰাপত্তাৰ দায়িত্বত গাঁওৰক্ষী বাহিনী কাৰ্মকৰ্তা

## অপ্ৰশিক্ষণপ্ৰাপ্ত গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাক নিৰাপত্তাৰ দায়িত্ব অৰ্পণক লৈ প্ৰশ্ন

**ডিগবৈ, ৮ জুলাই ঃ** শেৰ লাভজনক ৰাজহুৱা খণ্ড প্ৰতিষ্ঠানৰ ভিতৰত লেখত ল'বলগীয়া এক উল্লেখযোগ্য প্ৰতিষ্ঠান হৈছে অইল ইণ্ডিয়া লিমিটেড। কিন্তু এক আশ্চৰ্যকৰ বিষয় যে লাভজনক প্ৰতিষ্ঠান হিচাপে খ্যাতি থকা অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানে অইলৰ ব্যক্তিগত সম্পত্তি তথা তেল উৎপাদিত পুৰণি তৈল কোপসমূহৰ নিৰাপত্তাৰ দায়িত্বত থকা অইল নিৰাপত্তাৰক্ষী দিনক দিনে কমাই অনা পৰিলক্ষিত হৈছে। তাৰ বিপৰীতে অইল ইণ্ডিয়া লিমিটেডে, দুলীয়াজান ফিল্ডৰ চাৰিসীমাৰ ভিতৰত থকা কে'বাখনো স্থানীয় আৰক্ষী থানাৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ একাংশ কৰ্মকৰ্তাক নিৰাপত্তাৰক্ষীৰ দায়িত্ব প্ৰদান কৰি অতি নিম্ন মাননি প্ৰদানেৰে নিয়োজিত কৰি ৰখাৰ তথ্য পোহৰলৈ আহিছে। মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাক কোঙা কৰাৰ সামন্তৰালভাৱে প্ৰতিবিধ সামগ্ৰীৰ যি জুই চাই মূল্যবৃদ্ধি, তাৰ বিপৰীতে মাত্ৰ ২৬ টকাত পাৰিশ্ৰমিক হিচাপে প্ৰদান কৰি অহাৰ তথ্য পোৱা গৈছে। কিন্তু অতি পৰিতাপৰ বিষয় অইল ইণ্ডিয়া লিমিটেডৰ ব্যক্তিগত সা-সম্পত্তি নিৰাপত্তাৰ দায়িত্বত নিয়োজিত হৈ থকা একাংশ অপ্ৰশিক্ষণপ্ৰাপ্ত গাঁওৰক্ষী বাহিনীৰ কাৰ্মকৰ্তাই অইল ইণ্ডিয়া লিমিটেডৰ বৃহৎ পৰিমাণৰ লোকচানৰ কাৰণ হৈ ঠিয় দিয়াৰ অভিযোগ উত্থাপিত কৰিছে একাংশ সচেতন মহলে । উল্লেখ যে , নিৰাপত্তাৰ দায়িত্বত থকা একাংশ গাওঁৰক্ষী বাহিনীৰ কৰ্মকৰ্তাই অইল ইণ্ডিয়া লিমিটেডৰ উৎপাদিত তৈল কোপসমুহৰ পৰা কণ্ডেনচেট তেলৰ বৃহৎ এক ক'লা ৰমৰমীয়া বজাৰ চলাই নিয়াৰ তথ্য পোহৰলৈ আনিছে । দিন ৰাতি একাকাৰ কৰি , পহৰাৰ দায়িত্ব পালন কৰাৰ নামত একাংশ গাওঁৰক্ষী বাহিনীৰ কাৰ্যকৰ্তাই কিন্ত অইল ইণ্ডিয়া লিমিটেডৰ বহু মূল্যৱান সা-সম্পত্তি অবাধ হাৰত ৰমৰমীয়া বেহা চলাই নিয়াৰ অভিযোগ । আনহাতে, এই ক্ষেত্ৰত গাওঁৰক্ষী বাহিনীৰ কৰ্মকৰ্তা হোৱাৰ সুবাদতে অইল ইণ্ডিয়া লিমিটেডৰ ব্যক্তিগত নিৰাপত্তাৰ দায়িত্বত থকা নিৰাপত্তাৰক্ষীয়েই কিছু ক্ষেত্ৰত চকু মুদা কুলিৰ ভাও জোৰা দেখিবলৈ পোৱাৰ কথা উল্লেখ কৰিছে । আন এক বিষয় উল্লেখ কৰা অনুসৰি , দেশৰ লাভজনক প্ৰতিষ্ঠান হিচাপে পৰিচিত অইল ইণ্ডিয়া লিমিটেডে কিহৰ ওপৰত ভিত্তি কৰি অপ্ৰশিক্ষিত একাংশ গাওঁৰক্ষী বাহিনীৰ কাৰ্মকৰ্তাক অইল ইণ্ডিয়া লিমিটেডৰ ব্যক্তিগত সম্পত্তি নিৰাপত্তাৰ দায়িত্ব পালন কৰি ৰাখিছে সেইয়া এক ৰহস্যৰ বিষয় বুলি সজোৰে প্ৰশ্ন উত্থাপন কৰিছে । লগতে অইল ইণ্ডিয়া লিমিটেডে , ব্যক্তিগত সা সম্পত্তি তথা উৎপাদনক্ষম তৈলকোপ সমুহত নিৰাপত্তা প্ৰদান কৰিবলৈ নিয়োজিত কৰা গাওঁৰক্ষী বাহিনীৰ একাংশ কৰ্মকৰ্তাৰ ওপৰত বিশেষ ব্যৱস্থা তথা কাৰ্যপন্থা অৱলম্বন নকৰে তেন্তে অইল ইণ্ডিয়া লিমিটেডৰ নিৰাপত্তাৰক্ষীৰ দায়িত্বত থকা একাংশ গাওঁৰক্ষী বাহিনীৰ কৰ্মকৰ্তাই অইল ইণ্ডিয়াৰ বহু মূল্যৱান সা সম্পত্তিকে আদি কৰি বৃহৎ পৰিমাণৰ লোকচানৰ সন্মুখিন কৰাব বুলি সজোৰে দাবী কৰিছে । এই সম্পূৰ্ণ বিষয়টোৰ ওপৰত গুৰুত্ব সহকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ একাংশ সচেতন ৰাইজে অইল ইণ্ডিয়া লিমিটেডৰ উচ্চ পদস্থ বিষয়াবৰ্গক আহ্বান জনাইছে ।

## 'দৈনিক আগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱ

# অধিক মূল্যত বিক্ৰী কৰা ভেণ্ডৰক গোৱালপাৰা উপায়ুক্তৰ সকীয়নি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৮ জুলাই ঃ** 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱৰ বাবেই গোৱালপাৰা জিলা উপায়ুক্তই মূদ্ৰাংকৰ বাবে অধিক মূল্য লোৱা ভেণ্ডৰসকলক এক জাননী যোগে কঠোৰ সকীয়নি প্ৰদান কৰিছে। উল্লেখ্য যে সম্প্ৰতি মহাবিদ্যালয়ত ভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ আয়ৰ প্ৰমাণপত্ৰৰ প্ৰয়োজন হৈছে। উক্ত আয়ৰ প্ৰমাণপত্ৰৰ বাবে ৰাজহ চক্ৰসমূহত আবেদনৰ সময়ত শপতনামা দিবলগীয়া হৈছে। ফলত মূদ্ৰাংকৰ (দলিলৰ) চাহিদা বৃদ্ধি হোৱাৰ সুযোগ গ্ৰহণ কৰি এতিয়া দলিলৰ ক'লা বজাৰ গঢ়ি উঠিছে। ১০০ টকাৰ দলিল ১৭০ টকাৰ পৰা ২০০ টকালৈ দাম দি ক্ৰয় কৰিবলগীয়া হৈছে আৰু এখন শপতনামা তৈয়াৰ কৰাত ৫০০ৰ পৰা ৭০০ টকালৈ খৰচ হৈ আছে। সেয়ে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা আয়ৰ প্ৰমাণপত্ৰ প্ৰদান কৰা ব্যৱস্থাটো ক্ষিপ্ৰতৰ কৰা আৰু দলিলৰ ক'লা বজাৰ বন্ধ কৰাকে ধৰি পাঁচদফীয়া দাবীৰে গোৱালপাৰা জিলা এছএফআই কমিটীৰ হৈ আছিফ কৰিম আৰু জিলা ডিৱাইএফআইৰ হৈ গালিব হুছেইন আৰু আশীস গুৰুঙে গোৱালপাৰা জিলা উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত' কাকতত সবিস্তাৰে বাতৰি প্ৰকাশ পায়। উক্ত বাতৰিৰ প্ৰভাৱৰ বাবেই গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ গোপনীয় শাখাই কালি এক জাননী যোগে চৰকাৰী নিয়ম উলংঘাৰে বেআইনীভাৱে নিৰ্ধাৰিত মূল্যতকৈ অধিক মূল্যত মূদ্ৰাংক (নন জুডিচিয়েল ষ্টাম্প) বিক্ৰী কৰা ভেণ্ডৰক কঠোৰভাৱে সকীয়নি দিছে। জিচি ০৪/২০২১/১৫০ নম্বৰ যোগে দিয়া জাননীখনত উল্লেখ কৰা মতে নিৰ্ধাৰিত লিখিত মূল্যতহে মূদ্ৰাংক বিক্ৰী কৰিব পাৰিব অন্যথা আইন মতে দণ্ডনীয় হ'ব। ইপিনে, গোৱালপাৰা জিলাৰ সকলো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত বাৰ্ষিক আয়ৰ প্ৰমাণপত্ৰৰ ক্ষেত্ৰত আবেদনকাৰীয়ে মূদ্ৰাংকত শপতনামা দিয়াৰ পৰিৱৰ্তে স্ব-ঘোষিত পত্ৰ ব্যৱহাৰ কৰিব পাৰিব আৰু যদি কোনো ভেণ্ডৰে লিখিত মূল্যতকৈ অধিক মূল্যত মূদ্ৰাংক বিক্ৰী কৰে তেনেহ'লে জিলা প্ৰশাসনক ৮৮১১৮০৮৮২২ নম্বৰত হোৱাটছএপ যোগে জনাবলৈ জাননী যোগে ৰাইজক অনুৰোধ জনোৱা হৈছে। উল্লেখ্য যে গোৱালপাৰা জিলা আদালতৰ সন্মুখতে কৃত্ৰিম নাটনি দেখুৱাই ভেণ্ডৰসকলে অধিক মূল্যত মূদ্ৰাংক বিক্ৰী কৰি থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। কিন্তু এই ক্ষেত্ৰত জিলা উপায়ুক্তই শেহতীয়াভাৱে জাননী যোগে কঠোৰ সকীয়নি প্ৰদান কৰা কাৰ্যক সচেতন মহলে আদৰণি জনাইছে।

# ধেমাজিৰ জয়ৰামপুৰ পানবাৰীত অসমীয়ালৈ অৰুণাচলীৰ গুলি

## অমীমাংসিত ভূমিত গৃহ-কাঁটাতাঁৰ নিৰ্মাণ অৰুণাচলীৰ



**ধেমাজি, ৮ জুলাই ঃ** ধেমাজি জিলাৰ গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত জয়ৰামপুৰৰ পানবাৰীত অৰুণাচলী লোকে অমীমাংসিত ভূমি বেদখল কৰি গৃহ নিৰ্মাণৰ চেষ্টা চলোৱাৰ ঘটনাই আজি উত্তেজনাৰ সৃষ্টি কৰে। এই ঘটনাত ধেমাজি প্ৰশাসন আৰু স্থানীয় দল-সংগঠনে বাধা আৰোপ কৰাক লৈ চেপা উত্তেজনাই বিৰাজ কৰে। উল্লেখ্য যে আজি বছৰ বছৰ ধৰি সীমা সমস্যাক লৈ অসম-অৰুণাচলৰ মাজত মাজে সময়ে সংঘাত হৈ আহিছে। তেনে ক্ষেত্ৰত অমীমাংসিত ভূমিত দুয়োপক্ষক কোনো ভূমি বেদখল নকৰিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা আছে। তাৰ পাছতো একাংশ অৰুণাচলীৰ দুৰ্বৃত্তই ভূমি বেদখল কৰা চেষ্টাক বাধা দিয়ে ৰাইজে। ইফালে, অসম চৰকাৰ আৰু ধেমাজি প্ৰশাসনৰ দুৰ্বলতাৰ সুযোগ লৈ অৰুণাচলীৰে ইতিমধ্যে অসমৰ ভূমিত কাটাতাঁৰ দি খেতি কৰাৰ নামত আগ্ৰাসন চলাই যোৱাৰ কাৰ্যক হুংকাৰ প্ৰদান অসমৰ স্থানীয় দল-সংগঠনৰ। ইফালে, সীমান্তৱৰ্তী অঞ্চলটোত ভূমিক কেন্দ্ৰ কৰি কালিৰ পৰাই উত্তেজনাপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। আজি দুয়োখন ৰাজ্যৰ বাসিন্দাই ভূমিক লৈ সমুখ-সমৰত লিপ্ত হয়। কালি ধেমাজি জিলা প্ৰশাসনে অসমৰ ভূমিত বে-আইনীভাৱে নতুনকৈ নিৰ্মাণ কৰা অৰুণাচলীৰ দুটা গৃহ উচ্ছেদ কৰাৰ লগতে অৰুণাচলীয়ে নিজৰ দখলীস্বত্ব জাহিৰ কৰিবলৈ পথাৰত দিয়া লোহাৰ খুঁটা আৰু ফেন্সিং ভাঙি চুৰমাৰ কৰি দিয়ে। ইয়াৰ পাছতে উত্তেজিত হৈ থকা সীমান্তৱৰ্তী অসমৰ একাংশ বাসিন্দাই উচ্ছেদিত গৃহসমূহত জুই লগাই দিয়ে। ইয়াৰ বিপৰীতে অসম আৰক্ষী আৰু অৰুণাচল প্ৰদেশ আৰক্ষীৰ সন্মুখতে অৰুণাচলী একাংশ দুৰ্বৃত্তই হাতে হাতে দুই নলীয়া বন্দুক লৈ অসমৰ বাসিন্দালৈ বুলি যোৱা নিশা আৰু আজি পুৱা ধাৰসাৰ গুলি বৰ্ষণ কৰে। অৰুণাচলী দুৰ্বৃত্তৰ এই গুলিবৰ্ষণত কোনো লোক হতাহতৰ খবৰ পোৱা নাই যদিও দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী বাসিন্দাই যুদ্ধংদেহি ৰূপ লৈ অৱস্থান গ্ৰহণ কৰি আছে। সমগ্ৰ পানবাৰী অঞ্চল এতিয়া জুই-ছাঁই, গুলিৰে উত্তপ্ত হৈ আছে । উল্লেখনীয় যে একাংশ অৰুণাচলী দুৰ্বৃত্তই যি অংশ বিশাল ভূমি অৰুণাচল প্ৰদেশৰ ভূমি বুলি দাবী কৰি আহিছে উক্ত ভূমিৰ পৰাও তিনি কিলোমিটাৰ ভিতৰভাগলৈ অসমৰ ভূমি আৰু ই গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত তথা ধেমাজি জিলা বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত সোৱণশিৰি সংৰক্ষিত বনাঞ্চলৰ ভূমি। এখোজ-দুখোজকৈ আগুৱাই অৰুণাচলীয়ে তিনি কিলোমিটাৰ নামি আহি অসমৰ ভূমি নিজৰ বুলি দাবী কৰি আহিছে। তদুপৰি উচ্চতম ন্যায়ালয়ে বিবদমান অঞ্চলত দুয়োখন ৰাজ্য চৰকাৰ আৰু বাসিন্দাক কোনো নিৰ্মাণ কাৰ্য নচলাবলৈ নিৰ্দেশ দি থৈছে আৰু গোচৰ নিষ্পত্তি নোহোৱালৈকে অসম য'ত আছে তাতে থাকক আৰু অৰুণাচল প্ৰদেশেও য'ত আছে তাতে থাকক বুলি নিৰ্দেশ জাৰি কৰিছে। কিন্তু একাংশ অৰুণাচলী দুৰ্বৃত্তই আইনী প্ৰক্ৰিয়া বা প্ৰশাসনক নিজৰ দখলীস্বত্ব বা নিজৰ ভূমি বুলি দাবী কৰিবলৈ দেশৰ সৰ্বোচ্চ আদালতৰ নিৰ্দেশনাকো অমান্য কৰিবলৈ কুণ্ঠাবোধ নকৰাৰ লগতে এই বে-আইনী কাণ্ডত অৰুণাচল প্ৰদেশ চৰকাৰৰ প্ৰত্যক্ষ উচটনি থকা বুলি অভিযোগ কৰিছে সীমান্তৱৰ্তী অসমৰ ৰাইজে। সীমান্তৱৰ্তী ৰাইজৰ অভিযোগ-অৰুণাচল প্ৰদেশ চৰকাৰে আগ্ৰাসী ৰূপ লৈ ধেমাজি জিলাৰ অসমৰ ভূমিত ৰাস্তা-ঘাট, দলং, বিদ্যালয়, অফিচ-কাছাৰী দীৰ্ঘদিনে নিৰ্মাণ কৰি আহিছে। কিন্তু অসম চৰকাৰে আন্তঃৰাজ্যিক সীমাৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। ফলত অসমৰ অন্য ঠাইৰ দৰে ধেমাজি জিলাতো চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশে ধেমাজি জিলাৰ ভূমি অক্টোপাছৰ দৰে মেৰিয়াই ধৰিবলৈ আৰম্ভ কৰিছে আৰু জিলাখনৰ ক্ৰমশঃ ভূমি সংকোচন কৰি আনিছে। এই ক্ষেত্ৰত ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে দুয়োখন ৰাজ্যৰ মীমাংসাৰে সীমা সমস্যা সমাধান কৰিবলৈ দাবী জনাইছে।

# মৰিয়নিৰ হত্যাকাণ্ডক লৈ আজিও প্ৰতিক্ৰিয়া অব্যাহত

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৮ জুলাই ঃ** মৰিয়নিৰ সমীপৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত নকছাৰী খাটিসোণাত সংঘটিত 'ত্ৰিপল মাৰ্ডাৰ'ৰ ঘটনাই সৃষ্টি কৰা প্ৰতিক্ৰিয়া আজিও অব্যাহত আছে। এই ঘটনাত শেহতীয়াকৈ চাৰিজন লোকে প্ৰাণ হেৰুৱায়। যোৱা ২৫ জুনৰ পুৱা এটা ইটাভাটাৰ অস্থায়ী শ্ৰমিকৰ ঘৰত তিনিটা মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত যোৱা ছয় জুলাইৰ সন্ধিয়া উক্ত ঘটনাস্থলীৰ সমীপতে ওলমি থকা অৱস্থাত আন এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ ঘটনাটোকে অধিক ৰহস্যঘন কৰি তুলিছে । উল্লেখ্য যে ২৪ জুনৰ নিশা খাটিসোণাৰ জেবিএফ নামৰ ইটাভাটা এটাৰ শ্ৰমিক থকা বাঁহৰ অস্থায়ী ঘৰত সংঘটিত হৈছিল লোমহৰ্ষক হত্যাকাণ্ড। সোণটি বৰা নামৰ এজন লোকৰ তিনিজনীয়া পৰিয়ালটোৰ আটাইকে দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ঘপিয়াই হত্যা কৰিছিল। দুৰ্ভগীয়া সোণটি বৰাৰ লগতে পত্নী আৰু জীয়ৰী এই ঘটনাত হত্যাৰ বলি হৈছিল। ঘটনাস্থলীত উদ্ধাৰ হোৱা বিভিন্ন সামগ্ৰী আৰু হত্যাকাণ্ডত ব্যৱহৃত হোৱা বুলি সন্দেহ কৰা দা আদিৰ আধাৰত মৰিয়নিৰ আৰক্ষীয়ে এই ঘটনাত ভেলেউগুৰি অঞ্চলৰ এজন লোক জড়িত থকাৰ সন্দেহ ব্যক্ত কৰিছিল। কিন্তু ঘটনাৰ ১২ দিনৰ পাছত ঘটনাস্থলীৰ সমীপতে আৰক্ষীয়ে সন্দেহ কৰা তৰুণ দাস নামৰ লোকজনৰ মৃতদেহ গছত ওলমি থকা অৱস্থাত উদ্ধাৰ হোৱাৰ পাছতেই ঘটনা অন্য দিশে গতি কৰে। তৰুণ দাসৰ পৰিয়ালে তৰুণ দাসকো হত্যা কৰা বুলি অভিযোগ উত্থাপন কৰি তেওঁলোকে ন্যায় দাবী কৰে। এতিয়া প্ৰশ্ন হ'ল ঘটনাটোত কেইজন লোক হত্যাৰ বলি হৈছিল? তিনিজন নে চাৰিজন? কালি মৰণোত্তৰ পৰীক্ষাৰ অন্তত তৰুণ দাসৰ মৃতদেহ পৰিয়ালক গতাই দিয়ে আৰক্ষীয়ে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত বহু কথা স্পষ্ট হ'ব বুলি আশা কৰা হৈছে। ইফালে, মৃত তৰুণৰ পৰিয়াল আৰু অঞ্চলটোৰ ৰাইজে জানিবলৈ দিয়া মতে, মৰিয়নিৰ আৰক্ষীয়ে ঘটনাৰ তদন্ত নকৰা বাবেই বৰ্তমানলৈকে কোনো লোকক ধৰিব পৰা নাই। তদুপৰি ঘটনাৰ দিনাৰ পৰাই তৰুণ নামৰ লোকজন নিখোঁজ হৈ আছিল, তাৰ পাছতো আৰক্ষীয়ে কোনো বিচাৰ-খোচাৰ নকৰিলে যাৰ বাবেই তৰুণৰ মৃতদেহ তেনেদৰে ১২ দিনৰ পাছত উদ্ধাৰ হ'ল বুলিও তেওঁলোকে অভিযোগ কৰে। লক্ষ্যণীয় যে ঘটনাৰ দিনাই যোৰহাটৰ আৰক্ষী অধীক্ষক মোহন লাল মীনাই সংবাদ মাধ্যমৰ আগত হত্যাকাৰীৰ ক্লু পোৱা বুলি উল্লেখ কৰিছিল আৰু কম দিনৰ ভিতৰতে হত্যাকাৰীক কৰায়ত্ত কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰিছিল। কিন্তু কাৰ্যত সেয়া হৈ নুঠিল। আনকি ঘটনাটোৰ অনুসন্ধানৰ নামত ১২ জনকৈ লোকক সোধ পোছৰ বাবে আৰক্ষীয়ে আনিছিল যদিও একো শুংসূত্ৰ পোৱা নগ'ল। সিমানতে আৰক্ষীয়েও অনুসন্ধান স্তিমিত কৰিছিল। ইফালে, নকছাৰী আঞ্চলিক ছাত্ৰ সন্থাই এই ঘটনাৰ স'তে জড়িত দোষীক কৰায়ত্ত কৰিবলৈ দাবী জনাই যোৰহাটৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষককলৈ সুকীয়া সুকীয়াকৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছিল। একেদৰে, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তিতাবৰ মহকুমা সমিতি আৰু মৰিয়নি আঞ্চলিক সমিতিয়েও দোষীক কৰায়ত্ত কৰাৰ দাবীৰে স্মাৰকপত্ৰ প্ৰদান কৰিছিল। শেহতীয়াকৈ যোৱা পাঁচ জুলাইত দেবেৰাপাৰ চাৰি আলিত দুপৰীয়া ১২ বজাৰ পৰা সন্ধিয়া ছয় বজালৈ সকলো দোকান-পোহাৰ বন্ধ ৰাখি উক্ত হত্যাকাণ্ডৰ প্ৰতিবাদ জনোৱাৰ লগতে দোষীক কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি দিবলৈ আৰক্ষী আৰু প্ৰশাসনক দাবী জনাইছিল। আছু, আটাছু, বীৰ লাচিত সেনা, দেবেৰাপাৰ চাৰিআলি ব্যৱসায়ী সন্থা আদি কে'বাটাও সংগঠনৰ প্ৰতিনিধিয়ে ঘটনাটোৰ উচিত তদন্ত কৰি দোষীক কৰায়ত্ত কৰাৰ দাবী জনাইছিল। তেওঁলোকে ইয়াৰ বাবে প্ৰশাসনক ৪৮ ঘন্টাৰ সময়সীমাও বান্ধি দিছিল। কিন্তু সময়সীমা উকলাৰ আগেয়েই তৰুণৰ মৃতদেহ উদ্ধাৰ হয়। বিভিন্ন দল-সংগঠনৰ লগতে ৰাইজৰ দাবীকো আৰক্ষী আৰু প্ৰশাসনে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। ইয়াৰ পাছত আৰক্ষীয়ে ঘটনাৰ তদন্ত কিদৰে কৰে সেয়া লক্ষ্যণীয় হ'ব।



ছয়গাঁৱত কৃষকৰ মাজত বীজ বিতৰণ, শুকুৰবাৰে।

# তাই আহোম যুৱ পৰিষদৰ প্ৰতিষ্ঠা দিৱস ঃ স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ৮ জুলাই ঃ** অসমৰ অন্যতম জনগোষ্ঠীয় জাতীয় সংগঠন তাই আহোম যুৱ পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৫ আৰু ১৬ জুলাইত আমগুৰিত অনুষ্ঠিত হ'ব। আমগুৰি নগৰৰ ৰাজহুৱা ভৱনত অনুষ্ঠিত কৰিবলৈ লোৱা প্ৰতিষ্ঠা দিৱসৰ ১৫ জুলাইৰ প্ৰথম দিনৰ কাৰ্যসূচীত পুৱা পতাকা উত্তোলন কৰিব তাই আহোম যুৱ পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চাও বিজয় ৰাজকোঁৱৰ আৰু উদ্‌যাপন সমিতিৰ সভাপতি পুতুল গগৈয়ে। ছ্যুকাফা আলু লাচিত বৰফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব তাইপা কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি চাও অনন্ত ফুকন আৰু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি চাও জিতু গগৈয়ে। মৈদাম তৰ্পণ কৰি তাইপা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক চাও ৰুদ্ৰ সাগৰ বুঢ়াগোহাঁই, বান পি মাংগলিক অনুষ্ঠান পৰিচালনা কৰিব মুখ্য ফুৰালুং সমাজ অসমৰ ম' চাও পদ্ম চাংবুন ফুকনে, বন্তি প্ৰজ্বলন কৰিব তাই ম'লুং মানচাও বুদ্ধেশ্বৰ শেনচোৱাই। ১৬ জুলাইৰ দ্বিতীয় দিনটোৰ কাৰ্যসূচী অনুসৰি পুৱা মোমাই তামুলী বৰবৰুৱা সোঁৱৰণত সমূহীয়া বৃক্ষৰোপণ বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিব শিৱসাগৰ জিলা উপায়ুক্ত মেঘনিধি দাহালে। তাই আহোম যুৱ পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চাও বিজয় ৰাজকোঁৱৰে সভাপতিত্ব কৰিব লগা মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে তিনিচুকীয়া ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক মানচাও উত্তম দুৱৰা, মুখ্য অতিথিৰূপে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মানচাও যোগেন মহন, সন্মানীয় অতিথিৰূপে শিক্ষা, জনজাতি কল্যাণ, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী উন্নয়ন কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। মুকলি সভাতে তাই আহোম যুৱ পৰিষদৰ স্মৃতিগ্ৰন্থ তথা সভাপতি জুৰি শইকীয়া, সম্পাদক সমীৰণ দুৱৰাৰ সম্পাদিত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব শিৱসাগৰ জিলা বিদ্যালয় পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। দুদিনীয়া কাৰ্যসূচীত সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে তাই আহোম যুৱ পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চাও বিজয় ৰাজকোঁৱৰ, উদ্‌যাপন সমিতিৰ সভাপতি পুতুল গগৈ, উদযাপন সমিতিৰ মুখ্য সম্পাদক চাও মৃদুল বাইলুং ফুকন, যুটীয়া সম্পাদক চাও নৃপেন গগৈ, দ্ৰুমিল বৰুৱাই।

# ইটাভাটাত নাবালিকাৰ সলিল সমাধি অভিযোগৰ আঙুলি স্বত্বাধিকাৰীলৈ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৮ জুলাই ঃ** বিহালীৰ একাংশ ইটাভাটা মালিকৰ দৌৰাত্ম্যই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এদিনৰ ব্যৱধানতে সলিল সমাধি ঘটিছে এজন ছাত্ৰ আৰু এগৰাকী ছাত্ৰীৰ। তথ্য মতে, বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰগাঙৰ ইবিআই আৰু চেৰেলীয়াৰ এছ এম ইটাভাটাই অপৰিকল্পিতভাৱে খন্দা দ-গাঁতত পৰি সলিল সমাধি ঘটে দুই শিক্ষাৰ্থীৰ। উল্লেখ্য যে চেৰেলীয়াৰ অঞ্জলি বিৰ্জা নামৰ ১৪ বছৰীয়া বৰগাং হাইস্কুলৰ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীগৰাকীয়ে সমনীয়াৰ স'তে খেলিবলৈ গৈ ইটাভাটাসমূহে জধে-মধে খনন কৰা দ' গাঁতত পৰি যায়। পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে ততাতৈয়াকৈ কেথলিক হাস্পতাললৈ লৈ যায় যদিও চিকিৎসকে কিশোৰীগৰাকীক মৃত বুলি ঘোষণা কৰে। ইয়াৰ পাছতে আজি কিশোৰীগৰাকীক বিহালীলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। আনহাতে, অনুৰূপ ঘটনা বৰগাঙৰ মৰাণগাঁৱত যোৱা পাঁচ জুলাইত সংঘটিত হৈছিল। এগৰাকী ১৪ বছৰীয়া কিশোৰ ইটাভাটাসমূহে খান্দি থোৱা দ' খাৱৈত পৰি মৃত্যুমুখত পৰে। এইক্ষেত্ৰত বিহালী আদিবাসী ছাত্ৰ সন্থাই মৃত্যুবৰণ কৰা দুয়োগৰাকীৰ পৰিয়ালক ইটাভাটাৰ মালিক পক্ষৰ তৰফৰ পৰা উপযুক্ত ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে। বিহালী সমষ্টিত ইটাভাটাসমূহে চৰকাৰী নীতি-নিৰ্দেশনা উলংঘা কৰি কিদৰে প্ৰশাসনক বৃদ্ধাংগুষ্ঠ কৰি কাৰ ছত্ৰছায়াত এইদৰে নিৰ্বিঘ্নে খনন কাৰ্য চলাই গৈছে সেয়া ৰহস্যৰ আৱৰ্তত ।

# শংকৰদেৱ-মাধৱদেৱক জানিবলৈ-বুজিবলৈ প্ৰশিক্ষণ-কৰ্মশালাসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰে

## তেজপুৰত সংগীত নাটক একাডেমীৰ সত্ৰীয়া নৃত্য-খোলবাদন কৰ্মশালাৰ সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৮ জুলাই ঃ** সত্ৰীয়া নৃত্যৰ প্ৰখ্যাত শিল্পী, সংগীত নাটক একাডেমী বঁটা প্ৰাপক হৰিচৰণ ভূঞাৰ অংশগ্ৰহণৰে পহিলাৰ পৰা সাত জুলাইলৈকে তেজপুৰ চানমাৰীৰ দুৰ্গা পূজা মণ্ডপত অনুষ্ঠিত সত্ৰীয়া নৃত্য আৰু খোলবাদন কৰ্মশালা অনুষ্ঠিত হয়। উল্লেখ্য যে তেজপুৰৰ অন্যতম নৃত্যানুষ্ঠান 'সপ্তাশ্ব'ৰ উদ্যোগত আৰু সংগীত নাটক একাডেমীৰ অৰ্থ সাহায্যত সাদিনীয়াকৈ অনুষ্ঠিত সত্ৰীয়া নৃত্য আৰু খোলবাদন কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ওডিছী নৃত্যৰ বিশিষ্ট শিল্পী ড° মাধুৰীমা গোস্বামী, তেজপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ কমল চন্দ্ৰ উপাধ্যায়ৰ



লগতে একাংশ বিশিষ্ট ব্যক্তিৰ উপস্থিতিত মূল প্ৰশিক্ষক বিশিষ্ট সত্ৰীয়া শিল্পী তথা সংগীত নাটক একাডেমী বঁটাপ্ৰাপক ভূঞাই ভাষণ প্ৰসংগত সম্পূৰ্ণ সত্ৰৰ আৰ্হিত শুদ্ধ শৈলীৰে তেজপুৰৰ অন্যতম নৃত্যানুষ্ঠান 'সপ্তাশ্ব' ই দীৰ্ঘদিন ধৰি এই শিল্পৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে বিশেষ তৎপৰতা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰে। দক্ষ নৃত্যশিল্পী ড° প্ৰতিভা শৰ্মাৰ নেতৃত্বত 'সপ্তাশ্ব' নামৰ নৃত্যানুষ্ঠানটোৱে দীৰ্ঘদিন ধৰি সম্পূৰ্ণ সত্ৰসমূহৰ পৰম্পৰাৰ আৰ্হিত শুদ্ধ শৈলীৰে সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰি এক বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি 'সপ্তাশ্ব'ক প্ৰশংসা কৰে সংগীত নাটক একাডেমী বঁটাপ্ৰাপক বিশিষ্ট সত্ৰীয়া শিল্পীজনে। এনে প্ৰশিক্ষণৰ জৰিয়তেই শিশুসকলক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দৰ্শনৰ বিষয়ে অৱস্থাতেই অৱগত হ'ব পৰা পৰিৱেশ সৃষ্টি কৰাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে বুলি মন্তব্য কৰে বিশিষ্ট সত্ৰীয়া শিল্পীজনে। উল্লেখ্য যে সপ্তাশ্বৰ সম্পাদিকা, নৃত্যশিল্পী ড° প্ৰতিভা শৰ্মাই আঁতধৰা এই এই সামৰণি অনুষ্ঠানত কণ কণ শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা সত্ৰীয়া নৃত্য আৰু খোলবাদনৰ সমূহীয়া প্ৰদৰ্শনে উপস্থিত ৰাইজক আপ্লুত কৰে।

# তিনি বছৰে ভূটান গেট বন্ধত ক্ষতিৰ সন্মুখীন শ্ৰমজীৱী-ব্যৱসায়ী

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৮ জুলাই ঃ** চিৰাঙৰ ভূটান সীমান্তৰ দাদগিৰিৰ ভূটান গেট কৰ'না সৃষ্ট পৰিৱেশৰ কাৰণে আজি তিনি বছৰে বন্ধ হৈ আছে। উল্লেখ্য যে চিৰাং জিলাৰ সীমান্তৰ কে'বা হেজাৰ লোকে ভূটানত শ্ৰমিকৰূপে কাম কৰিছিল। তলাবন্ধ হোৱাৰ পাছৰে পৰা এইসকল লোকে হেৰুৱাইছে শ্ৰম। প্ৰায় তিনি বছৰৰ পৰা বন্ধ হৈ আছে গেটখন। যাৰ বাবে সীমান্তৰ বৃহৎ অঞ্চলৰ কে'বাখনো বজাৰ বন্ধ হৈ পৰিছে। দাদগিৰি, হাতীসাৰ, শান্তিপুৰ আদি বজাৰসমূহো বন্ধ হোৱাৰ উপক্ৰম হৈছে। বহু ব্যৱসায়ীয়ে দোকান আদি এৰিবলগীয়া হৈছে। কাৰণ সীমান্ত অঞ্চলৰ বজাৰসমূহ চলিছিল ভূটানৰ লোকৰ ওপৰতে। ভূটানৰ গেট বন্ধ হোৱাৰ পাছত ভূটানী লোক বজাৰ সমূহলৈ নহাত ব্যৱসায় বন্ধ হৈ পৰিছে। একেদৰে ভূটানলৈ গৈ হাজিৰা কৰি খোৱা লোকসকলেও কৰ্মসংস্থাপন হেৰুৱাইছে। ভূটানৰ গেট বন্ধ থকাৰ ফলত মাথোঁ আমদানি-ৰপ্তানিৰ গাড়ীসমূহৰ চলাচল হয় আৰু জৰুৰী কামৰ বাবে অসমৰ পৰা শ্ৰমিক গ'লেও ১৪ দিন কোৱাৰেণ্টাইন থকাৰ পাছত ছমাহৰ কামৰ বাবে যাবলগীয়া হয়। ইফালে, ভূটান সীমান্তত কোনো স্বাস্থ্য কেন্দ্ৰ বা চিকিৎসালয় নথকা বাবে ভূটানৰ গেলেফুত চিকিৎসাৰ সুবিধা লৈছিল সীমান্তবাসীসকলে। কিন্তু গেট বন্ধৰ ফলত চিকিৎসাৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছে সীমান্তবাসী। সীমান্ত সংযোগী বৃহত্তৰ অঞ্চলৰ পথছোৱাও যাতায়াতৰ অনুপযোগী। ফলত সীমান্তৰ লোকসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেয়ে সীমান্তবাসীয়ে ভূটান আৰু ভাৰত চৰকাৰক দুয়ো দেশে আলোচনা মৰ্মে ভূটানৰ গেট খুলি দিবলৈ আহ্বান জনাইছে। যাতে কৰ্মসংস্থাপন হেৰুওৱা লোকসকলে পুনৰ সংস্থাপন লাভ কৰাৰ লগতে অন্যান্য সুবিধাও লাভ কৰিব পাৰে। উল্লেখ্য যে ভূটানৰ বাসিন্দাসকলেও বিপদত পৰিছে। কাৰণ সীমান্তৰ লোকসকলে দুয়ো দেশৰ আদান-প্ৰদানৰ মাজতে চলিছিল।

# কেন্দ্ৰীয় বিদ্যালয়ৰ নামভৰ্তিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী-শিক্ষামন্ত্ৰীলৈ স্মাৰক পত্ৰ মৰিগাঁও যুৱ-ছাত্ৰ পৰিষদৰ



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৮ জুলাই ঃ** মৰিগাঁও জিলাৰ জাগীৰোডস্থিত নগাঁও কাগজ কল ইতিমধ্যে বিকল অৱস্থাত। জিলাখনৰ কাগজ কলটো যদিও বিকল তথাপিও কাগজ কলৰ ভূমিত থকা মৰিগাঁও জিলাৰ একমাত্ৰ কেন্দ্ৰীয় বিদ্যালয়খনৰ পাঠদান কাৰ্যসূচী অব্যাহত আছে। কিন্তু অতি পৰিতাপৰ বিষয় যে এই বৰ্ষত জিলাখনৰ কেন্দ্ৰীয় বিদ্যালয়খনৰ প্ৰথম আৰু একাদশ শ্ৰেণীত নামভৰ্তি হোৱা নাই। কেন্দ্ৰীয় শিক্ষা সংস্থানৰ অন্তৰ্গত এই বিদ্যালয়খনৰ জৰিয়তে জিলাখনৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় শিক্ষা গ্ৰহণ কৰি আহিছে। কিন্তু বৰ্তমান নামভৰ্তি নোহোৱাৰ কাৰ্যত একাংশ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হোৱাৰ লগতে বিদ্যালয়খনৰ ভৱিষ্যতৰ দিনকলৈও এক ডাঙৰ প্ৰশ্নবোধক হৈ পৰিছে। এনে কাৰ্যত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ লগতে অধ্যয়নত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু জিলাবাসীয়ে আশ্চৰ্যবোধ কৰিছে। সেয়েহে জিলাখনৰ একমাত্ৰ কেন্দ্ৰীয় বিদ্যালয়খনত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰি ভৱিষ্যতৰ দিনত যাতে এই বিদ্যালয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সৰ্বভাৰতীয় শিক্ষা গ্ৰহণ কৰিব পাৰে, তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী আৰু সম্পাদক মিৰ্জা আৰিফ আলমৰ স্বাক্ষৰিত এক স্মাৰকপত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ প্ৰেৰণ কৰে।

# জামুগুৰিহাটৰ ইটাখোলাত সেনা বাহিনীৰ বিনামূলীয়া চিকিৎসা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৮ জুলাই ঃ** জামুগুৰিহাটৰ ইটাখোলাত সেনা বাহিনীৰ ১৭ নম্বৰ অসম ৰাইফলছ তথা ২১ ছেক্টৰ লোকৰা বেটেলিয়নৰ তত্বাবধানত বিশ্ব ৰোগ নিৰাময় দিৱস উদ্‌যাপন কৰে। এই উপলক্ষে পৰহি ইটাখোলাস্থিত অসম ৰাইফলছৰ ছাউনীত দিনজোৰা কাৰ্যসূচীৰে বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। চিকিৎসা শিবিৰত ইটাখোলা অঞ্চলটোৰ কে'বা শতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধৰ যোগান ধৰা হয়। উল্লেখ্য যে ১৭ অসম ৰাইফলছৰ লেফটেনেণ্ট কৰ্ণেল ড° ৰাজীৱ ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ৰোগীক স্বাস্থ্যৰ প্ৰতি সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায়। বিনামূলীয়া চিকিৎসা শিবিৰ অসম ৰাইফলছৰ কে'বাগৰাকী সেনাবাহিনীৰ লোকে অংশগ্ৰহণ কৰাৰ লগতে ৰোগীক বিভিন্ন প্ৰকাৰে সহযোগ কৰে। প্ৰতি বছৰে ছয় জুলাইৰ দিনা ১৭ অসম ৰাইফলছৰ ফালৰ পৰা বিশ্ব ৰোগ প্ৰতিৰোধ দিৱস উপলক্ষে দুখীয়া ৰোগীৰ স্বাস্থ্য পৰীক্ষাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰি ৰোগীৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগ কৰি আহিছে।

# ছ'চিয়েল মিডিয়াত বিৰূপ মন্তব্য প্ৰদান কৰা দুষ্কৃতিকাৰীৰ বিৰুদ্ধে আৰক্ষীক এজাহাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৮ জুলাই ঃ** চাহ জনগোষ্ঠী উদ্দেশ্য কৰি ৰূপৰাজ মহন্ত নামৰ এজন লোকে ছ'চিয়েল মিডিয়াত বিৰূপ মন্তব্য কৰাক লৈ উত্তেজিত হৈ পৰিছে চাহ জনগোষ্ঠীৰ লোক। কালি এগৰাকী মহিলাই ছ'চিয়েল মিডিয়াত ৰূপৰাজ মহন্ত নামৰ লোকজনে ছ'চিয়েল মিডিয়াত প্ৰদান কৰা এই মন্তব্য প্ৰত্যক্ষ কৰি সতীৰ্থসকলক অৱগত কৰে। ছ'চিয়েল মিডিয়াযোগে চাহ জনগোষ্ঠী অথবা আদিবাসী লোকসকলক এই পোষ্টৰ জৰিয়তে কেৱল অপমানে নহয়, আদিবাসী লোকসকল অসমীয়া লোক নহয় বুলিও উল্লেখ কৰে। যাৰ বাবে আজি বিশ্বনাথৰ কে'বাগৰাকী লোক সমবেত হৈ বিশ্বনাথ জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হয়। দলটোৱে জিলা আৰক্ষী অধীক্ষক নবীন সিঙক সাক্ষাৎ কৰি এজাহাৰো দাখিল কৰে। আৰক্ষী অধীক্ষকে এই এজাহাৰৰ ভিত্তিত অতি শীঘ্ৰে দুষ্কৃতিকাৰী কৰা.য়ত্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। ইফালে, আৰক্ষী অধীক্ষকে দলটোক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাত সহায় কৰাৰ আশ্বাস প্ৰদান কৰে।

# গোৱালপাৰাৰ মৰনৈস্থিত এইছপিচিএলৰ এল পিজি প্লাণ্টৰ জুই নুমুৱাৰ আখৰা



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ মৰনৈস্থিত হিন্দুস্থান পেট্ৰ'লিয়াম কৰ্প'ৰেচন লিমিটেডৰ এলপিজি প্লাণ্টত জুইৰ সূত্ৰপাত হ'লে কেনেকৈ নুমাব লাগিব তাৰ ওপৰত পৰহি এখন জুই নুমুৱাৰ আখৰা কৰা হয়। এলপিজি প্লাণ্টৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথিৰূপে গোৱালপাৰা জিলা আৰক্ষী অধীক্ষক ভিভি ৰাকেশ ৰেড্ডীয়ে আখৰাৰ তাৎপৰ্য ব্যাখ্যা কৰে। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে অগ্নি নিৰ্বাপক বাহিনীয়ে আখৰাৰ জৰিয়তে মাত্ৰ কেইমিনিটৰ ভিতৰত জুই নিৰ্বাপণ কৰাৰ লগতে উদ্ধাৰ কাৰ্য চলোৱা কাৰ্য সঁচাকৈয়ে প্ৰশংসনীয়। আখৰাত গোৱালপাৰাৰ অগ্নি নিৰ্বাপক বাহিনীৰ ষ্টেছন বিষয়া দয়াল কাকতি, মৰনৈ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু কৰ্মচাৰী ক্ৰমে ডাঃ ছাজিদা বেগম আৰু বিক্ৰম ঘোষৰ লগতে হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেচনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# এআইইউডিএফক উভতি ধৰিলে গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে

**■ গৰিয়া-মৰিয়াক খিলঞ্জীয়াৰ মৰ্যাদা**

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৮ জুলাই ঃ** ৰাজ্য চৰকাৰৰ শেহতীয়া কেবিনেটে ৰাজ্যৰ গৰিয়া-মৰিয়াকে ধৰি পাঁচটা জনগোষ্ঠীক খিলঞ্জীয়াৰ মৰ্যাদা প্ৰদান কৰাত এআইইউডিএফৰ বিধায়ক ৰফিকুল ইছলামে মুছলমানসকলক ভাগ কৰা বুলি দিয়া মন্তব্যত জাঙুৰ খাই উঠিছে গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে। এক বিবৃতিত চৰকাৰৰ সিদ্ধান্তক সংগঠনটোৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক হাছিফুল ইছলামে কয় যে গৰিয়া-মৰিয়াসকল কোনো দিনে মিঞাৰ লগত এক নাছিল। গৰিয়া-মৰিয়াসকল গোষ্ঠীগত তথা সাংস্কৃতিকভাৱে সদায় পৃথক। বিধায়ক ইছলামে মুছলমানসকলক কৰা বুলি কৰা মন্তব্যক সকীয়নি দি গৰিয়া-মৰিয়াসকল পূৰ্বৰে পৰা ঐতিহাসিকভাৱে স্বীকৃতি বুলি মন্তব্য কৰে। বিবৃতিটোত হাছিফুল ইছলামে আকৌ কয় যে গৰিয়া-মৰিয়াসকলক খিলঞ্জীয়াৰ স্বীকৃতি দিয়াত তেওঁলোক জ্বলিছে বুলি উল্লেখ কৰি তাৰ বাবে বাৰ্ণল প্ৰস্তুত কৰি থোৱা বুলিও কয়। এআইইউডিএফক সমালোচনা কৰি কয় যে দলটোৱে ভোট বেংকৰ স্বাৰ্থত মুছলমানসকলক এক কৰি ৰাখিব খুজিছে। অসমৰ গৰিয়া-মৰিয়াসকলৰ অসমৰ জাতি গঠন প্ৰক্ৰিয়াৰ সময়তে অৱদান দি থৈ গৈছে। সেয়ে গৰিয়া-মৰিয়াসকলৰ অসমৰ জাতি গঠন প্ৰক্ৰিয়াৰ সময়তে অৱদান দি থৈ গৈছে। সেয়ে গৰিয়া-মৰিয়াসকলে খিলঞ্জীয়া অসমীয়াৰ স্বাৰ্থত কাম কৰি যাব বুলি উল্লেখ কৰি কাঁটাতাঁৰৰ বেৰ পাৰ হৈ অহা লোকৰ স'তে গৰিয়া-মৰিয়াসকলক একাকাৰ নকৰিবলৈ সকীয়াই দিয়ে।

# ঢেকীয়ালত নাট্য গোষ্ঠী পদাতিকৰ প্ৰতিষ্ঠা দিৱস-অধিবেশন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৮ জুলাই ঃ** গোলাঘাট জিলাৰ ঢেকীয়ালৰ অগ্ৰণী সামাজিক, সাংস্কৃতিক তথা নাট্যানুষ্ঠান নাট্য গোষ্ঠী পদাতিকৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু নৱম দ্বি-বাৰ্ষিক অধিবেশন কালি ঢেকীয়াল সাংস্কৃতিক ভৱনত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন, গছপুলি ৰোপণ, স্মৃতি তৰ্পণৰ পাছতে পদাতিকৰ সভাপতি বীৰেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দেৱব্ৰত শইকীয়াই। বেতিয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক বুবুল দাসে উদ্বোধন কৰা সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াই ঢেকীয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, জ্যোতি শাখা সাহিত্য সভাৰ সভাপতি তথা প্ৰবীণ নাট্যকৰ্মী গণেশ গোস্বামীয়ে। নাট্যকৰ্মী পাৰ্থ প্ৰতিম দত্তই আঁত ধৰা সভাতে সম্পাদকে যোৱা বছৰৰ আয়-ব্যয়ৰ হিচাপ দাখিল কৰে আৰু সভাই গৃহীত কৰে। আগন্তুক বৰ্ষৰ বাবে অৱনী তামুলীক সভাপতি আৰু অলকেশ দত্তক সম্পাদকৰূপে লৈ এখন ২১ জনীয়া সমিতি গঠন কৰা হয়।



দেশী-জনগোষ্ঠীক খিলঞ্জীয়াৰ স্বীকৃতিত উৎফুল্লিত ধুবুৰী ৰাইজ।

# ডুমডুমা ৰাজহ চক্ৰ বিষয়া ৰণনময় ভৰদ্বাজৰ প্ৰশংসনীয় পদক্ষেপ

## গঢ়ি উঠিছে পুথিভঁৰাল

**ডুমডুমা, ৮ জুলাই ঃ** 'মন কৰিলেই চন....' বাক্যশাৰীক পুনৰ প্ৰতীয়মান নিয়াইছে অসম অসামৰিক সেৱাৰ এজন বিষয়াই। চৰকাৰী বিষয়া বা প্ৰশাসনিক বিষয়া মানেই বহু ব্যস্ত বুলিয়েই আমি জানো। কিন্তু সদিচ্ছা থাকিলে যিমানেই ব্যস্ততা নাথাকক কিয়, ব্যস্ততাৰ মাজতো সমাজৰ উন্নয়নৰ কথা ভাবিব পাৰি সেই কথাই এগৰাকী অসম অসামৰিক সেৱাৰ বিষয়াই প্ৰমাণ কৰি দেখুৱাইছে। বিষয়াজন হৈছে তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰ বিষয়া তথা ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়া ৰণনময় ভৰদ্বাজ। বিষয়াজনৰ নেতৃত্বত ব্যস্ততাপূৰ্ণ নগৰ ডুমডুমাত এটা পুথিভঁৰাল গঢ় লৈ উঠিছে। নগৰত থকা ডুমডুমা পৌৰসভাৰ কাৰ্যালয়ৰ ওপৰ মহলাত এটা পুথিভঁৰাল গঢ়ি তুলিছে। পুথিভঁৰালটোত ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰাৰ সুবিধা লাভ কৰিব। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পৰা স্নাতক পৰ্যায়লৈকে ছাত্ৰ-ছাত্ৰীয়ে পুথিভঁৰালটোত অধ্যয়ন কৰিব পাৰিব। বৰ্তমান তেনেই চালুকীয়া অৱস্থাত থকা পুথিভঁৰালটোত বাণিজ্য শাখা আৰু বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীয়েহে অধ্যয়ন কৰিব পাৰিব। শিক্ষাৰ্থীসকলে পুৱা ১০ বজাৰ পৰা বিয়লি পাঁচ বজালৈকে প্ৰতিদিনে অধ্যয়ন কৰিব পাৰিব। আনহাতে, অতি শীঘ্ৰেই কলা শাখাৰ ছাত্ৰ-ছাত্ৰীয়েও অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিব। ইফালে, পুথিভঁৰালত গ্ৰন্থ সংগ্ৰহ আৰু দান দিয়াৰ ক্ষেত্ৰত মাৰোৱাৰী মহিলা মঞ্চ প্ৰগতি শাখা, ডুমডুমাই সহযোগিতা কৰিছে। আনহাতে, কলা শাখাৰ বাবে আৰু পুথিভঁৰালত গ্ৰন্থ সংগ্ৰহৰ ক্ষেত্ৰত ডুমডুমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, পৰিদৰ্শক দিব্যজ্যোতি দত্তয়ো পাৰ্যমানে সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিছে। ব্যস্ততাপূৰ্ণ নগৰ হিচাপে খ্যাত ডুমডুমাত এনেদৰে এটা পুথিভঁৰাল গঢ় দিয়াত নেতৃত্ব লোৱা অসম প্ৰশাসনিক সেৱাৰ বিষয়া ৰণনময় ভৰদ্বাজ, ডুমডুমা পৌৰসভা আৰু সংশ্লিষ্ট পক্ষক ৰাইজে শলাগ লৈছে।

# ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ দিক নিৰ্দেশনা কৰ্মশালা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৮ জুলাই ঃ** লখিমপুৰ জিলাৰ আজাদস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েটৰ) উদ্যোগত পাঁচ আৰু ছয় জুলাইত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ দিক নিৰ্দেশনা কৰ্মশালা অনুষ্ঠিত হয়। লখিমপুৰ পানীন্দ্ৰ বিদ্যালয়ত অনুষ্ঠিত দুদিনীয়া কৰ্মশালাত পঞ্চায়তীৰাজ অনুষ্ঠান, আত্মসহায়ক গোট আৰু বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত সমসাময়িক শিক্ষা ব্যৱস্থাৰ সম্পৰ্কে ডায়েটৰ জিলা সমল গোটৰ প্ৰৱক্তা ইন্দ্ৰজিৎ গ্ৰামে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ বৈশিষ্ট্য সম্পৰ্কে, ডায়েটৰ আইএফআইচি বিভাগৰ প্ৰৱক্তা গুণ গোবিন্দ সোণোৱালে শাৰীৰিক শিক্ষা সম্পৰ্কে সমল ব্যক্তিৰূপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

# কান্দাপাৰাত চুৰিকাণ্ড

**কলগাছিয়া, ৮ জুলাই ঃ** বৰপেটা সদৰ থানাৰ অন্তৰ্গত কান্দাপাৰা বজাৰত চোৰৰ অতপালিত নিদ্ৰাহৰণ হৈছে দোকানীসকলৰ। গাঁওৰক্ষী বাহিনীৰ অৱহেলা আৰু নিষ্ক্ৰিয়তাৰ সুযোগত বজাৰখনত সঘনাই সংঘটিত হৈ আহিছে চুৰিকাণ্ড। যোৱা ছয় জুলাইৰ নিশা কান্দাপাৰা বজাৰৰ দিলদাৰ আহমেদৰ দোকানৰ চালিৰ টিনপাত খুলি চোৰে ভিতৰত প্ৰৱেশ কৰি চুৰিকাণ্ড সংঘটিত কৰে। চোৰে টিনপাত খুলি সোমোৱাৰ চেষ্টা কৰোতে ওপৰৰ পৰা এলবেষ্টাৰৰ টিন ভাঙি পৰাত চিচিটিভি কেমেৰা বিকল হয়। চোৰে এটা এণ্ড্ৰইড টেবলেট, নগদ ২০ হেজাৰ টকা নিবলৈ সক্ষম হৈছে। ওপৰত টিনপাত ভঙাৰ ফলত দোকানৰ বিভিন্ন বৈদ্যুতিক সা-সৰঞ্জামৰ লগতে গ্ৰাহক সেৱা কেন্দ্ৰ আৰু বেংকৰ বিভিন্ন দৰকাৰী নথিপত্ৰ পুৱাৰ পৰা হোৱা বৰষুণত তিতি নষ্ট হৈছে। বৰপেটা আৰক্ষী থানাৰ আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে যোৱা ২০ দিনত কান্দাপাৰা বজাৰত ছখনকৈ দোকানত চুৰি কাণ্ড সংঘটিত হৈছে।


# বামুন্দীত বন মহোৎসৱ উপলক্ষে বৃক্ষৰোপণ



**অগ্ৰদূত বাৰ্তা**

**হাজো, ৮ জুলাই ঃ** ৭৩ সংখ্যক বন মহোৎসৱ উপলক্ষে উত্তৰ কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰীৰ অন্তৰ্গত হাজো উত্তৰ বনাঞ্চল বনাঞ্চলিক বন বিষয়া সংগীতা সিন্‌হাৰ নেতৃত্বত কালি হাজোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগতে বামুন্দী হাইস্কুল প্ৰাংগণত 'বৃক্ষৰোপণ' কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীত উপস্থিত হৈ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাই বৃক্ষৰোপণ কাৰ্যসূচীত উপস্থিত থাকিবলৈ পাই নিজকে ধন্য মানিছে বুলি মন্তব্য কৰি এনেকুৱা বৃক্ষৰোপণ কাৰ্যসূচীয়ে অঞ্চলটোৰ লগতে বামুন্দী হাইস্কুলৰ সেউজ পৰিৱেশ বাতাবৰণ উন্নতি কৰাত যথেষ্ট পৰিমাণৰ সকাহ প্ৰদান কৰিব বুলি মন্তব্য কৰে। কাৰ্যসূচীত উপস্থিত থাকে বামুন্দী হাইস্কুলৰ প্ৰধান শিক্ষক বিপুল কুমাৰ বৰা, কামৰূপ জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক সুৰজিৎ কলিতা, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা মানৱ ঠাকুৰীয়া, সাধাৰণ সম্পাদক সুৰজিৎ কলিতাৰ লগতে বামুন্দী হাইস্কুলৰ কে'বাজনো ছাত্ৰ-ছাত্ৰী।

# নলবাৰী আৰবান কোঃ অপাৰেটিভ বেংক লিমিটেডৰ কৃতী শিক্ষাৰ্থীক অভিনন্দন



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৮ জুলাই ঃ** চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নলবাৰী জিলাৰ স্থানপ্ৰাপ্ত ছয় ছাত্ৰ-ছাত্ৰী, তেওঁলোকৰ অভিভাৱক আৰু বিদ্যালয়ৰ প্ৰধানক নলবাৰী আৰবান কোঃ অপাৰেটিভ বেংক লিমিটেডে পৰহি অভিনন্দন জনায়। বেংকৰ অধ্যক্ষ শিক্ষাবিদ ৰমানাথ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বেংকৰ উপাধ্যক্ষ জ্যোতিষ চন্দ্ৰ ভূএঃাই। বিশিষ্ট অতিথি হিচাপে অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী ৰমণী বৰ্মনে বিদ্যায়তনিক দিশৰ ভালেখিনি সাৰগৰ্ভ ভাষণ দাঙি ধৰে। সভাপতিৰ বক্তব্যৰ পাছত শলাগৰ শৰাই আগবঢ়াই বেংকৰ পৰিচালন সঞ্চালক বাবুল চন্দ্ৰ শৰ্মাই।

# জামুগুৰি সাহিত্য সভাৰ ১০৩ সংখ্যক আমন্ত্ৰণমূলক বক্তৃতানুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৮ জুলাইঃ** বৃহত্তৰ জামুগুৰিহাট অঞ্চলৰ বৌদ্ধিক, সামাজিক তথা সাংস্কৃতিক ক্ষেত্ৰখনত মধ্যমণিৰূপে সৰ্বজন স্বীকৃত সদ্য প্ৰয়াত সু-বক্তা, নিপুণ অভিনেতা, দক্ষ নাট পৰিচালক, অৱসৰপ্ৰাপ্ত অধ্যাপক, সমালোচক, মঞ্চপ্ৰৱৰ প্ৰয়াত ভবেন বৰাৰ জীৱন আৰু কৰ্মৰ নৱপ্ৰজন্মৰ আগত দাঙি ধৰাৰ প্ৰয়াসত জামুগুৰি সাহিত্য সভাই আমন্ত্ৰণমূলক জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। অহা ন জুলাইত জামুগুৰিহাটৰ বাপুজী ভৱন প্ৰেক্ষাগৃহত ১০৩ সংখ্যক আমন্ত্ৰণমূলক জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, বিয়লি জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সাহিত্যানুৰাগী হেমন্ত বৰাৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকিব চতিয়া সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ গৰুখুঁটি কৃষি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকা। অনুষ্ঠানত প্ৰথমলানি বক্তৃতাৰ বিষয়ৰূপে 'বৰ্ণিল ব্যক্তিত্বৰ ভবেন বৰা মানুহজন' শীৰ্ষক বিষয়ত আলোচক হিচাপে দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পুণেশ্বৰ নাথ উপস্থিত থাকিব। দ্বিতীয়লানি বক্তৃতাৰ বিষয়ৰূপে 'নতুন প্ৰজন্মৰ দৃষ্টিত ভবেন বৰা' শীৰ্ষক বিষয়ত আলোচক হিচাপে উপস্থিত থাকিব কাৰ্বি আংলং দেইথৰৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা জামুগুৰিহাটৰ ধলাইবিলৰ এগৰাকী যুৱ বক্তা প্ৰিয়াংকু হাজৰিকা। বক্তৃতা অনুষ্ঠানত সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগিতা কামনা কৰিছে জামুগুৰি সাহিত্য সভাৰ সভাপতি জ্যোতি ভট্টাচাৰ্য, উপ-সভাপতি প্ৰমোদ বৰা, সম্পাদক বাসৱ ভূএঃা আৰু সহকাৰী সম্পাদক কৃষ্ণকান্ত তালুকদাৰে।

# মাজুলী জিলাত উদ্যোগ-বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ উদ্যমিতা বিকাশৰ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৮ জুলাই ঃ** অসম চৰকাৰৰ উদ্যোগ-বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অধীনত জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰ মাজুলীৰ সৌজন্যত আৰু মাজুলীৰ অন্যতম বেচৰকাৰী সংস্থা 'আয়াং ট্ৰাষ্ট'ৰ সহযোগত মাজুলীৰ আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটি এদিনীয়া উদ্যমীয়তা বিকাশ কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে জিলা উদ্যোগ-বাণিজ্য কেন্দ্ৰৰ মাজুলীৰ মহাপ্ৰবন্ধক সঞ্জীৱ ৰাজ কোঁৱৰে। প্ৰায় ১৩০ গৰাকী উদ্যমীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচী উন্মোচন কৰে জিলা উপায়ুক্ত পুলক মহন্তই। তেওঁ জিলাখনত উৎপাদন হোৱা বিভিন্ন কৃষিজাত সামগ্ৰীৰ ওপৰত ভিত্তি কৰি উদ্যোগ আদি প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ ৰাজ্য চৰকাৰৰ অন্যতম ধ্বজবাহক আঁচনি ধান ক্ৰয় আঁচনিৰ ওপৰত আলোকপাত কৰে। জিলা প্ৰশাসনে মাজুলী জিলাত এখন উদ্যোগ পাম প্ৰতিষ্ঠাৰ বাবে ১০০ বিঘা মাটি বিভাগক গতাই দিয়াৰ কথাও উল্লেখ কৰে। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে যথাক্ৰমে সঞ্জীৱ কুমাৰ বৰা জিলা অগ্ৰণী বেংক বিষয়া, ইৰচাদ আলী জিলা কৃষি বিষয়া। তেওঁলোকে নিজ নিজ বিভাগৰ আঁচনিসমূহৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক আৱগত কৰে। এই উপলক্ষে বেচৰকাৰী সংস্থা 'আয়াং ট্ৰাষ্ট'ৰ বিভিন্ন সদস্যই উৎপাদন কৰা সামগ্ৰীসমূহ এখন বিপণীৰ জৰিয়তে প্ৰদৰ্শন কৰা হয়।

# ৰঙাচাহী মহাবিদ্যালয়ত দূৰ শিক্ষা মাধ্যমৰ স্নাতক-স্নাতকোত্তৰ নতুন পাঠ্যক্ৰম আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৮ জুলাইঃ** মাজুলী জিলাৰ মধ্যমাজুলীৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান ৰঙা চাহী মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনস্থ দূৰ শিক্ষা মাধ্যমৰ স্নাতক আৰু স্নাতকোত্তৰ নতুন পাঠ্যক্ৰম আৰম্ভ কৰিছে। এই কথা সংবাদ মাধ্যমক জানিবলৈ দিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱ কুমাৰ গামে। বিশ্ববিদ্যালয়ৰ কে কে এইছ অ' ইউ-নিউ এছ, চি ক'ৰচ ১৬/২০১৫/১৩৮তাৰিখ ১৩ জুন, ২০২২ মতে, আৰম্ভ হোৱা এই নতুন পাঠ্যক্ৰম যোগে বি এ আৰু এম এ আদি পাঠ্যক্ৰমত ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিব পাৰিব। মুক্ত বিশ্ববিদ্যালয়ে মহাবিদ্যালয়ত এনে উচ্চ শিক্ষা প্ৰৱৰ্তন কৰিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যেসমূহ পৰিয়ালবৰ্গ, স্থানীয় ৰাইজ আৰু মাজুলীৰ সচেতন মহলে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। মহাবিদ্যালয়ত উক্ত পাঠ্যক্ৰম অধ্যয়নৰ সন্দৰ্ভত সবিশেষ জানিবৰ মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱ কুমাৰ গামৰ ফোন নম্বৰ ৯৪০১১১২৬৬০ অথবা ৮৬৩৮৭৯৪০৪০ আৰু কেন্দ্ৰ সমন্বয়ক জিতুল দত্তৰ ফোন নম্বৰ ৭০০২৭০৬৭৪৪ৰ লগত, যোগাযোগ কৰিবলৈ জনাইছে। ৰঙাচাহী মহাবিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বিষয়সমূহ অসমীয়া, ৰাজনীতি বিজ্ঞান, শিক্ষাতত্ত্ব, যোগ আৰু যোগকায়স্থ। বিএ পাঠ্যক্ৰমত কলা শাখাৰ বিষয়সমূহৰ লগতে যোগ আৰু যোগ কায়স্থ অধ্যয়নৰ সুবিধা লাভ কৰিবলৈ পাব।

# কলিয়াবৰৰ 'সন্দীপনি বিদ্যামন্দিৰ-ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰতিষ্ঠা দিৱস-নৱাগত আদৰণি সভা



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৮ জুলাই ঃ** কলিয়াবৰ মহকুমাৰ মিছাৰ এক আগশাৰীৰ বেচৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান সন্দীপনি বিদ্যামন্দিৰ আৰু ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সপ্তদশ প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণি সভা পৰহিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পৰহি পুৱা বিদ্যালয়ৰ অধ্যক্ষা মণিকা দেৱী ৰয়ে পতাকা উত্তোলনৰে কাৰ্যসূচীৰ মুকলি কৰে। ইয়াৰ পাছতে নৱাগত আদৰণি সভা আৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। কালি পুৱা ১০ বজাৰ পৰা অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী সৰ্বেশ্বৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিবেশত বৰগীত আৰু সমবেত সংগীতৰে আৰম্ভ হোৱা সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি মৃগাংক শেখৰ ভৰালী বৰুৱা, সম্পাদক প্লাৱন বৰা, মিছা আঞ্চলিক মিলন সংঘৰ বিষয়ববীয়া ৰিপেন শৰ্মা আৰু জগত মেধি, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল হাজৰিকা, সমাজকৰ্মী পুলকজ্যোতি হাজৰিকা আৰু কলিয়াবৰ প্ৰেছ ক্লাবৰ সভাপতি তপন শইকীয়াৰ লগতে কে'বাগৰাকী বিশিষ্ট ব্যক্তি। মুকলি সভাত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক তথা বিশিষ্ট ব্যৱসায়ী ভোলানাথ ৰয়ক সম্বৰ্ধনা জনোৱাৰ লগতে এই বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষা মণিকা দেৱী ৰয়ে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা বিভিন্ন নৃত্য-গীতে সভাত উপস্থিত সকলোকে আপ্লুত কৰে। সভাৰ পূৰ্বে ৰ'দালি শীৰ্ষক বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে সৰ্বেশ্বৰ শইকীয়াই।

# নগাঁৱৰ কৃষি বিভাগৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত

**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ জুলাই ঃ** ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত নগাঁও জিলা কৃষি বিষয়া কাৰ্যালয়ৰ প্ৰশিক্ষণ কক্ষত দুদিনীয়া কাৰ্যসূচীৰে গাঁও প্ৰধানসকলৰ লগত প্ৰাকৃতিক কৃষি সম্পৰ্কে সজাগতা সভাৰ যোৱা ছয় জুলাইত সামৰণি পৰে। 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি প্ৰাকৃতিক কৃষি সন্দৰ্ভত দেশৰ প্ৰধানমন্ত্ৰী বাৰ্তা প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ উদ্দেশ্যে হায়দৰাবাদস্থ ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ ব্যৱস্থাপনা কেন্দ্ৰৰ নিৰ্দেশত অসমৰ প্ৰতিখন জিলাৰ লগতে নগাঁও জিলাতো এই প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হয়। সজাগতা সভা উদ্বোধন কৰি দিয়া ভাষণত জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই কয় যে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰি গুণগত শস্য উৎপাদন কৰিবলৈ প্ৰাকৃতিক কৃষিৰ প্ৰয়োজনীয়তা অতি জৰুৰী। ৰাজ্যিক কৃষি সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক ৰবিজিৎ দত্ত চৌধুৰী আৰু জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰাজীৱ ভূএঃা সজাগতা সভাখনত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। বিষয়াজনে কৃষি কাৰ্যত ৰাসায়নিক সাৰ আৰু ঔষধৰ পৰিৱৰ্তে পচনসাৰ, গোবৰ আদি ব্যৱহাৰ কৰি কিদৰে উৎপাদন বৃদ্ধি কৰিব পাৰি সেই বিষয়ে কয়। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ দীপেন নাথ, বিমান শইকীয়া। সজাগতা সভাৰ আঁত ধৰে নগাঁও মহকুমা কৃষি বিষয়া ভদ্ৰ কুমাৰ বৰাই। সজাগতা সভাত জিলাখনৰ প্ৰায় অৰ্ধ শতাধিক গাঁও প্ৰধানে অংশগ্ৰহণ কৰে।

## মুক্তিযুঁজাৰু ভাৰত চন্দ্ৰ বৈশ্যৰ মৃত্যুৰ ৩৬ ঘন্টা উকলিল

# মুক্তিযুঁজাৰুৰ মৃত্যুৰ খবৰ ল'বলৈ আহৰি নাই কামৰূপ প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৮ জুলাইঃ** শুৱালকুছি বাপুজী পথৰ স্বাধীনতা সংগ্ৰামী তথা মুক্তিযুঁজাৰু ভাৰত চন্দ্ৰ বৈশ্যৰ মৃত্যুৰ ৩৬ ঘন্টা উকলি যোৱাৰ পাছতো খবৰ ল'বলৈ আহৰি নাই কামৰূপ জিলা প্ৰশাসনৰ। যিজন ব্যক্তিয়ে স্বাধীনতা সংগ্ৰামত ইংৰাজৰ বিৰুদ্ধাচৰণ কৰা বাবে বহুবাৰ জেল খাটিবলগীয়া হৈছিল। তেওঁলোকৰ ত্যাগৰ বিনিময়ত ভাৰতে স্বাধীনতা লাভ কৰিছিল। তেনে এগৰাকী ব্যক্তিৰ শেষ যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ প্ৰশাসনৰ সময়ৰ অভাৱ হোৱাত দুখ প্ৰকাশ কৰিছে স্থানীয় বাসিন্দাসকলে। ইফালে, মুক্তি যুঁজাৰুজনক জীৱিত অৱস্থাত কেৱল স্বাধীনতা দিৱসৰ দিনাই প্ৰশাসনৰ মনত পৰে। উক্ত দিনা তেওঁক আদৰ-সাদৰ কৰি নি ফুলদানি কৰি সজাই চৰকাৰী কাৰ্যসূচী নিয়াৰিকৈ সমাপন কৰাৰহে উদ্দেশ্যে তেওঁক মনত পেলায় বুলি পৰিয়ালৰ লোকে ক্ষোভ উজাৰে। বিগত সময়ছোৱাত সংগ্ৰামীজন শয্যাশায়ী হৈ থকাৰ সময়তো এবাৰলৈ প্ৰশাসনৰ তৰফৰ পৰা তেওঁৰ খবৰ লোৱা নাছিল। বাতৰি লিখা পৰলৈ কামৰূপ প্ৰশাসনৰ পৰা কোনো এজনো মৃত্যুৰ সমবেদনা জনাবলৈ মৃতকৰ ঘৰত উপস্থিত নোহোৱাত দুখ প্ৰকাশ কৰে। স্বাধীনতা সংগ্ৰামীজনক মৃত্যুৰ পাছত কৰা এনে আচৰণক গৰিহণা দিছে সচেতন মহাল।



জামুগুৰিহাটৰ বিদ্যালয়ত হাতে লিখা আলোচনী উন্মোচন, শুকুৰবাৰে।

## বিহালীত বনৰীয়া হাতীৰ মুক্ত বিচৰণ

# এচকুৱা অকলশৰীয়া হাতীয়ে তহিলং কৰিছে কৃষকৰ কঠীয়া

অগ্ৰদূত বাৰ্তা

**বিহালী, ৮ জুলাইঃ** বিহালীত শেহতীয়াকৈ এটা অকলশৰীয়া বনৰীয়া হাতীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এটা চকুৰে মণিব নোৱাৰা হাতীটোৱে অঞ্চলটোৰ ৰাংছালী, দলনী, চেনিমাৰী, ঢেকেৰা পথাৰ, কমাৰপুখুৰী, থানবিহালী আদি গাঁৱৰ খেতিপথাৰত কঠীয়া গচকি নষ্ট কৰিছে। ইফালৰ পৰা সিফাললৈ ঢপলিয়াই ফুৰা এচকুৱা হাতীটোৱে বিগত ৯-১০ দিনে পৰ্যাপ্ত খাদ্যৰ অভাৱতো ভুগিছে। যিহেতু এখন গাঁৱৰ পৰা আনখন গাঁৱলৈ ঘূৰি ফুৰা হেতুকে মানুহে হৈ চৈ কৰি খেদি দিয়ে, ফলত খাদ্য নোখোৱাকৈ থাকিব লগা হৈছে। এনেদৰে আৰু কিছুদিন থাকিলে অতি শীঘ্ৰেই হাতীটো বেমাৰত আক্ৰান্ত হৈ মৃত্যু মুখতো পৰিব পাৰে। বনকৰ্মীয়ে পহৰা দিয়াৰ ব্যৱস্থা কৰিছে যদিও অহৰ্নিশে ঘূৰি ফুৰা হাতীটোক খাদ্যৰ ব্যৱস্থা কৰিব পৰা সুবিধা নথকাত তীব্ৰ খাদ্য সংকটত পৰিছে। সেয়েহে সচেতন মহলে বন বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষক হাতীটোৰ চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে পৰ্যাপ্ত খাদ্যৰ বাবে সুৰক্ষা প্ৰদান কৰিবলৈ দাবী জনাইছে।

# ঢেকিয়াজুলিৰ মাজৰৌমাৰী-বৰছলাৰ অৰিয়াণ্টলীত নতুন শাখা গঠন

■ শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সাংগঠনিক তৎপৰতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৮ জুলাই ঃ** ৰাজ্যখনৰ নাট্যক্ষেত্ৰৰ এক অগ্ৰণী জাতীয় অনুষ্ঠান 'অসম নাট্য সন্মিলন'ৰ শোণিতপুৰ জিলা সমিতিয়ে সাংগঠনিক তৎপৰতা অব্যাহত ৰাখিছে । নিষ্ক্ৰিয় হৈ থকা শাখা সমিতিক পুনৰ সক্ৰিয় কৰি তোলাৰ পদক্ষেপ গ্ৰহণৰ লগতে জিলাখনৰ ভিন্ন স্থানত সন্মিলনৰ নতুন নতুন শাখা সমিতি গঠন কৰি সাধাৰণ সদস্য আৰু আজীৱন সদস্য ভৰ্তিকৰণৰে জিলাখনৰ সাংগঠনিক স্থিতি শক্তিশালী কৰিবলৈ প্ৰচেষ্টা চলিছে। ইয়াৰে অংশৰূপে চাৰি জুলাইত ঢেকিয়াজুলি ৰাজহ চক্ৰ



অঞ্চলৰ মাজৰৌমাৰীক কেন্দ্ৰ কৰি আমতল ভেৰগাঁও, নাহৰবাৰী, নতুনবস্তি, ফুলতল, লা-বাৰী, দীঘলপাৰ আৰু বালিসুঁতিকে ধৰি বৃহত্তৰ অঞ্চলটোৰ নাট্যানুৰাগী ৰাইজক সামৰি এটা নতুন শাখা গঠনৰ উদ্দেশ্যে শোণিতপুৰ জিলা নাট্য সন্মিলনৰ আহ্বানত মাজৰৌমাৰী সমূহীয়া ভৱনত এখন সাধাৰণ সভা অনুষ্ঠিত হয় । স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক তথা একালৰ মঞ্চাভিনেতা ১৩ পৃষ্ঠাত চাওক

# জামুগুৰিহাটৰ বিদ্যালয়ত গ্ৰীষ্মকালীন উৎসৱত হাতে লিখা আলোচনী উন্মোচন

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৮ জুলাইঃ** জামগুৰিহাটৰ নদুৱাৰ জাতীয় বিদ্যালয়ত অলপতে গ্ৰীষ্মকালীন উৎসৱ আৰু হাতে লিখা আলোচনী উন্মোচনৰ এখন সভা অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যপুথিৰ জ্ঞানৰ সামন্তৰালকৈ বৌদ্ধিক উৎকৰ্ষ সাধনৰ উদ্দেশ্য আগত ৰাখি অনুষ্ঠিত কৰা উৎসৱ উপলক্ষে অনুষ্ঠিত কৰা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ নগেন বৰাই। সভাত জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক চিত্ৰশিল্পী ধৰণীধৰ দাসে উন্মোচকৰ আসন গ্ৰহণ কৰে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীত আৰু প্ৰণালিকা শইকীয়াৰ বৰগীতেৰে আৰম্ভ কৰা সভাত হাতে লিখা আলোচনী প্ৰকাশ সন্দৰ্ভত শিক্ষক বিশ্বজিত কলিতাই বক্তব্য দাঙি ধৰে। বিদ্যালয়ৰ অধ্যক্ষ নগেন বৰাই দায়িত্ব গ্ৰহণ কৰাৰ পাছত বিদ্যালয়খন সুন্দৰকৈ ১৩ পৃষ্ঠাত চাওক

# প্ৰৱঞ্চক দম্পতীৰ সন্ধানত মেৰাপানীত মণিপুৰৰ প্ৰখ্যাত নাট্যকৰ্মী

## প্ৰৱঞ্চকে লুটিলে লাখ লাখ টকা

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৮ জুলাই ঃ** এক প্ৰৱঞ্চক দম্পতীৰ প্ৰৱঞ্চনাৰ বলি হৈ সৰ্বস্বান্ত হ'ব লগাত পৰিছে মণিপুৰৰ এগৰাকী প্ৰবীণ নাট্যকৰ্মী। মণিপুৰৰ প্ৰখ্যাত নাট্যকৰ্মী, পৰিচালক, অভিনেতা বীৰ মংগল সিঙে এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ অলিয়ে-গলিয়ে সন্ধান কৰি ফুৰিছে প্ৰৱঞ্চক দম্পতীৰ। মণিপুৰৰ কাকচিং জিলাৰ চামুৰাইলাটপাম কৃষ্ণ দাস আৰু পত্নী প্ৰিয়ংকা দেৱী নামৰ দুই প্ৰৱঞ্চকে শিল্পী সিঙৰ লগতে আন একাংশ লোকৰ পৰা কৌশলেৰে লাখ লাখ টকা আত্মসাৎ কৰি ইতিমধ্যে পলায়ন কৰিছে মণিপুৰৰ পৰা। নাট্যকৰ্মী সিঙৰ পত্নীক নানা প্ৰলোভন দি প্ৰৱঞ্চক কৃষ্ণ আৰু প্ৰীয়ংকাই সাঁচতীয়া চাৰি লাখ টকা হস্তগত কৰাৰে পৰা সন্ধানহীন হৈ আছে দুই প্ৰৱঞ্চক স্বামী-স্ত্ৰী। ইফালে, সিঙৰ সম্পৰ্কীয় ভ্ৰাতৃ টমচৌ সিঙৰ পৰাও সৰ্বমুঠ পাঁচ লাখ টকা লৈ উধাও হৈছে কৃষ্ণ আৰু প্ৰিয়ংকা নামৰ দুই প্ৰৱঞ্চক। বিগত এটা মাহে প্ৰৱঞ্চকদ্বয়ৰ কোনো সন্ধান নোলোৱাত এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ ইখনৰ পাছত সিখন ৰাজ্যৰ অলিয়ে-গলিয়ে প্ৰৱঞ্চকৰ সন্ধানত ঘূৰি ফুৰিছে দুই ভুক্তভোগী ভ্ৰাতৃয়ে। মণিপুৰ আৰু নগালেণ্ডৰ বিভিন্ন প্ৰান্তত ঘূৰি কোনো শুংসূত্ৰ নোপোৱাত কালি দুয়োজন ভুক্তভোগী প্ৰৱঞ্চকৰ সন্ধানত উপস্থিত হয় মেৰাপানীত। কিন্তু মেৰাপানীৰ বিভিন্ন সূত্ৰত খবৰ কৰিও কোনো সম্ভেদ নাপালে প্ৰৱঞ্চক স্বামী-স্ত্ৰী কৃষ্ণ আৰু প্ৰিয়ংকাৰ। উল্লেখ্য যে দুই ভুক্তভোগীয়ে ঘটনা সন্দৰ্ভত মণিপুৰৰ কাকচিং আৰক্ষীৰ ওচৰত গোচৰ ৰুজু কৰিছিল যদিও আৰক্ষীয়েও অদ্যাপি কোনো সম্ভেদ উলিওৱাব পৰা নাই প্ৰৱঞ্চকদ্বয়ৰ। বুধবাৰে মেৰাপানীতো প্ৰৱঞ্চকৰ সন্ধান নাপাই নিৰাশ হৈ পুনৰ মণিপুৰলৈ উভতি গৈছে নাট্যকৰ্মীজনে।

# ৰৌতাত পথ দুৰ্ঘটনাত থিতাতে দুজন মৃত্যু

অগ্ৰদূত বাৰ্তা

**টংলা, ৮ জুলাই ঃ** ওদালগুৰি জিলাৰ ৰৌতাত আজি পুৱা প্ৰায় ৩-১৫ বজাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। প্ৰাপ্ত তথ্য অনুসৰি লালপুলৰ পৰা ৰৌতা চাৰিআলিৰ অভিমুখে এ ছ-২৭ বি-৭৪৪৯ নম্বৰৰ মটৰ চাইকেলত তিনিজন লোক গৈ থকা অৱস্থাত একে দিশে গৈ তথা এ এছ-২৩ বি চি-১১৪৪ নম্বৰৰ ট্ৰাকে পিছফালৰ পৰা খুন্দিয়ায়। ফলত থিতাতে দুজন লোকৰ মৃত্যু হয় আৰু গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ আহত লোকজনক ৰৌতা আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে। মৃত লোক দুজনৰ মৃতদেহ চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ঘটনাটোত জড়িত ট্ৰাকখন জব্দ কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে ট্ৰাক চালকজন ঘটনাস্থলীত ট্ৰাকখনে এৰি পলায়ন কৰে। মৃত লোক দুজন ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত সমান্তৰালভাৱে বজৰাঝাৰ আৰু ৰৌতা মহাবিদ্যালয় পথৰ নিবাসী ক্ৰমে প্ৰেম এক্কা (৩০) আৰু তৰুণ তাৰ্কি (৩১)। আনহাতে আহত লোকজন ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গথ বজৰাঝাৰৰ নিবাসী বৰথনেমিও কুজুৰ (২৮)।

# ৰংজুলিত পঞ্চায়ত ৱাৰ্ড সদস্যৰ আইনী কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ৮ জুলাইঃ** অসম ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন অভিকৰণ প্ৰতিষ্ঠানৰ সহযোগত আৰু ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম, গুৱাহাটীৰ উদ্যোগত গোৱালপাৰা জিলাৰ ৰংজুলি, বালিজনা, মাটিয়া, লক্ষীপুৰ আৰু কুশধোৱা উন্নয়ন খণ্ডৰ অধীনত মুঠ ৩৮ খন গাঁও পঞ্চায়তৰ তিনিশ গৰাকী পঞ্চায়ত সদস্য-সদস্যা, সভাপতিসকললৈ আইনী কৰ্মশালা অনুষ্ঠিত কৰা হয়। ২৮ জুনৰ পৰা আঠ দুদিনীয়াকৈ অনুষ্ঠিত ১০খন কৰ্মশালাৰ আজি ৰংজুলিত সামৰণি পৰে। দুদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাত ৰংজুলি পঞ্চায়তৰ সভানেত্ৰী স্বপ্না ৰাভাই সভা উদ্বোধন কৰি কয় যে মহিলাৰ সুৰক্ষাৰ বাবে ন্যায় ব্যৱস্থাই দিয়া সেৱা সমূহ নজনাৰ বাবে আজিও আইনী সুবিধাৰ পৰা পিছপৰি ৰৈছে। মহিলাৰ বাবে থকা আইনসমূহে সকলো মহিলাকে উপকৃত কৰিব বুলি তেওঁ কয়। সভাত আইনী সমল ব্যক্তি হিমাংশু শইকীয়াই আঁত ধৰি কয় যে দেশৰ ন্যায় ব্যৱস্থা সকলোৰে বাবে, এই বিশ্বাস ৰাইজৰ মাজত আনিব লাগিব। ন্যায় কেৱল ধনী, ক্ষমতাশালীৰ বাবে নহয়, ন্যায় সকলোৰে বাবে। দুখীয়া, বঞ্চিতসকলেও ন্যায় পাব। ইয়াৰ ১৩ পৃষ্ঠাত চাওক

# মিঞাসকল খিলঞ্জীয়া নহ'লে কোনোৱেই খিলঞ্জীয়া নহয়

## মিঞা পৰিষদ ঃ চৰকাৰৰ ব্যৰ্থতা ঢাকিবলৈ প্ৰতি সপ্তাহত বিতৰ্কিত বিষয় অৱতাৰণাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৮ জুলাইঃ** মিঞাসকল খিলঞ্জীয়া নহ'লে কোনেও খিলঞ্জীয়া নহয়। কালি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সভাকক্ষত এখন সংবাদমেল সম্বোধন কৰি এইদৰে মন্তব্য কৰে অসম মিঞা অসমীয়া পৰিষদৰ কেন্দ্ৰীয় সভাপতি এম মহৰ আলীয়ে। সভাপতিজনে আৰু কয় যে মিঞাৰ মাজত কোনো প্ৰব্ৰজন লোক নাই। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ব্যৰ্থতা ঢাকিবলৈ প্ৰতি সপ্তাহত অপ্ৰত্যাশিতভাৱে কিছুমান বিতৰ্কিত বিষয়ৰ অৱতাৰণা কৰি আহিছে। ইয়াৰ জৰিয়তে ৰাইজৰ মাজত বাক-বিতৰ্ক, উত্তেজনা আদি সৃষ্টি কৰি আহিছে যাতে চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে সৰ্বসাধাৰণ



ঐক্যবদ্ধ হ'ব নোৱাৰে। উল্লেখ্য যে বিজেপিৰ তদানীন্তন মুখপাত্ৰ পঁপুৰ শৰ্মাৰ দ্বাৰা হজৰত মহম্মদৰ বিৰুদ্ধে কৰা আপত্তিজনক মন্তব্যক লৈ দেশ-বিদেশত প্ৰতিবাদ হোৱা, বুলডজাৰেৰে প্ৰতিবাদকাৰীৰ ঘৰ-বাৰী, সা-সম্পত্তি ভাঙি দিয়া, নূপুৰ শৰ্মাক দেশবাসীৰ ওচৰত ক্ষমা খুজিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অমান্য কৰা, শৰ্মাক আজিলৈকে গ্ৰেপ্তাৰ নকৰা আদিয়ে গোটেই বিশ্বৰ মুছলমানৰ অন্তৰত পোৰা আঘাতৰ দৰেই অসমৰ মুছলমানেও ১৩ পৃষ্ঠাত চাওক

# বানে ধোৱা বৰশিমলুৱাত শতাধিক বানাক্ৰান্তৰ মাজত সাহায্য

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ৮ জুলাই ঃ** সদ্য বানে ধোৱা নলবাৰী জিলাৰ অন্তৰ্গত বৰশিমলুৱা গাঁৱত গুৱাহাটীৰ 'সৃজনী' নামৰ এটা মহিলা গোটে কালি বানপীড়িত এশটা দৰিদ্ৰ পৰিয়ালৰ মাজত কেতবোৰ অতি প্ৰয়োজনীয় কেতবোৰ সামগ্ৰী আগবঢ়ায়। গুৱাহাটী মহানগৰীৰ তৰুণ নগৰৰ এই মহিলা গোটটোৰ ১৫ গৰাকীকৈ সদস্যই কালি বৰভাগৰ অতি ভিতৰুৱা গাঁওখনলৈ গৈ বানপীড়িত পৰিয়ালসমূহৰ দুখ-দুৰ্দশাৰ বুজ লৈ ডেৰ লক্ষাধিক টকাৰ বিভিন্ন সামগ্ৰী বিতৰণ কৰে। মহিলা দলটোৱে বানপীড়িতসকলৰ মাজত ১০০ কেজি মচুৰ দাইল, ৫০ কেজি চিৰা, ৫০ লিটাৰ মিঠাতেল, পাঁচ কেজি চাহ, ৫০ কেজি বিস্কুটৰ ১০০ পেকেট, আমূল টাজা ছকাৰ্টন, টুথপেষ্ট ১০০ টা, কাপোৰ ধোৱা



চাবোন ১০০ টা, গা ধোৱা চাবোন ১০০ টা, অ'আৰ এছ চাৰি কাৰ্টন, ছেনিটাৰি নেপকিন ১০০ পেকেট, বিশুদ্ধ খোৱা পানী বটল ১৫ কাৰ্টন, মচকুইটক্স কইল ১০০ পেকেট, দিয়াচলাই (ডাঙৰ) ১০০ টা, কেণ্ডেল, ভিটামিন ঔষধ, পুৰুষ-মহিলা উভয়ৰে কাপোৰ আদি বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। লক্ষ্যণীয়ভাৱে উক্ত দলটোত আছিল কে'বাগৰাকীও ৮০ উৰ্ধৰ মহিলা। 'সৃজনী' নামৰ মহিলা গোটটোৰ এই ১৫ গৰাকী সদস্য হৈছে-বন্দনা বৰুৱা (সভানেত্ৰী), মধুমিতা চেতিয়া (সম্পাদিকা), ডাঃ চপলা পাটোৱাৰী, মিতালী শৰ্মা, ফাহমিদা ৰহমান, মালা মুখাৰ্জী, কৃষ্ণা বৰুৱা, ১৩ পৃষ্ঠাত চাওক

# বয়োজ্যেষ্ঠ মহিলা কুসুম বালা লহকৰৰ মৃত্যুত বাহাৰঘাটত শোক

অগ্ৰদূত বাৰ্তা



**বাহাৰঘাট, ৮ জুলাইঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত পূৰ্ণদৈচপৰা (লহকৰপাৰা) নিৱাসী বয়োজ্যেষ্ঠ মহিলা তথা বৃহত্তৰ অঞ্চলটোৰ বিশিষ্ট সমাজসেৱক প্ৰয়াত চানাৰাম লহকৰৰ সহধৰ্মিণী কুসুম বালা লহকৰ (৯৪)ৰ পুৱা বাহাৰঘাটস্থ বাসভৱনত মৃত্যু হয়। আজি তেওঁৰ মৃত্যুৰ বাতৰি পোৱা মাত্ৰকে গুণমুগ্ধই শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গক সমবেদনা জনায়। তেওঁৰ মৃত্যুত লহকৰপাৰা জনশিক্ষা পুথিভঁৰাল, লহকৰপাৰা গাঁও উন্নয়ন সমিতি, বাহাৰঘাট চ'ক ব্যৱসায়ী সন্থা, হাজো সমষ্টিৰ অন্তৰ্গত বৰপূল্লা গাঁও উন্নয়ন সমিতি, বৰপূল্লা বাৰোৱাৰী দুৰ্গা পূজা সমিতি, পশ্চিম বড়িগোগ শাখা সাহিত্য সভা আদি কৰি বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। উল্লেখ্য যে তেওঁৰ মৃত্যুৰ কেইবছৰমান আগতে জ্যেষ্ঠ পুত্ৰ-বোৱাৰীৰ মৃত্যু হৈছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ-বোৱাৰী আৰু পাঁচ গৰাকী জী-জোঁৱাইৰ লগতে অসংখ্য নাতি-নাতিনী সমন্বিতে গুণমুগ্ধক ইহসংসাৰত এৰি যায়। উল্লেখনীয় কথা যে অসম ৰাজ্যিক বিজেপি কিষাণ মৰ্চাৰ ৰাজ্যিক সাধাৰণ সম্পাদক নিবাৰণ লহকৰৰ আইতাক আছিল প্ৰয়াত লহকৰ।

# অৱসৰপ্ৰাপ্ত গাঁওপ্ৰধান ফৰমুদ আলীক ঘগ্ৰাপাৰৰ লাটিমাত ৰাজহুৱা সম্বৰ্ধনা



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ৮ জুলাই ঃ** ৰাজ্য চৰকাৰৰ সিদ্ধান্ত অনুসৰি চলিত বৰ্ষৰ পৰা ৬৫ বছৰ উৰ্ধ্বৰ গাঁওপ্ৰধানসকলক অৱসৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। সেইমৰ্মে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তথা ৬৫ বছৰ উৰ্ধ্বৰ সাত গৰাকী গাঁওপ্ৰধানক অৱসৰ প্ৰদান কৰে । ইয়াৰে কুন্দৰগাঁও-জাৰবিহাটী, বৰজাৰবিহাটী আৰু বৰধনৰা লাটৰ লাট গাঁওবুঢ়া (বৰ্তমানে গাঁওপ্ৰধান) ফৰমুদ আলীয়েও অৱসৰ গ্ৰহণ কৰে। ১৯৭৩ত ফৰমুদ আলীয়ে গাঁওপ্ৰধান পদত যোগদান কৰি গাঁওকেইখনৰ লোকসকলৰ লগত নিজৰ পৰিয়ালৰ লেখীয়াকৈ থাকি নিজৰ কৰ্ম সুচাৰুৰূপে পালন কৰিছিল। তেওঁ কৰ্মৰত সময়ছোৱাত সততা আৰু নিষ্ঠাৰে কৰ্তব্য আৰু দায়িত্ব পালন কৰাৰ লগতে বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি কৰ্ম নিপুণতা প্ৰদৰ্শন অথবা এই সন্মানীয় পদতো ক'তো চেকা নলগোৱাকৈ অতি সুন্দৰভাৱে সমাপন কৰাৰ পৰিপ্ৰেক্ষিতত কৃতজ্ঞতা স্বৰূপে অঞ্চলবাসী ৰাইজে তেওঁক আজি মুখ্যমন্ত্ৰীৰ পিতৃ গাঁও ঘগ্ৰাপাৰৰ লাটিমাত ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। ১৩ পৃষ্ঠাত চাওক

# চাবুৱাৰ বালিজান নলাত পানীত উঁৱলি যোৱা মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদুত বাৰ্তা

**চাবুৱা, ৮ জুলাই ঃ** আজি পুৱাই বালিজান নলাত পানীত উৱলি যোৱা মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো বালিজান পানী এৰা চাপৰি গাঁৱৰ মীৰা বাউৰী (৪৫) বুলি চিনাক্ত কৰা হৈছে। কে'বাদিনৰ পৰা মহিলাগৰাকী নিখোঁজ হৈ থকাৰ পাছতে আজি মৃতদেহ উদ্ধাৰ কৰা হয়। পৰিয়ালৰ লোকে বিন্ধাকটা আৰক্ষী চকীত মহিলাগৰাকী নিখোঁজ হৈ থকা সন্দৰ্ভত জনাইছিল যদিও আজি ওপঙি থকা অৱস্থাত মীৰা বাউৰীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সন্দেহ কৰা অনুসৰি মহিলাগৰাকীয়ে আত্মহত্যা কৰিছে।

# কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থাৰ সম্বৰ্ধনা সভা সম্পন্ন

■ মানপত্ৰ নগদ ধন আৰু গামোচাৰে সম্বৰ্ধনা কৃতী ছাত্ৰ-ছাত্ৰীক

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৮ জুলাই ঃ** সদ্য ঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃষ্ণাই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে কালি গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক মটৰ শ্ৰমিক সন্থাই এক সম্বৰ্ধনা সভাৰ আয়োজন কৰে। আজি দিনৰ ১১ বজাত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে সন্থাৰ সভাপতি পৰিতোষ সাহাই। সন্থাৰ সম্পাদক আব্দুল কালামে সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু উপ-সভাপতি গুলজাহাৰ আলীয়ে চিনাকি পৰ্বৰ আঁতধৰা আজিৰ সম্বৰ্ধনা সভাত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত বাণিজ্য শাখাত



ষষ্ঠ স্থান লাভ কৰা কৃষ্ণাইৰ কৃতী ছাত্ৰ মৃণাল ৰায় আৰু বিজ্ঞান শাখাত নৱম স্থান লাভ কৰা কৃষ্ণাইৰ আন এজন কৃতী ছাত্ৰ প্ৰীতম সৰকাৰক মানপত্ৰ, গামোচা আৰু নগদ ধনৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। তেনেদৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃষ্ণাইৰ পৰীক্ষা কেন্দ্ৰ দুটাৰ পৰা সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলকো সম্বৰ্ধনা পত্ৰ, গামোচা আৰু নগদ ধনৰ একোটা টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল হ'ল কৃষ্ণাই মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰীক্ষাৰ্থী নিৰু নিহৰুৱা জামান আৰু কৃষ্ণাই হাব্ৰাঘাট চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ চাৰিগৰাকী ১৩ পৃষ্ঠাত চাওক

# তামুলীখাতত যুৱকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৮ জুলাইঃ** টেঙাখাত আৰক্ষী থানাৰ অন্তৰ্গত তামুলীখাত গাঁৱত যোৱা নিশা দীপাংকৰ সন্দিকৈ (২২) নামৰ এজন যুৱকে নিজৰ ঘৰৰ কোঠাতে চিপ লৈ আত্মহত্যা কৰে। পৰিয়ালৰ খবৰৰ ভিত্তিত টেঙাখাত থানাৰ আৰক্ষীয়ে আহি যুৱকজনৰ মৃতদেহটো উদ্ধাৰ কৰে। বিবাহিতা দীপাংকৰ সন্দিকৈয়ে পাৰিবাৰিক কন্দলৰ পৰাই আত্মহত্যাৰ দৰে জীৱনৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। আজি পুৱা লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজ হাস্পতাললৈ টেঙাখাত থানাই প্ৰেৰণ কৰে।

# লক্ষীপুৰত ২৫ হেক্টৰ ভূমিত বন্যহস্তীৰ খাদ্য সম্পৰ্কীয় গছপুলি ৰোপণ বন বিভাগৰ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ৮ জুলাই ঃ** পহিলা জুলাইৰ পৰা ৰাজ্যখনত চলি থকা 'বন মহোৎসৱ'ৰ কালি অন্তিম দিন। এই অন্তিম দিনটোৰ লগত সংগতি ৰাখি গোৱালপাৰাৰ লক্ষীপুৰ সংৰক্ষিত বনাঞ্চল বান্দৰমাথাত এক লক্ষ গছপুলি ৰোপণৰ উদ্দেশ্যে আজিৰে পৰা বন বিভাগে আৰম্ভ কৰিলে গছপুলি ৰোপণ প্ৰক্ৰিয়া। বান্দৰমাথা বনাঞ্চলৰ নিৰ্ধাৰিত ২৫ হেক্টৰ ভূমিত ৰোপণ কৰিবলগীয়া এক লক্ষ গছপুলিৰ ভিতৰত অধিকাংশই হ'ব বন্য জীৱ-জন্তুৰ খাদ্য সম্পৰ্কীয় গছপুলি। বিশেষকৈ আম, কঁঠাল, ঔটেঙা, বনৰীয়া বাঁহ, অৰ্জুন গছ আৰু ক্ৰস গছ (হাতীৰ ঔষধি গছ) আদি গছপুলি ৰোপণৰ ব্যৱস্থা লৈছে বন বিভাগে। বনাঞ্চলত এনে ধৰণৰ গছপুলি ৰোপণৰ মূল উদ্দেশ্য হৈছে বন্যহস্তীৰ লগতে অন্যান্য বন্যপ্ৰাণীয়ে যাতে বনাঞ্চলতে পৰ্যাপ্ত খাদ্য লাভ কৰে। লগতে সংৰক্ষিত বনাঞ্চলৰ বিভিন্ন দাঁতিকাষৰীয়া গাঁওবাসীয়েও বন্যহস্তীৰ উপদ্ৰৱৰ পৰা যাতে পৰিত্ৰাণ পায় আৰু তাৰেই একপ্ৰকাৰ প্ৰয়াস কৰিছে বন বিভাগে। উল্লেখ্য যে বিগত পাঁচ বছৰ ধৰি লক্ষীপুৰ বনাঞ্চলত আশ্ৰয় লৈ আছে এটা বৃহৎ বন্যহস্তীৰ জাক। জাকটোত আছে ৪২টাকৈ হাতী। সেই জাকটোৱে অতদিনে এটাৰ পাছত আন এটা গাঁৱত চলাই আহিছে উপদ্ৰৱ। ক্ষুধাৰ্ত বন্যহস্তীজাকে খাদ্যৰ ১৩ পৃষ্ঠাত চাওক

# শৰাইঘাট দলঙৰ বৃহৎ গাঁতে দুৰ্ঘটনাৰ আশংকা বৃদ্ধি কৰিছে

## নিৰ্লিপ্ত বিভাগীয় কৰ্তৃপক্ষ



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৮ জুলাই ঃ** ঠিকাদাৰৰ অকৰ্মণ্যতা আৰু অধিক ধন ঘটাৰ লালসাই শৰাইঘাটৰ পুৰণি দলঙত মেৰামতিৰ এবছৰ নৌহওঁতেই বৃহৎ গাঁতৰ সৃষ্টি হৈছে। ফলত প্ৰতিদিন চলাচল কৰা যানবাহনৰ দুৰ্ঘটনাৰ আশংকা বৃদ্ধি হৈছে। শৰাইঘাটৰ পুৰণি দলংখনৰ প্ৰায় এবছৰ পূৰ্বে ন কোটি ব্যয় সাপেক্ষে দলংখনৰ অত্যাধুনিক প্ৰক্ৰিয়াৰে ব্লেক টপিং কৰিছিল যদিও ইয়াৰ কাৰিকৰী কৌশলৰ অনভিজ্ঞতা সস্তীয়া কেঁচামাল আৰু ধন ঘটাৰ মানসিকতাই দলঙত বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি কৰি জন জীৱনলৈ ভাবুকিৰ সৃষ্টি কৰিছে বুলি সচেতন মহলে অভিযোগ তুলিছে। শীঘ্ৰে দলংখন পুনৰ মেৰামতি কৰি যাতায়াতৰ সুচল কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক ৰাইজৰ আহ্বান। উল্লেখ্য যে দলংখনৰ ওপৰেৰে প্ৰতিদিন দিনে-নিশাই শ শ বাহন যাতায়াত কৰি থাকে। প্ৰতি মিনিটত দলঙৰ আৰু গাড়ীৰ চকাৰ মাজত হোৱা ঘৰ্ষণৰ মাত্ৰা আৰু মেৰামতিত ব্যৱহাৰ কৰা কেঁচা সামগ্ৰীৰ ঘৰ্ষণৰ তীব্ৰতা ধাৰণ ক্ষমতাৰ অনুপাত সমতুল নোহোৱা বাবে মেৰামতিৰ পাছতো দলংখন জৰাজীৰ্ণ হৈ পৰে।


# নগাঁৱত নিচাযুক্ত ঔষধসহ এজন গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও ৮ জুলাই ঃ** নগাঁও আৰক্ষীয়ে নগাঁৱক ড্ৰাগছ মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান অব্যাহত ৰাখিছে। শেহতীয়াভাৱে আৰক্ষীয়ে নগাঁৱত প্ৰতিদিনেই ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই আছে। এই অভিযানৰ অংশ হিচাপে নগাঁৱৰ হয়বৰ গাঁও আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই নগাঁও চহৰৰ দুই নম্বৰ মোল্লাপট্টীৰ পৰা নিচাযুক্ত ঔষধ ব্যৱসায়ৰ লগত জড়িত এজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত ঔষধ জব্দ কৰিবলৈ সক্ষম হয়। হয়বৰ গাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰী আৰু। উপ-পৰিদৰ্শক পিংকু বৰ্মনৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে বিশেষ সূত্ৰৰ পমখেদি এই সফলতা লাভ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ব্যৱসায়ীজন হ'ল দুই নম্বৰ মোল্লাপট্টীৰ নকুল আমিন (৩৫)।

# অসম গ্ৰামীণ বিকাশ বেংকত গ্ৰাহকৰ হাৰাশাস্তি এসপ্তাহ ধৰি নাই লিংক



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৮ জুলাই ঃ** অসম গ্ৰামীণ বিকাশ বেংক শুৱালকুছি শাখাত যোৱা এসপ্তাহ ধৰি লিংক নথকাত গ্ৰাহকসকলে চৰম হাৰাশাস্তিৰ সন্মুখীন হৈছে। দূৰ-দূৰণিৰ পৰা অহা বয়োজ্যেষ্ঠ লোকসকলে তেওঁলোকৰ পেঞ্চন উলিয়াব আহি ঘন্টাৰ পাছত ঘন্টা অপেক্ষা কৰি ঘৰলৈ উভতি যাবলগীয়া হোৱাত দুখ প্ৰকাশ কৰে। আনহাতে, শাখাটোৰ শাখা পৰিচালক অমিত কুমাৰ ভট্টাচাৰ্যই জানিবলৈ দিয়া মতে, যোৱা এসপ্তাহ ধৰি লিংক নোহোৱাত গ্ৰাহকৰ অসুবিধাৰ সৃষ্টি হয়। শুৱালকুছিত লোকনিৰ্মাণ বিভাগে নলা-নৰ্দমাৰ বাবে চলোৱা খনন কাৰ্যত ফাইবাৰ কাট হোৱাত বহু অসুবিধাৰ সৃষ্টি হয়। এই ক্ষেত্ৰত গ্ৰাহকৰ বহু প্ৰশ্নৰ জবাব দিবলগীয়া হয়। সেয়ে সকলো অসুবিধা সামৰি কামৰূপ উপায়ুক্ত আৰু মাণ্ডলিক কাৰ্যালয়লৈ পত্ৰ প্ৰেৰণ কৰে যদিও সুফল পোৱা নাই। ইফালে, ৩৫ হেজাৰ গ্ৰাহকৰ লেনা-দেনা হোৱা বেংকৰ শাখাটোত পূৰ্বে ছয়গৰাকী কৰ্মচাৰী আছিল। বৰ্তমান তিনিগৰাকী কৰ্মচাৰীয়ে কাম চলাব লগা হোৱাত অসুবিধাৰ সৃষ্টি হৈছে। শীঘ্ৰে শাখাটিৰ সকলো সমস্যা সমাধান কৰিবলৈ উচ্চ পৰ্যায়ৰ বিষয়ববীয়াক গ্ৰাহকসকলে অনুৰোধ জনাইছে।

# নগাঁৱত ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ মহিলাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ জুলাই ঃ** সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ দলংঘাট ব্লক সমিতিৰ আহ্বানত আজি বগৰিগুৰি লালুংগাঁও ৰংগমঞ্চত ৰন্ধন গেছৰ মূলবৃদ্ধিৰ প্ৰতিবাদত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সন্থাৰ ব্লক সমিতিৰ উপ-সভানেত্ৰী উমা পাটৰ আৰু সম্পাদিকা আয়েফা বেগমে এক বিবৃতিৰ জৰিয়তে জনায় যে ৰন্ধন গেছৰ পুনৰ মূল্যবৃদ্ধিয়ে সাধাৰণ ৰাইজৰ লগতে বিশেষভাৱে দুখীয়া ৰাইজক অতি সংকটৰ ফালে ঠেলি দিছে। বিবৃতিত নেত্ৰীদুগৰাকীয়ে উল্লেখ কৰে যে বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্যৰ দুয়োখন চৰকাৰ জনবিৰোধী আৰু দুখীয়া বিৰোধী চৰকাৰ। ক'ভিডৰ পাছতেই অসমৰ সংহাৰী বানপানীয়ে কৃষি আৰু শ্ৰমজীৱী ৰাইজৰ জীৱিকাৰ পথ বন্ধ কৰি পেলাইছে। বাসগৃহ আৰু সম্পত্তি বিনষ্ট হোৱাৰ লগতে খহনীয়াই বহু পৰিয়ালক গৃহহীন কৰিলে। বজাৰত খাদ্য সামগ্ৰীৰ তীব্ৰ মূল্যবৃদ্ধি চৰকাৰ কোনো নিয়ন্ত্ৰণ নাই। এনে সময়তে ৰন্ধন গেছৰ পুনৰ মূল্যবৃদ্ধিয়ে জনগণৰ ওপৰত মাধমাৰ শোধাইছে। বিবৃতিত আৰু উল্লেখ কৰে যে চৰকাৰৰ এনে স্থিতিয়ে ইয়াকে প্ৰতিপন্ন কৰিছে যে বিজেপি চৰকাৰ হৈছে কোম্পানীৰ আজ্ঞাবাহী চৰকাৰ সাধাৰণ গৰিব-দুখীয়া ৰাইজৰ নহয়। দাম কমাব নোৱাৰা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নেত্ৰী দুগৰাকীয়ে তীব্ৰ সমালোচনা কৰে। কাৰ্যসূচীত অঞ্চলটোৰ অৰ্ধশতাধিক মহিলাই অংশগ্ৰহণ কৰে।

# তেজপুৰৰ হোটেলৰ কোঠাত গোলাঘাটৰ যুৱকৰ আত্মহনন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৮ জুলাই ঃ** তেজপুৰৰ মিছন চাৰিআলিস্থিত 'হোটেল মেক'ৰ এটা কোঠাৰ ভিতৰত আজি পুৱা চিপ লোৱা অৱস্থাত উদ্ধাৰ কৰা হয় চিৰঞ্জীৱ বৰা (৩৪) নামৰ যুৱকজনৰ মৃতদেহ। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, যোৱা পাঁচ জুলাইত যুৱকজনে গোলাঘাটৰ দ গাঁৱৰ পৰা স্কুটি চলাই আহি তেজপুৰত উপস্থিত হৈ হোটেলখনত আশ্ৰয় লৈছিল। গোলাঘাট নগৰস্থিত টাটা ফাইনেন্স নামৰ প্ৰতিষ্ঠানটোত তেওঁ কৰ্মৰত আছিল। আজি পুৱা হোটেলৰ দুৱাৰ বহু দেৰিলৈকে নোখোলাত হোটেল কৰ্তৃপক্ষই প্ৰায় ১০ বজাত স্থানীয় কছাৰিগাঁও আৰক্ষীক খবৰ দিয়ে আৰু পাছত যুৱকজনক হোটেলৰ কোঠাত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখ্য যে চিৰঞ্জীৱ ওৰফে চান্তুৱে আনদিনাৰ দৰে যোৱা মঙলবাৰে কৰ্মসূত্ৰে ঘৰৰ পৰা ওলাই গৈছিল গোলাঘাটৰ লৱনঘাট অভিমুখে। কৰ্মসূত্ৰে ফাইনেন্স কোম্পানীৰ ধন সংগ্ৰহৰ বাবে গৈ পুনৰ ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰিও তেওঁৰ কোনো সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। আনহাতে, আৰক্ষীয়ে কোনো ধৰণৰ টোকা মৃতদেহৰ পৰা তথা কোঠালিটোত উদ্ধাৰ কৰা নাই বুলি প্ৰকাশ কৰি যুৱকজনৰ আত্মহননৰ স্পষ্ট কাৰণ এই পৰ্যন্ত উদ্ধাৰ কৰিব পৰা নাই বুলিও সদৰী কৰিছে। আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# বৰপেটাত চৰকাৰী বান সাহায্য হৰলুকি

## বিডিঅ'ৰ গাড়ীচালকৰ ঘৰত উদ্ধাৰ বান সাহায্য

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৮ জুলাই ঃ** ভৱানীপুৰ উন্নয়ন খণ্ডৰ বিডিঅ'ৰ গাড়ীচালক আতোৱাৰ ৰহমানৰ ঘৰৰ পৰা ২৪ কাৰ্টন গোকুল ব্ৰেণ্ডৰ মিঠাতেল উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বৰপেটা জিলাৰ পাকাবেতবাৰীৰ সমীপৱৰ্তী নিত্যানন্দত থকা গাড়ীচালক ৰহমানৰ বাসগৃহৰ পৰা বৰপেটা আৰক্ষীয়ে উদ্ধাৰ কৰে মিঠাতেলখিনি। উল্লেখ্য যে বিশেষ খবৰৰ ভিত্তিত বৰপেটা আৰক্ষীৰ এটা দলে ৰহমানৰ ঘৰত তালাচী চলায়। তালাচী অভিযানত আৰক্ষীয়ে ৰহমানৰ ঘৰৰ পৰা মিঠাতেলখিনি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইপিনে, আৰক্ষীৰ দল উপস্থিত হোৱাৰ পূৰ্বে ঘৰৰ পৰা পলায়ন কৰে চালকজনে। ঘটনা সংক্ৰান্তত ৰহমানৰ পিতৃ আৰু ককায়েকক আটক কৰে আৰক্ষীয়ে। বৰপেটা জিলা প্ৰশাসনৰ তৰফৰ পৰা বান সাহায্য হিচাপে যোগান ধৰা হৈছিল উক্ত মিঠাতেলখিনি। কিন্তু বানাক্ৰান্তৰ মাজত বিতৰণৰ পৰিৱৰ্তে মিঠাতেলখিনি নিজ বাসগৃহত অবৈধভাৱে মজুত কৰি ৰাখিছিল ৰহমান নামৰ গাড়ী চালকজনে।

# ভাষা ছহিদৰ ওপজা ভূমি জাগীগাঁৱত ছহিদ সূৰ্য বৰাক স্মৰণ

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৮ জুলাই ঃ** ভাষা ছহিদ সূৰ্যবৰাৰ স্মৃতি দিৱস ছহিদগৰাকীৰ গৃহভূমি জাগীগাঁৱত আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। শিল্পী কনকেশ্বৰ বৰুৱাকো আজি সোঁৱৰণ কৰা হয়। জাগী কল্পতৰু পুথিভঁৰাল আৰু কৃষ্টি চ'ৰাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে দুয়োগৰাকী মহান ব্যক্তিৰ জীৱন আৰু দৰ্শনৰ ওপৰত আলোকপাত কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক দিবাকৰ বৰদলৈ আৰু কবি ৰাজুমনি শইকীয়াই। দিবাকৰ বৰদলৈয়ে কনকেশ্বৰ বৰুৱাৰ কৰ্মৰাজিৰ ওপৰত বক্তব্য ৰাখে। কবি শইকীয়াই ভাষা ছহিদ সূৰ্য বৰাক একেধাৰে কবি, নাট্যকাৰ, অভিনেতা আৰু গীতিকাৰ হিচাপে অভিহিত কৰি তেওঁৰ জীৱন আৰু সাহিত্য কৃতীৰ সমীক্ষা কৰে। সূৰ্যবৰাক তেওঁ মানুহৰ কবি, জাতিৰ শক্তি আৰু অসমীয়া ভাষাৰ পুৰোহিত আছিল বুলি উল্লেখ কৰে। স্মৃতিচাৰণ সভাত কামৰূপ জিলা পুথিভঁৰালী ভানুবৰা, মৰিগাঁও জিলা পুথিভৰালী উৎপলা বৰুৱা , অৱসৰপ্ৰাপ্ত শিক্ষক ৰেনুধৰ কোঁৱৰ, জাগীভকতগাঁও শাখা সাহিত্য সভাৰ পৰা ৰাজীৱ চহৰীয়াই ভাষণ ৰাখে। অনুষ্ঠানতেই 'কিতাপ পঢ়াৰ আনন্দ' শীৰ্ষক বক্তব্য ৰাখে উৎপলা বৰুৱা আৰু ভানু বৰাই। দিনজোৰাকৈ পালন কৰা অনুষ্ঠানত পতাকা উত্তোলন, বৃক্ষৰোপণ, চিত্ৰাংকন আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# যোৰহাটত ১০০০ গছি বন্তি প্ৰজ্জ্বলনেৰে নুৰুল হকলৈ শ্ৰদ্ধাঞ্জলি আছুৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৮ জুলাই ঃ** প্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ নুৰুল হকৰ মৃত্যুবাৰ্ষিকীত বিগত বছৰসমূহৰ দৰে আজিও যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাই 'গীতৰ দিন' হিচাপে উদ্‌যাপন কৰে। যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত প্ৰয়াত শিল্পীজনলৈ শ্ৰদ্ধা জনাই বৰুৱা চাৰিআলিস্থিত সহস্ৰাব্দী কাননত ১০০০ গছি বন্তি প্ৰজ্জ্বলনেৰে জনতাৰ শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি নীহাৰিকা শইকীয়া আৰু সাধাৰণ সম্পাদক ৰিয়াজ হুছেইনে কয় যে জনতাৰ শিল্পীজন নৱপ্ৰজন্মৰ মাজত চিৰধাৰহমান হৈ জীয়াই থাকিব লাগিব। অসমৰ জাতীয় জীৱন তথা সাংস্কৃতিক ক্ষেত্ৰখনলৈ তেওঁৰ অৱদান কথাৰে কৈ বা ভাষাৰে লিখি শেষ কৰিব নোৱাৰি। সেয়েহে তেওঁৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ স্বাৰ্থত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা জনাই যোৰহাটৰ যিকোনো এটা পথ তেওঁৰ নামত নামকৰণ কৰিবলৈও সন্থাই জিলা প্ৰশাসনক আহ্বান জনাইছে। আজিৰ কাৰ্যসূচীত যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা পাৰ্থ প্ৰতীম বৰা, সভাপতি ঐনিতম দত্ত আৰু সাধাৰণ সম্পাদক বিদ্যুৎ জ্যোতি দাস উপস্থিত থকাৰ উপৰি ছাত্ৰ সন্থাৰ ৫০ জনতকৈও অধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে।

# মিছামাৰীত বেঙেনাজুলি নৈৰ ভয়ংকৰ খহনীয়াত জাহ গ'ল ৰাজহুৱা শ্মশান

## তিনিখন গাঁৱৰ ৰাইজ চিন্তিত



**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ৮ জুলাই ঃ** অৰুণাচল পাদদেশৰ পৰা বৈ অহা বেঙেনাজুলি নৈখনে মাজে-সময়ে ফেনে-ফোটোকাৰে ওফন্দি উঠি ঠাই বিশেষে ভয়ংকৰ বান আৰু গৰাখহনীয়াৰ সৃষ্টি কৰি আহিছে। সমান্তৰালকৈ শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি সমষ্টিৰ মিছামাৰী অঞ্চলৰ মাজেৰে বৈ যোৱা বেঙেনাজুলি নৈখনৰ খহনীয়াৰ কবলত পৰিছে এখন ৰাজহুৱা শ্মশান ঘাট। নৈখনে খহনীয়াৰ সৃষ্টি কৰি অহাত নৈখনৰ পাৰত থকা মৃতদেহ সৎকাৰ কৰা পকীৰ গৃহটো হাউলি পৰিছে। উল্লেখ্য যে বেঙেনাজুলিৰ নৈখনৰ পাৰত থকা ৰাজহুৱা শ্মশানখনত নাহৰণি, কলামাটি আৰু কঠালগুৰি গাঁৱৰ ৰাইজে মৃতদেহসমূহ ধৰ্মীয় নীতি-নিয়মৰে সৎকাৰ কৰি আহিছে। মৃতদেহ সৎকাৰৰ সময়ত স্থানীয় ৰাইজৰ উপকৃত হোৱাকৈ কে'বাবছৰ পূৰ্বে চৰকাৰী ধন ব্যয়ৰে মিছামাৰী গাঁও পঞ্চায়তখনে এখন টিনৰ চালি সাজি দিছিল। বিশেষকৈ বৰষুণ দি থকাৰ সময়ত টিনৰ চালিখনৰ তলত মৃতদেহ সৎকাৰ কৰাত ৰাইজ চিন্তিত হ'বলগীয়া হোৱা নাছিল। কিন্তু পকীৰ গৃহটো নৈখনৰ বুকুৰ দিশে হেলনীয়া হৈ পৰাত মৃতদেহ সৎকাৰক লৈ স্থানীয় ৰাইজে চিন্তিত হৈ পৰিছে। ইফালে, কিছুদিন পূৰ্বে অসম চৰকাৰৰ মন্ত্ৰী তথা ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক অশোক সিংঘালে শ্মশানখনত উপস্থিত হৈ সমগ্ৰ পৰিৱেশ বুজ লোৱাৰ লগতে সোনকালে শ্মশানখন পুনৰ নিৰ্মাণ ব্যৱস্থাৰে ৰাইজক মৃতদেহ সৎকাৰত উপকৃত কৰি তুলিব বুলি জানিব পৰা গৈছে।

# চৌটাকিত যুৱক-কিশোৰীক অসংযত অৱস্থাত ধৰি ৰাইজে গতালে আৰক্ষীক

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৮ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত চৌটাকিত দুই যুৱক-কিশোৰীক ৰাইজে অসংযত অৱস্থাত ধৰা পেলাই আৰক্ষীক গতাই দিয়া ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে অঞ্চলটোত। আজি পুৱা ১০ বজাত চৌটাকিৰ ঘাইপথৰ কাষত চাৰিচকীয়া বাহনৰ ভিতৰত দুই যুৱক-কিশোৰীক অসংযত অৱস্থাত ধৰাা পেলাই যুৱকজনক ৰাইজে উত্তম-মাধ্যম শোধাই আৰক্ষীক গতাই দিয়ে। যুৱকজন দলনিবিল টিলাপাৰাৰ মনচেৰ বুলি চিনাক্ত কৰা হৈছে।।

# কামপুৰ চেনিকলৰ পৰা লোহাৰ সামগ্ৰী চুৰি ঃ আৰক্ষীৰ জালত তিনি চোৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ জুলাই ঃ** নগাঁও জিলাৰ কামপুৰস্থিত নগাঁও সমবায় চেনিকলৰ পৰা লোহা সামগ্ৰী চুৰি কৰি আৰক্ষীৰ জালত পৰিল তিনিজন চোৰ। কামপুৰ আৰক্ষীৰ জালত পৰা চোৰকেইজন ক্ৰমে কচুৱা সাতলোঙাৰ চান্দিৰ হুছেইন, এক নম্বৰ ফাকলিৰ চাহাবউদ্দিন আলী আৰু কামপুৰৰ ৰাজিবুৰ ৰহমান। আজি কামপুৰ-কঠিয়াতলী পথৰ পৰা ঠেলাত মূল্যবান লোহা সামগ্ৰীখিনি চেনিকলটোৰ পৰা আনি থকা অৱস্থাতে আৰক্ষীয়ে এই তিনি চোৰক আটক কৰিবলৈ সক্ষম হয়। আনহাতে, আজিও চেনিকলটোৰ বহু যন্ত্ৰাংশ কলটোৰ দ্বিতীয়টো গেটৰ সন্মুখৰ জংঘলত চোৰে পেলাই থোৱা পৰিলক্ষিত হৈছে। প্ৰায় দুই-তিনি লাখ টকাৰ এই যন্ত্ৰাংশৰ চুৰি হোৱাৰ সন্দৰ্ভত আজি 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে প্ৰকাশ পাইছে। ইফালে, তিনিবছৰ কাল কামপুৰস্থ সমবায় চেনিকলত চুৰি হৈ থকাৰ পাছতো আৰক্ষীয়ে বিশেষ ব্যৱস্থা হাতত নোলোৱাৰ বিপৰীতে আজি বাতৰি কাকতত প্ৰকাশ পোৱাৰ পাছতেই আৰক্ষী তৎপৰ হৈ পৰি কলটোৰ সামগ্ৰীৰ চুৰিৰ লগত জড়িত তিনি চোৰক কৰায়ত্ত কৰে।

# চাবুৱাত ধুমুহাৰ তাণ্ডৱ

## ■ বহু পৰিয়াল ক্ষতিগ্ৰস্ত ■ বৃদ্ধাসহ আহত তিনি

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ৮ জুলাই ঃ** নিশা অহা এজাক তীব্ৰবেগী ধুমুহাই চাবুৱাত তাণ্ডৱ চলায়। চাবুৱাৰ মৰিছা, আলহী, দিনজয়, বালিজান কাঠগাঁও, বালিজান পানীএৰা, দিনজয় চাপৰি, দেউধাই আদি গাঁৱৰ অসংখ্য পৰিয়ালৰ বাসগৃহ ধুমুহাত ব্যাপক ক্ষতি হয়। কালি দিনটোৰ ভীষণ গৰমৰ পাছতে নিশা প্ৰায় ১১ বজাত প্ৰথমে বৰষুণ হোৱাৰ পাছত তীব্ৰ ৰূপত এজাক ধুমুহা আহে। এই ধুমুহাজাক অহাৰ একো উমান নোপোৱা দিনজয় গাঁৱৰ এহাল বৃদ্ধ দম্পতীৰ কোনোৰকমে পৰিয়ালৰ সহায়ত প্ৰাণৰক্ষা পৰে। বৃদ্ধাগৰাকীৰ ওচৰে-পাজৰে প্ৰায় চাৰিটা বাসগৃহৰ টিনপাত উৰুৱাই নিয়াৰ লগতে ঘৰৰ ওপৰত কে'বাডালো গছ উভালি পৰে। আনহাতে মৰিছা গাঁৱত এটি কণমাণি কেঁচুৱা থকা এটা পৰিয়ালৰ বাসগৃহৰ ওপৰতে নিশা এজোপা বৃহৎ বাঁহ গছ উভালি পৰে যদিও পৰিয়ালটোৰ কোনোমতে প্ৰাণৰক্ষা পৰে। ইয়াৰ কাষতে আন এঘৰৰ বাৰীৰ এডাল প্ৰকাণ্ড গছ পথ আৰু আন এটা বাসগৃহৰ পাকঘৰত উভালি পৰে। এইদৰে বহু বাসগৃহ ভাঙি চুৰমাৰ হয়। সমান্তৰালকৈ সমীপৱৰ্তী আটাইকেইখন গাঁৱৰ বিদ্যুতৰ খুঁটা ভাঙি পৰাত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ বহু ক্ষতি হোৱা দেখা গৈছে। বালিজান গাঁৱতো দেখা গ'ল প্ৰায় ২০ জোপা প্ৰকাণ্ড গছ উভালি পৰাৰ বাবে অঞ্চলটোৰ এটা মূল পথ ৰুদ্ধ হৈ পৰিছে। আনহাতে, ধুমুহাত বালিজান নৰ্থ চাহ বাগিচাৰ হাবি লাইনত এজোপা গছ চাৰিটা বাসগৃহত ভাঙি পৰাত দুগৰাকী যুৱতীসহ এগৰাকী বৃদ্ধা আহত হয়। আহত কেইগৰাকী ক্ৰমে হোকমা মিৰ্ধা (৮০), মঞ্জু মিৰ্ধা (২০) আৰু পঞ্চমী কণ (২৬)। আটাইকেইগৰাকীকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ইফালে, উল্লিখিত গাঁও কেইখনত অনেক পৰিয়ালৰ বাসগৃহ ক্ষতি হোৱা পৰিলক্ষিত হয়। এই ক্ষয়-ক্ষতি খাতিয়ান চাবুৱা ৰাজহ চক্ৰৰ বিষয়াৰ নিৰ্দেশত গাঁৱৰ গাঁও প্ৰধানসকলে সকলো তথ্যপাতি সংগ্ৰহ কৰিছে। চাবুৱা ৰাজহ চক্ৰৰ সংলগ্ন হৈ থকা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়াগৰাকীয়ে অঞ্চলটোত উপস্থিত হৈ প্ৰতিটো পৰিয়ালক সাময়িক সকাহ প্ৰদানৰ বাবে একোখন তিৰপাল প্ৰদান কৰে। তদুপৰি পূৰ্বে দুষ্কৃতিকৰীয়ে ভাঙি পেলোৱা চাবুৱা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চৌহদৰ এজোপা বৃহৎ গছ দেউধাই গাঁৱৰ মূল প্ৰৱেশ পথতে বাগৰি পৰাত পথটো ৰুদ্ধ হোৱাৰ লগতে চাবুৱা বহুমুখী প্ৰকল্প ভৱনৰ চৌহদৰ পকী বেৰ ভাঙি পৰে। চাবুৱা নগৰৰ সমীপৱৰ্তী দেউধাই গাঁওখনো ধুমুহাই অনেক ক্ষতি কৰা বুলি ৰাইজে প্ৰকাশ কৰিছে। বান আৰু খহনীয়াই ৰাজ্যখনক জুৰুলা কৰাৰ সময়তে পুনৰ ধুমুহাই চাবুৱা ক্ষতি কৰা পৰিয়ালসমূহক চৰকাৰে বিশেষভাৱে সাহায্য প্ৰদান নকৰিলে প্ৰায় ২০০ ৰো অধিক পৰিয়াল ঠন ধৰি উঠিবলৈ কঠিন হ'ব বুলি সচেতন মহলে ব্যক্ত কৰিছে।



# বকোৰ ৰেল আলিত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বকো, ৮ জুলাই ঃ** কামাখ্যা যোগীঘোপা ৰেল আলিত সঘনাই সংঘটিত হৈছে এটাৰ পাছত আন এটা দুৰ্ঘটনা। সমান্তৰালভাৱে আজিও কামৰূপ জিলাৰ বকোৰ ৰেল আলিত এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰে আৰক্ষীয়ে। বকোৰ শিচাপীঠ ৰেল আলিত উদ্ধাৰ হয় মৃতদেহটো। স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত বকো আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি বকো থানালৈ লৈ আনে। মৃতদেহটো বকো দুই নম্বৰ বৰুৱা পথাৰৰ ইন্দ্ৰজিৎ সৰকাৰ বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, বকো ছমৰীয়াত চাইকেল দোকান থকা নিহত লোকজন বিগত কেইদিনমান নিৰুদ্দেশ হৈ আছিল। একেদৰে মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা ইন্দ্ৰজিৎ সৰকাৰ ৰেলৰ খুন্দাৰ মৃত্যু হোৱা বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।

# গাঁও প্ৰধানৰ মৃত্যুত শোক


**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ৮ জুলাই ঃ** পশ্চিম দৰঙৰ দিপীলা গাঁও পঞ্চায়তৰ অন্তৰ্গত আলিখাপাৰা গাঁৱৰ নিবাসী তথা পাথৰিঘাট ৰাজহ গাঁৱৰ চৰকাৰী গাঁওবুঢ়া চাবেদ আলীৰ আজি দিনৰ ১.৫০ বজাত নিজা বাসভৱনত মৃত্যু হয়। সুদীৰ্ঘ দিন ধৰি পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত পাথৰিঘাট ৰাজহ গাঁৱৰ চৰকাৰী গাঁও প্ৰধান হিচাপে সেৱা আগবঢ়াই থকাৰ মাজতে কে'বাবছৰ ধৰি পেৰালাইচিছ ৰোগত আক্ৰান্ত হৈ ঘৰতে থকাৰ সময়তে পুনৰ ৰক্তচাপত দিনৰ ১.৫০ বজাত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল (৮২) বছৰ। মৃত্যুৰ সময়ত দুগৰাকী পত্নী, পাঁচজন গৰাকী পুত্ৰ, তিনিগৰাকী কন্যাৰ লগতে নাতি-নাতিনী আৰু আত্মীয়-স্বজনক এৰি যায়। আজি বিয়লি পাথৰিঘাট গাঁৱৰ ৰাইজে। মৃতদেহটো পাথৰিঘাট গাঁৱলৈ লৈ যায় তাত ৰাইজে শ্ৰদ্ধা নিবেদন কৰে। সন্ধিয়া ৭.৩০ বজাত গুণমুগ্ধৰ উপস্থিতিত মৌলানা আমিৰ হুছেইনে নিজ গাঁও আলিখাপাৰাত জানাজা সম্পন্ন কৰে। তেওঁৰ মৃত্যুত বিভিন্ন দল-সংগঠনৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

# শক্তিআশ্ৰমত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা আমছুৰ

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ৮ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ শক্তিআশ্ৰম উচ্চতৰ মাধ্যমিক আৰু কাৰিকৰী বিদ্যালয়ৰ সভা কক্ষত এক সভা অনুষ্ঠিত কৰি ২০২২ত সুখ্যাতিৰে উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলোক সম্বৰ্ধনা জ্ঞাপন কৰে কোকৰাঝাৰ জিলা আমছুৱে। উক্ত অনুষ্ঠানত শতাধিক শিক্ষাৰ্থীক ফুলাম গামোচা, মানপত্ৰ আৰু কলমেৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত আমছুৰ কেন্দ্ৰীয় সভাপতি ৰেজাউল কৰিম সৰকাৰ, কেএছিৰ ইএম কৰ্মেশ্বৰ ৰায়, শিক্ষা বিষয়া জাহাংগীৰ হুছেইন , প্ৰৱক্তা ড° ৰেজাউল কৰিমৰ লগতে আমছুৰ জিলা সভাপতি আমিনুৰ ইছলাম, সাধাৰণ সম্পাদক আব্দুল লতিফ আদিৰ লগতে জিলা আৰু আঞ্চলিকৰ কৰ্মকৰ্তাসকলো উপস্থিত থাকে।




# উইম্বলডনৰ পৰা বিদায় আহত নাডালৰ

## হালেপক পৰাজিত কৰি প্ৰথমবাৰলৈ গ্ৰেণ্ড শ্লামৰ ফাইনেলত কাজাখস্তানৰ ৰিবাকিনা



**নিউজ ব্যুৰ'**

**লণ্ডন, ৮ জুলাই ঃ** আঘাতকো নেওচি উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত জয়ী হোৱা সত্ত্বেও খিতাপ জয়ৰ সপোন সাৰ্থক নহ'ল ৰাফেল নাডালৰ। তলপেটৰ আঘাতৰ বাবে স্পেইনৰ তাৰকাজনে ফাইনেলৰ পূৰ্বেই প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। ফলত সৰ্বাধিক ২২টা গ্ৰেণ্ড শ্লাম খিতাপৰ সংখ্যা বৃদ্ধিৰ প্ৰচেষ্টাৰ পৰা তেওঁ আঁতৰি পৰিবলগীয়া হ'ল। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত নাডালে টেইলৰ ফ্ৰিৎজক পাঁচ ছেটৰ খেলত পৰাজিত কৰিছিল। তলপেটত গুৰুতৰ আঘাত পোৱা সত্ত্বেও চিকিৎসকৰ সাহায্য লৈ তেওঁ খেলখনত দুৰ্দান্তভাৱে জয়লাভ কৰিছিল। খেলৰ শেষত ধৰা পৰে যে নাডালৰ তলপেটৰ পেশী সাত মিলিমিটাৰ পৰ্যন্ত ছিঙিছে। যাৰ বাবে তেওঁ প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়।



নাডালে নাম প্ৰত্যাহাৰ কৰাত তেওঁৰ ছেমিফাইনেলৰ প্ৰতিদ্বন্দ্বী নিক কিৰ্গিয়জে ফাইনেললৈ অগ্ৰগতি অৰ্জন কৰে।

ইপিনে, উইম্বলডনৰ মহিলাৰ ছিংগল্‌ছত নতুন চেম্পিয়ন লাভ কৰাটো নিশ্চিত হৈ পৰিল। কালিৰ প্ৰথম ছেমিফাইনেলত অ'ন্স জাবেউৰে টাটিয়ানা মাৰিয়াক পৰাজিত কৰি আৰব দেশসমূহৰ প্ৰথম খেলুৱৈৰূপে কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰ পাছতে যোৱা নিশাৰ দ্বিতীয়খন ছেমিফাইনেলত কাজাখস্তানৰ এলেনা ৰিবাকিনাই প্ৰাক্তন চেম্পিয়ন ছিম'না হালেপক ৬-৩, ৬-৩ ছেটত পৰাজিত কৰে। ইয়াৰ জৰিয়তে কাজাখস্তানৰ প্ৰথম খেলুৱৈৰূপে কোনো গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশৰ ইতিহাস ৰচিলে ৰিবাকিনাই। দুয়োগৰাকী খেলুৱৈয়ে কাইলৈ প্ৰথম গ্ৰেণ্ড শ্লাম জয়ৰ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

# তাই ছুৰ বিপক্ষে পুনৰ পৰাজিত হ'ল সিন্ধু

## মালয়েছিয়া মাষ্টাৰ্ছৰ পৰা বিদায়



**নিউজ ব্যুৰ'**

**কুৱালা লামপুৰ, ৮ জুলাই ঃ** চাইনিজ টাইপেইৰ প্ৰতিদ্বন্দ্বী তাই ছু উইঙ নাম শুনিলেই যেন বিব্ৰত হৈ পৰে ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধু। চাইনিজ টাইপেইৰ খেলুৱৈগৰাকীৰ বিপক্ষে সিন্ধুৰ ক্ৰমাগত পৰাজয়ৰ ধাৰা অক্ষুণ্ণ থাকিল চলিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টনতো। কুৱালা লামপুৰত চলি থকা প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় ল'লে ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ীগৰাকীয়ে। আজিৰ খেলখনত দ্বিতীয় গেমত জয়লাভ কৰিও সিন্ধুৱে বিশ্বৰ দুই নম্বৰ স্থানৰ তথা টকিঅ' অলিম্পিকৰ ৰূপৰ পদক বিজয়ী তাই ছুৰ বিপক্ষে পৰাজয়ৰ ধাৰা ৰোধ কৰিব নোৱাৰিলে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনত চাইনিজ টাইপেইৰ তাৰকাগৰাকীয়ে ২১-১৩, ১২-২১, ২১-১২ পইণ্টত জয়লাভ কৰি ছেমিফাইনেললৈ অগ্ৰসৰ হয়। উল্লেখ্য যে তাই ছুৰ বিপক্ষে সিন্ধু এই পৰ্যন্ত ১৭খন খেলত পৰাজিত হৈছে। ইয়াৰ ভিতৰত আছে টকিঅ' অলিম্পিকৰ ছেমিফাইনেলৰ পৰাজয়ো।

### নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

# অম্লান-ৰাজস্থানীৰ খেল ড্ৰ

**অগ্ৰদূত বাৰ্তা**

**বেৰেজীয়া, ৮ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত অম্লান গোষ্ঠী বনাম নগাঁও ৰাজস্থানী যুৱক সংঘ (এনআৰৱাইএছ)ৰ মাজৰ খেলখন ২-২ গ'লত ড্ৰ হয়। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনত এনআৰৱাইএছৰ হৈ বিনন্দ খাটনিয়াৰ (১৪, ৬৪ মিঃ)য়ে গ'ল দুটা দিয়াৰ বিপৰীতে অম্লান গোষ্ঠীৰ হৈ ক্ৰমে লেভিছ মাৰাক (৬৮ মিঃ) আৰু ব্ৰজেন মুছাহাৰী (৮৯ মিঃ)য়ে গ'ল দুটা পৰিশোধ কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে শোণিত কুমাৰ বৰা, নয়ন হোকাই আৰু ঘনশ্যাম দাসে (চতুৰ্থ)। উল্লেখ্য যে নগাঁও ৰাজস্থানী যুৱক সংঘৰ সমৰজ্যোতি বৰদলৈয়ে আজি শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে।



# অধিনায়ক ৰোহিতৰ বিশ্ব অভিলেখ

**নিউজ ব্যুৰ'**

**ছাউদাম্পটন, ৮ জুলাই ঃ** ক'ভিডৰ পৰা নিৰাময় হৈ দলৰ নেতৃত্ব পুনৰ লাভ কৰিয়েই বিশ্ব অভিলেখ গঢ়িলে ৰোহিত শৰ্মাই। আন্তৰ্জাতিক ক্ৰিকেটত প্ৰথম অধিনায়কৰূপে একেৰাহে ১৩খন টি-২০ আন্তৰ্জাতিক মেচত জয়ৰ বিশ্ব অভিলেখ গঢ়িলে তেওঁ। ইয়াৰ পূৰ্বে আফগানিস্তানৰ প্ৰাক্তন অধিনায়ক আছগৰ আফগানে একেৰাহে ১২খন টি-২০ মেচত জয়লাভ কৰিছিল। উল্লেখ্য যে পূৰ্ণ পৰ্যায়ৰ নেতৃত্ব লাভৰ পাছৰে পৰা ৰোহিতে এখনো টি-২০ মেচত পৰাজয়ৰ মুখ দেখা নাই।

ইপিনে, টি-২০ আন্তৰ্জাতিক ক্ৰিকেটত অলৰাউণ্ডাৰৰূপে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ কৃতিত্ব অৰ্জন কৰিলে হাৰ্দিক পাণ্ড্যিয়াই। যোৱা নিশা ইংলণ্ডৰ বিপক্ষে ভাৰতৰ জয়ৰ কৰ্ণধাৰ হাৰ্দিকে ৫১ ৰাণ কৰাৰ উপৰি বিপক্ষৰ চাৰিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে এই কৃতিত্ব আছিল যুৱৰাজ সিঙৰ দখলত। প্ৰাক্তন অলৰাউণ্ডাৰজনে এখন মেচত অৰ্ধশতৰাণ কৰাৰ সমান্তৰালকৈ তিনিটা উইকেট দখল কৰিছিল। টি-২০ আন্তৰ্জাতিকত হাৰ্দিকৰ পূৰ্বে অৰ্ধশতৰাণ আৰু চাৰি উইকেট দখলৰ কৃতিত্ব অৰ্জন কৰিছিল অষ্ট্ৰেলিয়াৰ শ্বেন ৱাটছন, ৱেষ্টইণ্ডিজৰ ডুৱেইন ব্ৰেভ', পাকিস্তানৰ মহম্মদ হাফিজ আৰু আফগানিস্তানৰ ছামিউল্লাহ শ্বিনৱাৰিয়ে।

# মণ্টু শৰ্মা ফুটবলত মৰাণ-শ'লগুৰিৰ খেল গ'ল শূন্য

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৮ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত মণ্টু শৰ্মা 'এ' ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত খেলত মৰাণ ফুটবল একাডেমী আৰু শ'লগুৰি ৰূপালী যুৱ সংঘই পইণ্ট ভগাই লৈছে। খেলখন গ'ল শূন্যভাৱে ড্ৰ হোৱাত উভয় দলে এটাকৈ পইণ্ট লাভ কৰে। এতিয়ালৈকে মৰাণ ফুটবল একাডেমীয়ে লীগৰ তিনিখন খেল খেলি চাৰি আৰু শ'লগুৰি ৰূপালী যুৱ সংঘই তিনিখন খেলি সাত পইণ্ট লাভ কৰিছে। আজিৰ খেলখন পৰিচালনা কৰে ভাস্কৰজ্যোতি গগৈ, ত্ৰিদিপ ফুকন, অপূৰ্ব চেতিয়া আৰু উৎপল হেৰে।

## বেটে-বলে উজলিল হাৰ্দিক ঃ অভিষেকতে বিশেষ কৃতিত্ব অৰ্শদীপৰ

# প্ৰথম টি-২০ মেচত সহজ জয় ভাৰতৰ

**নিউজ ব্যুৰ'**

**ছাউদাম্পটন, ৮ জুলাই ঃ** হাৰ্দিক পাণ্ড্যিয়াৰ দুৰ্দান্ত অলৰাউণ্ড প্ৰদৰ্শনৰ জৰিয়তে ইংলণ্ডৰ বিপক্ষে টি-২০ মেচৰ শৃংখলাত ১-০ৰ অগ্ৰগতি অৰ্জন কৰিলে ভাৰতে। যোৱা নিশাৰ খেলখনত ভাৰতে ঘৰুৱা দলটোক ৫০ ৰাণত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি ভাৰতে আঠ উইকেটৰ বিনিময়ত ১৯৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলণ্ডৰ ইনিংছ ১৪৮ ৰাণত সমাপ্ত হয়। হাৰ্দিকে ৩৩টা বলত ৫১ ৰাণ কৰাৰ উপৰি চাৰিটা উইকেট দখল কৰে।

জয়ৰ বাবে ১৯৯ ৰাণৰ লক্ষ্য আগত লৈ ইংলণ্ডে কোনো সময়তে ভাৰতৰ বাবে শংকাৰ সৃষ্টি কৰিব নোৱাৰিলে। মঈন আলীয়ে ৩৬, হেৰী ব্ৰুকে ২৮, ক্ৰিছ জৰ্ডানে অপৰাজিতভাৱে ২৬ আৰু ডাৱিদ মালানে ২১ ৰাণ কৰিলেও সেয়াই যথেষ্ট নহ'ল। বলিঙত হাৰ্দিকৰ উপৰি যুজৱেন্দ্ৰ চাহাল আৰু অভিষেককাৰী অৰ্শদীপ সিঙে দুটাকৈ উইকেট দখল কৰে। উল্লেখ্য যে পেচবলাৰ অৰ্শদীপে টি-২০ত অভিষেক মেচতে মেডেন অভাৰ দিয়া ভাৰতৰ তৃতীয়জন বলাৰত পৰিগণিত হয়।

ইয়াৰ পূৰ্বে ভাৰতৰ অপেনাৰদ্বয় ৰোহিত শৰ্মা (২৪) আৰু ঈষাণ কিষাণ (৮) সোনকালে আউট হ'লেও দীপক হুডা আৰু সূৰ্যকুমাৰ যাদৱে ইংৰাজ বলাৰক প্ৰত্যাক্ৰমণ কৰে। দীপকে ১৭টা বলত ৩৩ আৰু সূৰ্যকুমাৰে ১৯টা বলত ৩৯ ৰাণ কৰাৰ পাছত হাৰ্দিকে দায়িত্ব গ্ৰহণ কৰি দলীয় স্ক'ৰ আগুৱাই নিয়ে। তেওঁৰ ৩৩টা বলৰ অৰ্ধশতৰাণৰ ইনিংছটোত আছিল ছটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰ। দীপকে তিনিটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ তথা সূৰ্যকুমাৰে চাৰিটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰ মাৰে।



# নগাঁৱত ২২-২৩ জুলাইত অসম পাঞ্জা প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ জুলাই ঃ** অসম পাঞ্জা সংস্থাৰ উদ্যোগত আৰু সংস্থাৰ নগাঁও জিলা সমিতিৰ সহযোগত অহা ২২-২৩ জুলাইত দুদিনীয়াকৈ নগাঁও চহৰত অনুষ্ঠিত হ'ব ৪৪সংখ্যক সদৌ অসম পাঞ্জা চেম্পিয়নশ্বিপ-২০২২। নগাঁও চহৰস্থিত ঐতিহ্যমণ্ডিত নগাঁও জিলা পুথিভঁৰালৰ শীত-তাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰায় চাৰি শতাধিক পাঞ্জা খেলুৱৈয়ে অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে পাঞ্জা সংস্থাৰ নগাঁও জিলা সমিতিৰ সভাপতি অভিজিত কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক মাধুৰ্য ডেকাই। নগাঁও চহৰত আয়োজিত এই চেম্পিয়নশ্বিপখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে ইতিমধ্যে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাক সভাপতি, অধিবক্তা ধ্ৰুৱজ্যোতি শৰ্মাক কাৰ্যকৰী সভাপতি আৰু সাংবাদিক ভাস্কৰজ্যোতি মেধিক সাধাৰণ সম্পাদকৰূপে লৈ এখন ৩১জনীয়া অভ্যৰ্থনা সমিতি গঠন কৰে। উক্ত অভ্যৰ্থনা সমিতিখনে ইতিমধ্যে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা আহি অংশগ্ৰহণ কৰিবলগীয়া পাঞ্জা খেলুৱৈসকলক আদৰিবলৈ যাৱতীয় সকলো প্ৰস্তুতি চলাইছে বুলি অভ্যৰ্থনা সমিতিৰ সভাপতি-সম্পাদকে প্ৰকাশ কৰিছে।

### যোৰহাট জিলাভিত্তিক 'এ' ডিভিজন ফুটবল

# মাইকেল মিট্টেইৰ হেট্ৰিকৰ সহায়ত বৰভেটা স্প'ৰ্টছ ক্লাবৰ সহজ জয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৮ জুলাই ঃ** ৱাকামবাম মাইকেল মিট্টেইৰ হেট্ৰিকৰ সহায়ত বৰভেটা স্প'ৰ্টছ ক্লাবে আজি এক সহজ জয় সাব্যস্ত কৰিছে যোৰহাট জিলা 'এ' ডিভিজন ফুটবল প্ৰতিযোগিতাৰ এখন খেলত। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত লীগৰ আজিৰ খেলত বৰভেটাই ৰমাকান্ত এফচিক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আজি বৰভেটাই ফেভাৰিট দলৰূপেই খেলপথাৰত নামে আৰু এক সুন্দৰ বুজাবুজিৰ জড়িয়তে খেল আৰম্ভ কৰে। চুটি পাছ আৰু সুন্দৰ ড্ৰিবলিঙৰ সহায়ত বৰভেটাৰ খেলুৱৈসকলে ব্যতিব্যস্ত কৰি তোলে ৰমাকান্ত এফচিৰ খেলুৱৈসকলক। আজি বৰভেটা স্প'ৰ্টছ ক্লাবে প্ৰথম অগ্ৰগতি লাভ কৰে প্ৰথমাৰ্ধৰ চাৰি মিনিটতে এটা পেনাল্টীৰ সহায়ত। পেনাল্টীটো গ'ললৈ ৰূপান্তৰ কৰে বৰভেটাৰ মাইকেলে। ইয়াৰ পাছতে খেলৰ প্ৰথমাৰ্ধৰ ছয় মিনিটত বৰভেটাক ২-০ৰ অগ্ৰগতি প্ৰদান কৰে পুনৰ একক প্ৰচেষ্টাৰে মাইকেলে। খেলৰ প্ৰথমাৰ্ধত ৰমাকান্ত দলে কোনো সুযোগ সৃষ্টি কৰিব নোৱাৰিলে। খেলৰ প্ৰথমাৰ্ধত ২-০ৰ অগ্ৰগতি লাভ কৰি থকা বৰভেটা দলে খেলৰ দ্বিতীয়াৰ্ধতো প্ৰথমৰ পৰাই উপৰ্যুপৰি আক্ৰমণ ৰছে বিপক্ষৰ ৰক্ষণত। সেই অনুসৰি বৰভেটা দলক খেলৰ দ্বিতীয়াৰ্ধৰ ১৮ মিনিটত ৩-০ গ'লৰ অগ্ৰগতি প্ৰদান কৰে মাইকেলে। পুনৰ দ্বিতীয়াৰ্ধৰ ২৯ মিনিটত বৰভেটাৰ হৈ ব্যৱধান ৪-০লৈ বৃদ্ধি কৰে টছিয়ে। আনহাতে, ৰমাকান্তৰ হৈ একমাত্ৰ গ'লটো দিয়ে উদয় শংকৰ বৰাই খেলৰ দ্বিতীয়াৰ্ধৰ ৩০ মিনিটত। আজিৰ খেলখন পৰিচালনা কৰে সুমন্ত দত্তই।

# দ্বিতীয় টেষ্টত শতৰাণ স্মিথ-লাবুচেনৰ

**নিউজ ব্যুৰ'**

**গালে, ৮ জুলাই ঃ** শ্ৰীলংকাৰ বিপক্ষে দ্বিতীয় টেষ্টত বিশাল স্ক'ৰৰ সম্ভাৱনা উজ্জ্বল কৰিলে ভ্ৰমণকাৰী দল অষ্ট্ৰেলিয়াই। ষ্টিভ স্মিথ আৰু মাৰ্ণাছ লাবুচেনৰ শতকৰ সহায়ত অষ্ট্ৰেলিয়াই প্ৰথম দিনাৰ খেল সমাপ্তিলৈ পাঁচ উইকেটৰ বিনিময়ত ২৯৮ ৰাণ সংগ্ৰহ কৰে। বিদেশত প্ৰথম টেষ্ট শতৰাণ কৰা লাবুচেন (১০৪) আউট হ'লেও স্মিথে ১০৯ ৰাণত অপৰাজিত হৈ থাকে। তেওঁৰ স'তে ১৬ ৰাণত অপৰাজিত থাকে এলেক্স কেৰী। ওছমান খাৱাজা (৩৭), ডেভিদ ৱাৰ্ণাৰ (৫), ট্ৰেভিছ হেড (১২) আৰু কেমেৰ'ন গ্ৰীণ (৪) ব্যৰ্থ হয়। উল্লেখ্য যে প্ৰায় এবছৰৰ বিৰতিৰ পাছত স্মিথে টেষ্টত শতৰাণ অৰ্জন কৰিলে। তেওঁৰ ২৮সংখ্যক শতকীয় ইনিংছটোত ১৪টা বাউণ্ডেৰী আছে। ক'ভিডে জৰ্জৰিত কৰা শ্ৰীলংকা দলৰ হৈ আজি তিনিজন খেলুৱৈৰ অভিষেক ঘটে।

# মহিলা বিশ্বকাপ হকীত ভাৰতীয় দলৰ পৰাজয়

## কোৱাৰ্টাৰ ফাইনেলৰ ক্ষীণ সম্ভাৱনা

**নিউজ ব্যুৰ'**

**আমষ্টেলভীন, ৮ জুলাই ঃ** স্পেইন আৰু নেদাৰলেণ্ডত চলি থকা মহিলা বিশ্বকাপ হকীৰ পুল 'বি'ৰ অন্তিম মেচত পৰাজিত হ'ল ভাৰতীয় দল। কালিৰ খেলখনত নিউজিলেণ্ডে ভাৰতক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৪-৩ গ'লত পৰাজিত কৰে। প্ৰথম দুখন মেচত ড্ৰ খেলা ভাৰতে পুলৰ খেল তৃতীয় স্থানেৰে সামৰে। যদিও কোৱাৰ্টাৰ ফাইনেলত স্থান দখলৰ বাবে ভাৰতীয় দলৰ এতিয়াও এক ক্ষীণ আশা আছে।

প্ৰতিযোগিতাৰ নিয়ম অনুসৰি, চাৰিটা পুলৰ পৰা শীৰ্ষস্থান প্ৰাপ্ত চাৰি দলে পোনপটীয়াকৈ কোৱাৰ্টাৰ ফাইনেলত স্থান পাব। পুলৰ দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত দলসমূহে আন পুলৰ দলৰ স'তে একোখন মেচ খেলিব। সেই খেলসমূহৰ পৰা কোৱাৰ্টাৰ ফাইনেললৈ আন চাৰিটা দল উত্তীৰ্ণ হ'ব। নিজা পুলত শীৰ্ষস্থান অধিকাৰৰ সূত্ৰে নিউজিলেণ্ড, নেদাৰলেণ্ড, আৰ্জেণ্টিনা আৰু অষ্ট্ৰেলিয়াই কোৱাৰ্টাৰ ফাইনেলত স্থান দখল কৰিছে। পুল 'বি'ত ইংলণ্ডে দ্বিতীয় আৰু ভাৰতে দ্বিতীয় স্থান পাইছে।

কালিৰ খেলখনত নিউজিলেণ্ডে ৩-০ৰ অগ্ৰগতি অৰ্জন কৰাৰ পাছত ভাৰতে দুৰ্দান্তভাৱে প্ৰত্যাৱৰ্তন ঘটাইছিল যদিও শেষ ৰক্ষা নহ'ল। কিৱি দলৰ হৈ অলিভিয়া মেৰীয়ে দুটা তথা টেছা জ'প আৰু ফ্ৰান্সেছ ডেভিছে এটাকৈ গ'ল দিয়ে। ভাৰতৰ হৈ গ'ল দিয়ে বন্দনা কাটাৰিয়া, লালৰেমছিয়ামি আৰু গুৰজিৎ কৌৰে।

# অইল-আইটা টেনিছত দিশাৰ দ্বৈত মুকুট

## ডাবলছতহে খিতাপ জয় অসমৰ মনন নাথৰ



**গুৱাহাটী, ৮ জুলাই ঃ** কৰ্ণাটকৰ দিশা বেহেৰাই মহানগৰীৰ চচলত অনুষ্ঠিত অইল-আইটা ছুপাৰ ছিৰিজ (ল'ৰা-ছোৱালীৰ অনূৰ্ধ্ব ১৬ আৰু ১৮ বছৰ) টেনিছত দ্বৈত মুকুট অৰ্জন কৰিছে। আজি দিশাই ১৬ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ছিংগল্‌ছৰ লগতে ১৮ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছতো খিতাপ জয় কৰে। দুয়োটা বিভাগৰ ফাইনেলত দিশাই পশ্চিমবংগৰ ছাইজায়ানি বেনাৰ্জীক পৰাজিত কৰে। ইফালে, ল'ৰাৰ ১৬ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছত খিতাপ জয় নহ'ল অসমৰ মনন নাথৰ। আজিৰ ফাইনেলত কৰ্ণআটকৰ তনুষ ঘিল্ডিয়ালে মননক ৪-৬, ৬-৪, ৬-৪ ছেটত পৰাজিত কৰে। অৱশ্যে অসমৰ খেলুৱৈজনে ডাবল্‌ছত খিতাপ জয় কৰিবলৈ সক্ষম হয়। পশ্চিমবংগৰ কেশৱ গোৱেলৰ স'তে যুটি বান্ধি মননে ল'ৰাৰ ১৮ বছৰ অনূৰ্ধ্বৰ ডাবল্‌ছ ফাইনেলত অসমৰ ৰৌণক কাশ্যপ আৰু মণিপুৰৰ শংকৰ হেইছনামক পৰাজিত কৰে। অসমৰ যুটি নিকিতা সোণোৱাল আৰু অৰ্ণৱি দেৱনাথেও ছোৱালীৰ ১৬ বছৰ অনূৰ্ধ্বৰ ডাবল্‌ছত খিতাপ জয় কৰিবলৈ সক্ষম হয়। ফাইনেলত তেওঁলোকে উত্তৰ প্ৰদেশৰ ছ'নি প্ৰজাপতি আৰু অসমৰ নাবিহা মৰিয়মক হৰুৱায়। অসমৰ আন এগৰাকী খেলুৱৈ নম্ৰতা দাস আৰু তেওঁৰ সংগী মণিপুৰৰ জেনিফাৰ চাক' ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্বৰ ফাইনেলত পৰাজিত হয়। ল'ৰাৰ ১৮ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছত খিতাপ জয় কৰে কৰ্ণাটকৰ আৰাধ্য ক্ষীতিজে। আজি প্ৰতিযোগিতাখন সমাপ্ত হয়। খেলৰ অন্তত আয়োজিত বঁটা বিতৰণী অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰে অইল ইণ্ডিয়া লিমিটেডৰ মহাপ্ৰৱন্ধক ৰামানুজ দত্তই।

# চাহবাগিচাৰ পৰা আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ টীয়কৰ খেলুৱৈ নীহা ৰাজোৱাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৮ জুলাই ঃ** মালয়েছিয়াত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মুৱাইথাই কিক বক্সিং প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব টীয়কৰ ১৫ বছৰীয়া নীহা ৰাজোৱাৰে। অৱশ্যে সম্প্ৰতি আৰ্থিক সমস্যাত পৰিছে খেলুৱৈগৰাকী। কিয়নো টীয়ক চাহ বাগিচাৰ পৰা মালয়েছিয়ালৈ যোৱাৰ বাবে তেওঁক যথেষ্ট ধনৰ প্ৰয়োজন। কিছুদিনৰ পূৰ্বে মধ্যপ্ৰদেশত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত সোণৰ পদক বুটলি অসমলৈ গৌৰৱ কঢ়িয়াই অনা তথা মালয়েছিয়াত অহা আগষ্টত আয়োজিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মুৱাইথাই কিক বক্সিং প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিবলৈ নিৰ্বাচিত হোৱা টীয়ক চাহ বাগিচাৰ জীয়ৰী নীহা আৰু তেওঁৰ পৰিয়ালটোক এতিয়া আৰ্থিক সমস্যাই চিন্তিত কৰি তুলিছে। টীয়ক চাহ বাগিচাৰ খৰি-পালেঙৰ বাবুল ৰাজোৱাৰ আৰু গীতা ৰাজোৱাৰৰ নৱম শ্ৰেণীত অধ্যয়নৰত কন্যা নীহাক এতিয়া প্ৰয়োজন ৰাইজৰ আশীৰ্বাদ আৰু সহায়ৰ। ইপিনে, কন্যা নীহাৰ এই সফলতাই পিতৃ-মাতৃক আনন্দিত কৰিছে যদিও আন এক চিন্তাই চিন্তিত কৰিছে। বাগিচাত দিন হাজিৰা কৰা পিতৃ-মাতৃৰ নাই কন্যাক বিদেশত গৈ খেলিবলৈ প্ৰয়োজন হোৱা ধনৰাশি যোগাৰ কৰি দিয়াৰ সামৰ্থ। সেয়ে নিৰূপায় হৈ পৰিয়ালটিয়ে অসম চৰকাৰৰ লগতে ৰাজ্যবাসীৰ সহায় বিচাৰিছে।

# অভিযোগমুক্ত ব্লেটাৰ-প্লাটিনি

**নিউজ ব্যুৰ'**

**জুৰিখ, ৮ জুলাই ঃ** বিত্তীয় অনিয়মৰ অভিযোগৰ পৰা মুক্ত হ'ল ফিফাৰ প্ৰাক্তন সভাপতি ছেপ ব্লেটাৰ আৰু প্ৰাক্তন উপ-সভাপতি তথা ফ্ৰান্সৰ কিংবদন্তি ফুটবলাৰ মিচেল প্লাটিনি। ২০১৫ৰ পৰাই নিষিদ্ধ হৈ থকা ফিফাৰ প্ৰাক্তন সংগঠকদ্বয়ক জুৰিখৰ এখন আদালতে আজি দোষমুক্ত কৰে। ১১দিনীয়া শুনানি যোৱা ২২ জুনত সমাপ্ত হোৱাৰ পাছত বিচাৰকে আজি ৰায় দিয়ে। ব্লেটাৰ আৰু প্লাটিনিৰ বিৰুদ্ধে ২০১১ত ভাৰতীয় মুদ্ৰাত প্ৰায় ১৩ কোটি টকা খেলিমেলি কৰাৰ অভিযোগ উঠিছিল। যদিও প্ৰথমৰ পৰাই দুয়ো নিজকে নিৰ্দোষী বুলি দাবী কৰি আহিছিল। অৱশেষত আদালতত প্ৰমাণ হ'ল যে বিশ্ব ফুটবলৰ অভিভাৱক সংস্থাটোৰ হৈ কিছু কাম কৰাৰ বাবদ প্লাটিনিক পলমকৈ পাৰিশ্ৰমিক উলিয়াই দিছিল ব্লেটাৰে। সেই ধন বিধিনিষিদ্ধভাৱে মোকলাই দিয়াৰ অভিযোগ উঠিছিল ব্লেটাৰৰ বিৰুদ্ধে।

# কোহলিক তিনি মাহ বিশ্ৰাম লোৱাৰ পৰামৰ্শ দিলে ভনে



**নিউজ ব্যুৰ'**

**লণ্ডন, ৮ জুলাই ঃ** বিৰাট কোহলি কেতিয়া ৰাণলৈ উভতিব, কেতিয়া শতৰাণ কৰিব সেয়া বিশেষ চৰ্চাৰ বিষয় হৈ পৰিছে। দেশ-বিদেশৰ প্ৰাক্তন ক্ৰিকেটাৰসকলে ইতিমধ্যেই কোহলিক নানা পৰামৰ্শ দিছে। কোনোবাই তেওঁক চাপ নল'বলৈ পৰামৰ্শ দিছে। আন কোনোবাই দিছে সাময়িকভাৱে বিশ্ৰাম লোৱাৰ পৰামৰ্শ। ইতিমধ্যে কোহলিয়ে আগন্তুক ৱেষ্টইণ্ডিজ ভ্ৰমণৰ পৰা বিশ্ৰাম বিচাৰিছে। এইবাৰ সেই তালিকাত যুক্ত হ'ল ইংলণ্ডৰ প্ৰাক্তন অধিনায়ক মাইকেল ভন। তেওঁ যুক্তি দৰ্শাইছে যে কেইদিনমান নহয়, বৰঞ্চ কোহলিয়ে কমেও তিনি মাহৰ বিৰতি লওক। সেই সময়ত খেলাৰ কথা ভাবিব নালাগিব। তেতিয়াহে কোহলিয়ে ছন্দ ঘূৰাই পাব বুলি ভনে মন্তব্য কৰিছে।

কোহলিৰ বেটিং সম্পৰ্কে ভনে কয়, 'আইপিএলৰ পাছত কোহলিয়ে কিছুদিন বিশ্ৰাম লৈছিল। কিন্তু মই ভাবো, কিছুদিনৰ নহয় বৰঞ্চ তেওঁক কমেও তিনি মাহৰ ছুটিৰ প্ৰয়োজন। সেই সময়ত পৰিয়ালক সময় দিয়ক। ক্ৰিকেটৰ কথা ভাবিলে নহ'ব। মূৰটো একেবাৰে খালী ৰাখিব লাগিব। তেতিয়াই নতুনকৈ সকলোবোৰ আৰম্ভ কৰিব পাৰিব।' তিনি মাহ বিৰতি ল'লে কোহলিৰ দৰে ক্ৰিকেটাৰৰ একো ক্ষতি নহয় বুলিও ভনে কয়। প্ৰাক্তন ইংৰাজ অধিনায়কজনে কয়, 'ভাৰতৰ হৈ অন্ততঃ ২০ বছৰ ক্ৰিকেট খেলিব কোহলিয়ে। ইয়াৰ ভিতৰত যদি তেওঁ তিনি মাহ ক্ৰিকেটৰ পৰা আঁতৰিও থাকে তেতিয়াও তেওঁৰ কোনো ক্ষতি নহয়। বিপৰীতে তাৰ পৰা তেওঁৰ লাভহে হ'ব।'

বিলাসনন্দন চ'ৰা




# মুখ কী বাত

দিল্লীৰ ৰাজসভাত আমাৰ বাদশ্বাহে হঠাতে এটা এলান কৰিলে— 'মই আৰু মন কী বাত নকওঁ।' সভাসদসকলে হৈ-চৈ কৰি উঠিল—'কিন্তু কিয় জাহাপনা?'

ঃ মন কী বাত যেতিয়া ক'বলৈ লৈছিলো, তেতিয়া মন কী বাত ক'বলৈ মোৰো মন আছিল আৰু শুনিবলৈ পাব্লিকৰো মন আছিল।
ঃ হয় জাহাপনা।
ঃ তেতিয়া পাব্লিকৰ কাৰণে এয়া মন কী বাত নাছিল।
ঃ হয় জাহাপনা।
ঃ সেয়া আছিল আকাশবাণী।
ঃ হয় জাহাপনা।
ঃ আগৰ দিনত যে দেৱ-দেৱীবোৰে আকাশবাণী কৰিছিল, মোৰ মন কী বাতো তেনেকুৱাই আছিল।
ঃ হয় জাহাপনা।
ঃ তেতিয়া একো কাম নাছিল।
ঃ ঠিকেই জাহাপনা।
ঃ কাম কী বাত কৰিবলৈও একো কাম কৰা নাই।
ঃ হয় জাহাপনা।
ঃ গতিকে মন কী বাতকে আৰম্ভ কৰি দিলো। তেতিয়া আকৌ মোৰ মনটোৱেও বাত কৰো কৰোঁকৈ আছিল। গতিকে মন কী বাত চুৰু হৈ গ'ল।
ঃ ঠিকেই জাহাপনা।
ঃ এতিয়া কিন্তু মোৰ মনটো বাত কৰাৰ মুডত নাই। আগতকৈ বহু বেছি ভয়াতুৰ হৈছে।
ঃ কেনেকুৱা ভয়াতুৰ জাহাপনা?
ঃ আগেয়ে ই আচ্ছে দিন, সৱকা সাথ সৱকা বিকাছ জাতীয় কথাবোৰ নিৰ্ভীকভাৱে কৈ দিব পাৰিছিল।
ঃ ঠিকেই।
ঃ আজি-কালি নোৱাৰে।
ঃ কিয় জাহাপনা?
ঃ নাজানো।
ঃ আজি-কালি সেইবোৰ কথা ক'বলৈ হেহু-নেহু কৰে।
ঃ ঠিকেই।
ঃ মনটোৱে কিবা বেলেগ বেলেগ বাতবোৰহে কৰি থাকে।
ঃ কি বেলেগ বাত?
ঃ মনটোৱে কয়—সদায় মন কী বাত কৰি থাকিব নোৱাৰি নহয়, কাম কী বাত কেতিয়া কৰিব?
ঃ আৰু কি কয় জাহাপনা?
ঃ আৰু কয়—সৱকা সাথ সৱকা বিকাছ? আম্বানী য়া আদানী কা?
ঃ আৰু কি কয়?
ঃ আৰু কয়—অচ্ছে দিন নেহী আয়েগা। অচ্ছে দিন আহিবলৈ অচ্ছে মন লাগিব।
ঃ ঠিকেই।
ঃ সেই কাৰণে মই কথা এটা ভাবিছো।
ঃ কি?
ঃ মন কী বাত বন্ধ কৰি দিওঁ।
ঃ তেতিয়া কি কৰিব?
ঃ এতিয়াা এটা নতুন বাত আৰম্ভ কৰি দিব পাৰো।
ঃ কি বাত? কাম কী বাত?
ঃ নহয়।
ঃ ৰাত কী বাত?
ঃ নহয়।
ঃ দিন কী বাত?
ঃ নহয়।
ঃ তেন্তে?
ঃ মুখ কী বাত।
ঃ সেইটো আকৌ কি?
ঃ মুখৰ কথা। কোনে কিমান বিশ্বাস কৰে গম পাম।



# শ্ৰীৰামপুৰত আকৌ জ্বলিল গাঞ্জা কঢ়িয়াই অনা ট্ৰাক



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ৮ জুলাই** ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ নিচেই কাষত আকৌ জ্বলিল আৰক্ষীয়ে জব্দ কৰা গাঞ্জা কঢ়িয়াই অনা এখন ট্ৰাক। কালি শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে গাঞ্জা সৰবৰাহ কৰা ইউ পি-১২-টি-৪৪৪৭ নম্বৰৰ ট্ৰাকখন জব্দ কৰি আৰক্ষী চকী চৌহদতে আটক কৰি ৰাখিছিল; কিন্তু আৰক্ষীৰ জিম্মাত থকা ট্ৰাকখন আজি পুৱতি নিশা জ্বলি ছাৰখাৰ হৈ গ'ল। এই সন্দৰ্ভত আৰক্ষীৰ বক্তব্য যে গাঞ্জা সৰবৰাহ কৰা চক্ৰটোৱে তথ্য প্ৰমাণ নষ্ট কৰিবলৈ ট্ৰাকখন জ্বলাই দিয়ে। কিন্তু আৰক্ষী চকীৰ অঞ্চলত আৰক্ষীৰ জিম্মাত থকা বাহনবোৰত কিদৰে দুৰ্বৃত্তই জ্বলাই দিয়ে সেয়াই প্ৰশ্ন। উল্লেখ্য যে ইয়াৰ পূৰ্বেও আৰক্ষীয়ে জব্দ কৰা অবৈধ সামগ্ৰী কঢ়িয়াই অনা একাধিক বাহনত অগ্নি সংযোগ কৰা হৈছে। কিন্তু এই দুষ্কাৰ্যৰ লগত জড়িতসকলক আজি পৰ্যন্ত আৰক্ষীয়ে চিনাক্ত কৰি আটক কৰিব পৰা নাই।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

## বানে তচনচ কৰা ৰহাত বন্যাৰ্তৰ চকুলো ঃ পানী শুকুওৱাৰ লগে লগে বাঢ়িছে দুশ্চিন্তা



# কলঙৰ বুকুত আপোন ঘৰখন জাহ যোৱা বাবুল পূৰ্ণ ক'লৈ যাব?

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ জুলাই** ঃ মাত্ৰ এটা মাহৰ ভিতৰতে দুটাকৈ প্ৰলয়ংকৰী বানে মহটিয়াই নিয়া নগাঁও জিলাৰ ৰহা আৰু কামপুৰ ৰাজহ চক্ৰৰ বানত বিধ্বস্ত ৰাইজৰ দুৰ্গতিৰ সীমা নোহোৱা হৈছে। উল্লেখ্য যে ৰহা ৰাজহ চক্ৰৰ ১২৭ খন গাঁৱৰ ভিতৰত ১২১খন গাঁৱতে বানপানীয়ে বিস্তৰ ক্ষতি কৰাৰ পাছত বহু পৰিয়াললৈ নামি আহিছে কাল অমানিশা। ৰহাৰ দুৰ্গাজান, মাজগাঁও, হাৰিয়ামুখ, ফুলগুৰি গড়মূৰ আদি অঞ্চলত বানপানীয়ে বহু সংখ্যক লোকৰ ঘৰ উটুৱাই নিয়াৰ দৰে ৰহা উন্নয়ন খণ্ডৰ অঞ্চলাধীন দীঘলীআটি পঞ্চায়তৰ দুবৰিতলিতো কলঙৰ ভয়াৱহ গৰাখহনীয়াই উটুৱাই লৈ গ'ল দুটাকৈ বানাক্ৰান্ত পৰিয়ালৰ আৱাস গৃহ। দুবৰিতলিৰ বাবুল শইকীয়া আৰু পূৰ্ণ মেধি নামৰ ব্যক্তি দুজনৰ পৰিয়ালে কলং নদীৰ পাৰত ঘৰ বান্ধি বসবাস কৰি আহিছিল; কিন্তু বানত বিধ্বস্ত দুৰ্গত পৰিয়াল দুটাৰ আশ্ৰয়স্থল বাসগৃহ দুটাও কলঙৰ বুকুত জাহ যায়। বাঁহৰ বেৰ, খুঁটা, টিনৰ চালি দি ঘৰ সাঁজি বসবাস কৰিছিল বাবুল শইকীয়াই। প্ৰায় তিনিবিঘা ভূমিত বাবুল শইকীয়াই দুই সন্তান আৰু পৰিবাৰক লৈ দিন হাজিৰা কৰি অতি কষ্টৰে দিন কটাইছিল; কিন্তু চলিত বছৰৰ ১৬ মে'ত হোৱা প্ৰথম বানপানীত ঘৰৰ ভেটিটোৰ প্ৰায় আধাবিঘা ভূমি কলঙৰ বুকুত জাহ যায়। বাকী থকা ভূমিকণতে বাবুল শইকীয়াই নিজৰ কপালকে সাৰথি কৰি বসবাস কৰিবলৈ ধৰিলে; কিন্তু সেইখিনিটো যেন বিধাতাৰ কোপদৃষ্টি পৰিল। শেহতীয়াকৈ ১৯ জুনত অহা বছৰৰ দ্বিতীয়টো বানে বাকী থকা ঘৰৰ ভেটিটো সম্পূৰ্ণকৈ কলঙৰ বুকুলৈ খহাই নিয়ে। উল্লেখ্য যে কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পই এৰি দিয়া পানীয়ে কপিলী নদীৰ জলপৃষ্ঠ বৃদ্ধি কৰাত সেই পানীয়ে কলং আৰু বৰপানী নদীত হেঁচা দি বানপানীৰ সৃষ্টি কৰি নদীসমূহৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহ প্লাৱিত কৰি তোলে। এই তীব্ৰবেগী বানপানীৰ কলং নদীৰ সোঁতে অন্যান্য অঞ্চলৰ দৰে দুবৰিতলিতো বিস্তৰ ক্ষতি কৰে। এই ভয়াৱহ নিশাটোৰ কথা ভাবি আজিও ভয়ত ত্ৰস্তমান হৈ চকুলো টুকিছে বাবুল শইকীয়া আৰু তেওঁৰ পত্নীয়ে। তেওঁলোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে ফেনে ফোটোকাৰে বাঢ়ি অহা কলং নদীয়ে অতি কম সময়ৰ ভিতৰতে ঘৰটো উটুৱাই নিয়ে। প্ৰথমে ঘৰৰ পৰা অলপ দূৰৈত থকা শৌচালয়টো খহাই নিয়াত ঘৰৰ সা-সম্পত্তিসমূহ লাহে লাহে উলিয়াই দুয়ো পতি-পত্নীয়ে ওচৰতে থকা নামঘৰলৈ কঢ়িয়াব ধৰিলে। কিন্তু কলঙৰ বাঢ়নী পানীয়ে সপত্নীক বাবুলক সেই সময়কণো নিদি গৰাখহাই ঘৰৰ ভেটিৰ এটা অংশ খহাই লৈ যোৱাত নিজৰ প্ৰাণ ৰক্ষা কৰি দুয়ো ওখ ঠাইলৈ ঢাপলি মেলে। ফলত ঘৰৰ যি কেইপদ লাম-লাকটু আছিল সকলোবোৰ বানে উটুৱাই নিয়াৰ লগতে মাত্ৰ কেইফুটমান ঠাই ৰাখি ঘৰৰ গোটেই অংশটো খহাই নিয়ে। একেদৰে পূৰ্ণ মেধিৰো একে অৱস্থা। প্ৰায় ১০ বছৰ পূৰ্বে তিনিকঠা মাটি ক্ৰয় কৰি কলং নদীৰ পাৰতে ঘৰ সাজি বাস কৰিছিল। কিন্তু এনেকৈ অলপ অলপ কৰি শেহতীয়া বানে তচনচ কৰিলে পূৰ্ণ মেধিৰ ঘৰটো। এনেকৈ কলঙৰ বুকুত জাহ গ'ল ঘৰ দুটা। কেৱল সেয়াই নহয়, দীঘলীআটি চাৰিআলিৰ পৰা উত্তৰদিশে দুবৰিতলি সংযোগী পথটো বানৰ তীব্ৰ সোঁতে ভাঙি নিয়ে। প্ৰলয়ংকৰী বানে পথছোৱাত প্ৰায় অৰ্ধশতাধিক গাঁত সৃষ্টি কৰাৰ লগতে গোটেই পথছোৱাৰ দুয়োকাষ খান্দি পেলাই। তদুপৰি বানপানীৰ ফলত গাঁওখনৰ বহু সংখ্যক ঘৰৰ বেৰ, দুৱাৰ আদিও খহি নষ্ট হৈছে। সময় বাগৰি গৈছে, বানপানী শুকালে শিবিৰৰ পৰা নিজা ঘৰলৈ উভতি যাব বানাক্ৰান্ত। কিন্তু ক'ত যাব বাবুল, পূৰ্ণ অথবা যাৰ ঘৰ বানে উটুৱাই নিছে সেইসকলৰ বাবে এক উত্তৰবিহীন প্ৰশ্ন হৈ পৰিছে।

# পানী শুকালেও ঘৰলৈ যাব পৰা নাই ৬০ শতাংশ বন্যাৰ্তই

## বানে ধোৱা কচুৱাত ৯০ শতাংশ লোকৰ নাই কোনো ঈদৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**কচুৱা, ৮ জুলাই** ঃ কাইলৈ সমগ্ৰ বিশ্বৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যত ইছলাম ধৰ্মালম্বী লোকে আনন্দৰ আৰু ত্যাগৰ উৎসৱ ঈদ-উজ-জোহা উলহ- মালহেৰে পালন কৰিবলৈ বিভিন্ন প্ৰস্তুতি চলাইছে। অসমৰো বিভিন্ন প্ৰান্তত ঈদৰ প্ৰস্তুতি চলাইছে। এই আনন্দৰ মাজতে নগাঁও জিলাৰ ৰহা সমষ্টিৰ কচুৱাত কিন্তু পবিত্ৰ বকৰিদৰ যি আনন্দ আৰু প্ৰস্তুতি সেই ছবি পৰিলক্ষিত হোৱা নাই। ৯০ শতাংশ ইছলাম ধৰ্মালম্বী লোকসকলৰ মাজত এই ঈদৰ কথা পাহৰণিৰ গৰ্ভত। দুটাকৈ প্ৰলয়ংকৰী বানে ধোৱা কচুৱাত অদ্যাপি ৬০ শতাংশ বন্যাৰ্ত নিজৰ আপোনঘৰ এৰি পদপথৰ ওপৰত কিৰপাল তৰি বনোৱা আশ্ৰয় শিবিৰত থাকিব লগা হৈছে। তেওঁলোকৰ কিছু সংখ্যকৰ ঘৰৰ পৰা পানী নমা নাই আৰু কিছু সংখ্যকৰ নামিছে যদিও ঘৰ ভগি-ছিগি যোৱাৰ উপৰি বানে উটুৱাই লৈ গৈছে, আন কিছুমান বানত পৰি ধ্বংস হৈছে। বছৰটোৰ প্ৰথমটো বানে পকা বৰোধান সমূলি ধ্বংস কৰাৰ এপষেক পাছত পুনৰ দ্বিতীয়টো বিধ্বংসী বানে মানুহৰ ঘৰবাৰী, সাঁচিৰখা, ধান চাউল অন্যান্য খাদ্য সামগ্ৰীৰ লগতে পশুধন সমূলি ধ্বংস কৰি জনজীৱন তচনচ কৰি পেলাইছে। একাংশ চাকৰিজীৱী, সুদৰ ব্যৱসায়ী, পঞ্চায়ত প্ৰতিনিধি, অন্যান্য ব্যৱসায়ী লোকৰ বাদে সাধাৰণ কৃষক, শ্ৰমিক আৰু দৰিদ্ৰ লোকে বকৰিদৰ কথা তেওঁলোকে পাহৰি গৈছে। এফালে, ঘৰবাৰী এৰি আশ্ৰয়হীন, অৰ্থহীন, খাদ্য সামগ্ৰীবিহীন আনফালে, পেটৰ এমুঠি অন্নৰ তাড়নাৰ মাজত ঈদ আহিছেনে নাই সেই কথা ভবাৰ আহৰি তেওঁলোকৰ নাই। তেওঁলোকৰ চিন্তা কেৱল কেতিয়া নিজৰ আপোন ঘৰখন নিৰ্মাণ কৰিব পাৰিব, কেতিয়া যাব পাৰিব, কোনে নিৰ্মাণ কৰি দিব সেই আপোন ঘৰখন, নদীত জাহ যোৱা ঘৰ, ভেটি খেতি ক'ত পাব। ক'ত নিৰ্মাণ কৰিব নতুনকৈ এখন গৃহ আৰু গৃহটো নিৰ্মাণ কৰিবলৈ ক'ত পাব মাটি, কোনে দিব মাটি। কি খাব, পৰিয়ালৰ ভৰণ- পোষণ কেনেকৈ কৰিব এই চিন্তা, বেদনা বুকুত ভোকে-লঘোনে দুৰ্বিষহ জীৱন লৈ বিনিদ্ৰা ৰজনী কটাইছে পদপথৰ দাঁতিত তিৰপাল তলত। তেওঁলোকে ঈদ উপলক্ষে যে মিঠাই, পিঠা, পনা, এসাঁজ ভালকৈ ভাত খাব সেইখিনিও তেওঁলোকৰ ভাগ্যত নহ'ব। নিজৰ ঘৰত থকা বানাক্ৰান্তসকলো দিনটোত এবেলা এমুঠি খাই কোনো ৰকমে জীয়াই থকা পৰিলক্ষিত হৈছে। একেদৰে বহুতৰ পিন্ধনত থকা কাপোৰৰ বাহিৰে বাকী কাপোৰ-কানিও বানে উটুৱাই নিছে। সম্প্ৰতি বানে ধোৱা কচুৱাত বানাক্ৰান্তক খাদ্য, কাপোৰ, বাচন-বৰ্তন, গৃহ নিৰ্মাণৰ কৰিবলৈ ধন, ঔষধ আদি কৰি একাধিক সাহায্যৰ প্ৰয়োজন হৈছে। সেয়ে বানে ধোৱা কচুৱাত বকৰিদৰ আনন্দ আৰু প্ৰস্তুতি পৰিলক্ষিত হোৱা নাই।

# ধোঁৱাচাঙত উঠিল কলিয়াবৰ প্ৰশাসন আৰু পৰিৱেশ পৰিষদৰ সেউজ কলিয়াবৰ আঁচনি

## সেউজীয়াৰ পৰিৱৰ্তে শাৰী শাৰী শুকান গছপুলি



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ৮ জুলাই** ঃ মাত্ৰ ১৫ মিনিটত কলিয়াবৰত হত্যা কৰা হ'ল এক লক্ষ গছপুলি। নিজ নিজ নাম আৰু চমক সৃষ্টিৰ বাবেই হত্যা কৰা হ'ল সেউজীয়া সপোন। বিশ্ব পৰিৱেশ দিৱসৰ পৰা মাহচেৰেক দিন পাৰ হৈ যোৱাৰ সময়তে এনেদৰে প্ৰশাসন, চৰকাৰৰ লগতে সংশ্লিষ্ট দায়িত্ববাহী বিভাগৰ দায়িত্বজ্ঞানহীন কাণ্ড দেখি আশ্চৰ্য প্ৰকাশ কৰিছে কলিয়াবৰৰ ৰাইজে। পৰিৱেশ দিৱসত কলিয়াবৰত '১৫ মিনিটত এক লাখ'ৰ গছপুলি ৰোপণ আজি চিহ্নিত হৈছে 'ফ্লপ শ্ব' ৰূপে। পথৰ দাঁতিত সেউজীয়াৰ পৰিৱৰ্তে দেখা গৈছে শাৰী শাৰী শুকান গছপুলি। এয়া দেখি-শুনি ৰাইজৰ প্ৰশ্ন, কেৱল চমক সৃষ্টিৰ বাবেই অসমত য'তে-ত'তে জধে-মধে ৰোপণ কৰা হয় নেকি লাখে লাখে গছপুলি। পৰিৱেশ সুৰক্ষা আৰু বনানীকৰণৰ নামত চলা এনে চমক সৃষ্টিৰ কাহিনী পোহৰলৈ আহিছে কলিয়াবৰত। আজিৰ পৰা ঠিক এমাহ পূৰ্বে বিশ্ব পৰিৱেশ দিৱস অৰ্থাৎ পাঁচ জুনৰ দিনা কলিয়াবৰত একে সময়তে মাত্ৰ ১৫ মিনিটৰ ভিতৰত ৰোপণ কৰা হৈছিল এক লাখ গছ পুলি। কিন্তু এমাহ পাছতে যেন যৱনিকা পৰিল চমকবাজিৰ নাটক। তদাৰকী আৰু ৰক্ষণাবেক্ষণৰ অভাৱত এমাহতে জয় পৰিল পৰিৱেশ দিৱসৰ গছপুলি। খোল, তাল, ডবা, শংখ বজাই উৎসৱমুখৰ পৰিৱেশত বাটে-পথে, পদূলিয়ে পদূলিয়ে ৰোপণ কৰা হৈছিল গছপুলি। আৰু এমাহ পাছত ঠায়ে ঠায়ে উভালি পৰিল গছ পুলিত দিয়া মেৰ। বহু ঠাইত চিন-চাব নাই পুলিৰো। 'শ্যামলী কলিয়াবৰ আঁচনি'ৰ অধীনত এইদৰেই এমাহ পূৰ্বে গাঁৱে গাঁৱে পদূলিয়ে পদূলিয়ে কলিয়াবৰত ৰোপণ কৰা হৈছিল গছপুলি। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে কলিয়াবৰ মহকুমা প্ৰশাসন আৰু অসম বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ উদ্যোগত হাতত লোৱা হৈছিল ১৫ মিনিটত এক লাখ গছ পুলি ৰোপণৰ তথাকথিত চমকপ্ৰদ কাৰ্যসূচী। গছ পুলি ৰোৱা হ'ল ঠিকেই কিন্তু তদাৰকীৰ অভাৱত এমাহ পাছতে উভালি পৰিল গছ পুলিত দিয়া বহু সংখ্যক মেৰ। নোহোৱা হ'ল গছ পুলিও। ঠায়ে ঠায়ে নিশ্চিহ্ন হ'ল ৰোপণ কৰা গছপুলি। ঠায়ে ঠায়ে গছপুলি ৰোপণৰ নামত কেৱল লগোৱা হ'ল মেৰটোহে। কিন্তু ৰোপণেই নহ'ল গছপুলি। এয়া কলিয়াবৰৰ বিভিন্ন স্থানৰ এক চিনাকি দৃশ্য। পথৰ দুয়ো কাষেই এতিয়া দেখিবলৈ পোৱা গৈছে গছপুলিৰ বিধ্বস্ত ৰূপ। উল্লেখ্য যে কলিয়াবৰৰ জখলাবন্ধাৰ মিৰিভেটিৰ পৰা মিছামুখলৈকে প্ৰায় ২৫ কিলোমিটাৰ পথৰ দুয়োকাষৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ চৌহদত এক লাখ গছ পুলি ৰোপণৰে দেখুওৱা হৈছিল শ্যামলী কলিয়াবৰৰ সপোন। পিছে কলিতে যেন মৰহিছে সেই সেউজ সপোন। ৰোপণ কৰা বহু পুলি ইতিমধ্যেই মৰিল, বহু পুলি মৰো মৰো আৰু বহু ঠাইত মেৰ দিয়া স্থানত ৰোপণেই নহ'ল গছপুলি। মন্ত্ৰী কেশৱ মহন্তই গছপুলি ৰোপণৰ আৰম্ভণি কৰাৰ পাছতেই এক লাখ পুলি ৰোপণৰ বাবে গাঁৱে-গাঁৱে উবুৰি খাই পৰিছিল ৰাইজ। পিছে এতিয়া সেই গঞা ৰাইজেই কৈছে- 'নামতহে ৰূপায়িত হ'ল শ্যামলী কলিয়াবৰ আঁচনি।' এতিয়া প্ৰশ্ন উঠিছে- কেৱল চমক সৃষ্টিৰ বাবেই এক লাখ গছপুলি ৰোপণৰ নামত ইমানবোৰ পুলি হত্যা কৰিলে কোনে? এনেকৈয়ে ৰক্ষা হ'ব নেকি পৰিৱেশৰ ভাৰসাম্য উত্তৰ দিব কোনে?



# জুৰীয়াত কুকুৰ সৰবৰাহকাৰী চক্ৰৰ মূল পৰিকল্পক আমজাদক গ্ৰেপ্তাৰ

## শ শ কুকুৰ বস্তাত ভৰাই সৰবৰাহৰ ভয়াৱহ কৌশল

**অগ্ৰদূত বাৰ্ত**
**জুৰীয়া, ৮ জুলাই** ঃ অবৈধ গৰু সৰবৰাহৰ সমান্তৰালকৈ এইবাৰ পদপথৰ কুকুৰ সৰবৰাহত নামিছে এটা দুষ্টচক্ৰ। জুৰীয়াৰ পদপথত ঘূৰি ফুৰা শ শ কুকুৰ এটা দুষ্টচক্ৰই কৌশলেৰে ধৰি নি বস্তাত ভৰাই অতি কৰুণ অৱস্থাত সৰবাৰহৰ বাবে ৰখোৱা তথ্য সম্প্ৰতি পোহৰলৈ আহিছে। জুৰীয়াৰ থিয়টাঙনি গাঁৱৰ দিলীপ বৰদলৈ নামৰ লোকজনৰ পোহনীয়া কুকুৰটো সন্ধানহীন হোৱাৰ পাছতেই পোহৰলৈ আহিছে ভয়ংকৰ তথ্য। নিজৰ পোহনীয়া কুকুৰটো বিচাৰি কালি লোকজন জুৰীয়াৰ কাষৰিত উপস্থিত হোৱাৰ পাছতেই কুকুৰ সৰবৰাহ কৰা এই দুষ্টচক্ৰটোৰ কৰ্মকাণ্ডসমূহ পোহৰলৈ আহে। কাষৰিৰে এজন লোকৰ বাসগৃহৰ বস্তাত বান্ধি থোৱা অৱস্থাত লোকজনে নিজা কুকুৰটো কোনোমতে উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও আন শ শ কুকুৰ বৰ্তমানেও বস্তাত বান্ধি পেলাই থোৱা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰা হৈছে যদিও বৰ্তমানলৈকে আৰক্ষীয়ে ৰহস্যজনকভাৱে কুকুৰসমূহ উদ্ধাৰ কৰা নাই। উল্লেখ্য যে প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বহিঃৰাজ্যলৈ অবৈধভাৱে সৰবৰাহ হয় পদপথৰ কুকুৰ। এটা বিশেষ চক্ৰই পদপথৰ কুকুৰৰ চোৰাং সৰবৰাহ কৰি ডিমাপুৰ, কহিমা, আইজল আৰু ম্যানমাৰলৈ চালান দি থকাৰ তথ্য পোহৰলৈ আহিছে। ইফালে, ডিমাপুৰ, কহিমা, আইজল আৰু তুৰাত প্ৰশাসনৰ চকুত ধূলি দি চলি আহিছে কুকুৰৰ মাংসৰ এখন বৃহৎ বজাৰ। য'ত প্ৰতিদিনে কুকুৰৰ মাংসৰ নামতেই লাখৰ ঘৰত টকাৰ লেনদেন হয়। আনহাতে, দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি জুৰীয়া আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা সৰবৰাহ কৰি আহিছিল পদপথৰ কুকুৰৰ লগতে গৃহস্থৰ পোহনীয়া কুকুৰো। অৱশেষত আটক হ'ল মূল সৰবৰাহকাৰী। জুৰীয়াৰ পৰা বকলীয়া গেটলৈ প্ৰথমে সৰবৰাহ কৰে পদপথৰ পৰা ধৰি নিয়া কুকুৰবোৰ। তাৰ পৰা নগালেণ্ডৰ ডিমাপুৰৰ পৰা অহা কুকুৰ ক্ৰয় কৰা লোলে লৈ যায় নগাঁও জিলাৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা যোৱা কুকুৰসমূহ।

কালি জুৰীয়া থিয়টাঙনী গাঁৱৰ দিলীপ বৰদলৈ নামৰ এগৰাকী লোকৰ পোহনীয়া কুকুৰ নিৰুদ্দেশ হোৱাৰ পাছতে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰি জুৰীয়া কাষৰী নামৰ ঠাইৰ আমজত আলীৰ ঘৰৰ পৰা নিজৰ কুকুৰটোক উদ্ধাৰ কৰাৰ লগতে ঘৰত বস্তাত সুমুৱাই ৰাখি বিক্ৰীৰ বাবে ৰখা কুকুৰৰ ভিডিঅ'সমূহ ছ'চিয়েল মিডিয়াত আপলোড কৰিছিল। উক্ত ভিডিঅ'ৰ তথ্যৰ ভিত্তিত জুৰীয়া আৰক্ষীয়ে আজি জুৰীয়াৰ কাষৰীয়াত অভিযান চলাই সৰবৰাহকাৰীজনক আটক কৰিবলৈ সক্ষম হয়। ইতিমধ্যে বস্তাত বান্ধি থোৱা অৱস্থাত থকা কুকুৰবোৰ বকলিয়া গেটলৈ সৰবৰাহ কৰিছে বুলি প্ৰকাশ কৰিছে সৰবৰাহকাৰীজনে। ধৃত সৰবৰাহকাৰীজনে বিগত পাঁচ-ছয় বছৰ ধৰি জুৰীয়াৰ পৰা মাহেকত দুই-তিনিবাৰকৈ কুকুৰ সৰবৰাহ কৰি আহিছে বুলিও সাংবাদিকৰ আগত স্বীকাৰ কৰে। লগতে ধৃত লোকজনে নগাঁৱৰ পৰা কুকুৰবোৰ বকলীয়ালৈ নিয়াৰ বাটত প্ৰতিখন চেক গেটত টকা নি অনায়াসে কুকুৰ সৰবৰাহ কৰা গাড়ীসমূহ পাৰ কৰি নিয়ে বুলিও বিস্ফোৰক তথ্য প্ৰকাশ কৰে। ধৃত সৰবৰাহকাৰীজনক বৰ্তমান জুৰীয়া থানাত জেৰা চলাই আছে।

## টেণ্ট হাউছ ব্যৱসায়, গৰু পালনেৰে অৰ্ধশতাধিক পৰিয়াল পোহপাল যোগেশ্বৰৰ

# ঘগ্ৰাপাৰৰ এজন পঞ্চায়ত প্ৰতিনিধিৰ ব্যতিক্ৰমী পদক্ষেপ চৰ্চাত



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৮ জুলাই** ঃ যি সময়ত ৰাজ্যৰ একাংশ পঞ্চায়ত জনপ্ৰতিনিধিয়ে গ্ৰামোন্নয়ন আঁচনিৰ চৰকাৰী ধন কি কৌশলেৰে নিজৰ জেপত সুমুৱাই দুমহলীয়া ভৱন, দামী দামী চাৰিচকীয়া, দুচকীয়া গাড়ী ক্ৰয় কৰাৰ বাবে অঘোষিত প্ৰতিযোগিতাত নামি পৰাৰ উপৰি মন্ত্ৰী-বিধায়ক তথা নেতা-পালিনেতাৰ পিছে পিছে ঘূৰি সময় অতিবাহিত কৰিছে, ঠিক সেই সময়তে নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোপ বনভাগ উন্নয়ন খণ্ডৰ ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ সভাপতি তথা বৰনামখলা গাঁও নিৱাসী যোগেশ্বৰ শৰ্মাক দেখা গৈছে ব্যতিক্ৰমীৰূপত। সম্প্ৰতি শৰ্মাই পঞ্চায়তখনৰ সভাপতি পদত থাকিও পিতৃৰ সাঁচতীয়া ধনেৰে এখন টেণ্ট হাইছৰ ব্যৱসায় চলাই থকাৰ উপৰি শেহতীয়াভাৱে এখন উন্নত জাতৰ গাই গৰুৰ ফাৰ্ম স্থাপন কৰি নিজে স্বাৱলম্বী হোৱাৰ লগতে প্ৰত্যক্ষ-পৰোক্ষভাৱে অঞ্চলটোৰ প্ৰায় অৰ্ধশতাধিক পৰিয়ালক আত্মসংস্থাপন দিছে। শৰ্মাই জানিব দিয়া মতে, পঞ্চায়ত সভাপতি হোৱাৰ পূৰ্বে টেণ্ট হাউছৰ ব্যৱসায় কৰি অঞ্চলটোৰ প্ৰায় ৪০ গৰাকী নিবনুৱাক সংস্থাপন দিয়াৰ উপৰি শেহতীয়াভাৱে ঘৰতে ১০ টাকৈ উন্নত জাতৰ গাই গৰুৰ এখন ফাৰ্ম কৰি পাঁচ-১০ পৰিয়ালক পোহপাল দিয়াৰ লগতে নিতৌ ২০/৩০ লিটাৰ গাখীৰ বিক্ৰী কৰি আহিছে। লগতে শৰ্মাই ইয়াকো কয় যে বৰ্তমানলৈ তেওঁৰ উৎপাদিত গাখীৰ বিক্ৰীৰ বাবে এখন উন্নত বজাৰ নোপোৱাৰ উপৰি পশু চিকিৎসালয়ৰ পৰা কোনো সঁহাৰি পাবলৈ সক্ষম হোৱা নাই। এতিয়ালৈকে কোনো বেংকত ঋণ বিচাৰি আবেদন কৰা নাই যদিও সুবিধা পালে ঋণ বিচাৰি ফাৰ্মখন উন্নত কৰাৰ আশা প্ৰকাশ কৰে শৰ্মাই। এই ক্ষেত্ৰত পশুপালন বিভাগৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব। ঋণ বিচাৰি পশুপালন বিভাগ তথা বেংকৰ বিষয়াৰ পিছে পিছে ঘূৰি থাকিবলৈ অপাৰগ শৰ্মা। তেওঁৰ মতে, চৰকাৰী চাকৰি নিবিচাৰি আজিৰ শিক্ষিত যুৱক-যুৱতীয়ে নিজৰ ঘৰৰ আশে-পাশে স্বাৱলম্বী হোৱাৰ সমল বিচাৰিব লাগে। প্ৰথম অৱস্থাত কিছু কষ্ট কৰি বিভিন্ন ফাৰ্ম আৰম্ভ কৰিলে পিছলৈ ঘূৰি চাবলগীয়া নহয়। শৰ্মাৰ দৰে এনেদৰে ৰাজ্যৰ পঞ্চায়ত প্ৰতিনিধি আগবাঢ়ি আহিলে নিশ্চয় সুফল পোৱাটো খাটাং। ইফালে, শৰ্মাৰ এনে কাৰ্যক সচেতন ৰাইজে শলাগিছে।

# হাজোৰ বানে গৰকা অঞ্চলত বৰো ধান হৈ পৰিল পশু খাদ্য

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৮ জুলাই** ঃ কামৰূপ জিলাৰ হাজোত কিছু উন্নত হৈছে বান পৰিস্থিতি। ক্ৰমাত স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছে জনজীৱন। কিন্তু তেনে সময়তে এতিয়া বানে জৰ্জৰিত কৰা তীৰ্থনগৰী হাজোৰ কৃষকসকলৰ মাজত লাগিছে হাহাকাৰ। হাজো বৰ্ণি, আধিয়াৰপাৰা, আন্ধুপাৰা, খলিহামাৰী আদি অঞ্চলৰ কৃষকসকলে মূৰৰ ঘাম মাটিত পেলাই কৰা শস্য এতিয়া খুৱাবলগীয়া হৈছে গৰু-ছাগলীক। বৰলীয়া আৰু ভৈৰাতোলা নৈৰ বাঢ়নী পানীয়ে অঞ্চলকেইটাৰ কে'বা হেজাৰ বিঘা কৃষি ভূমি প্লাৱিত কৰাৰ ফলত এতিয়া বৰো ধানসমূহ হৈ পৰিছে খোৱাৰ অনুপযোগী। আনহাতে, একাংশ কৃষকে বানৰ পূৰ্বে ধান কাটি ভঁৰালত থৈছিল বানৰ প্ৰবল সোঁতে উটুৱাই নিয়াত আলাই-আথানিৰ সৃষ্টি হৈছে কৃষকসকলৰ মাজত। এনেদৰে হাজোৰ কে'বাটাও অঞ্চলৰ পথাৰৰ বৰো ধান খোৱাৰ অনুপযোগী হোৱাত এতিয়া পশুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰিবলগীয়া হৈছে বানাক্ৰান্ত কৃষকসকলে। কৃষকসকলে চৰকাৰৰ লগতে স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়াৰ ওচৰত কৃষকসকলক উপকৃত কৰাৰ বাবে আহ্বান জনাইছে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com